10-1 ... March. TO 7 April

Vol — II

(57)

# Assam Legislative Assembly

ALA proceeding, 1979
21st March to 7th April
vol — II
Assembly Library

THIRD ... THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE SIXTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

DP766

## BUDGET SESSION

## VO. III

**NO. 19— ~~28~~ 23**

The 21st March, 1979 — 27 MAR.

*Geetali Art Press, G. S. Road, Dispur, Guwahati—781 022*

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY, 1979

( Budget Session )

Volume— III

No— 19

Dated the 21st March, 1979.

REFERENCE
Not for Issue
A. L. A. Library

## CONTENTS.


| | | Page No. |
|---|---|---|
| 1. | Questions ... ... ... ... ... | 5— 60 |
| 2. | Miscellaneous ... ... ... ... | 61— 62 |
| 3. | Voting on demands for Grants ... ... | 62—155 |
| 4. | Statement by Chief Minister ... ... ... | 155—160 |
| 5. | Miscellaneous ... ... ... ... | 160—164 |
| 6. | Calling Attention ... ... ... ... | 165—169 |
| 7. | Matter under rule 301 ... ... ... | 169—173 |
| 8. | Adjournment ... ... ... ... | —173 |

Proceedings of the third Session of the Assam Legistative Assembly Assembled after the Sixth General Election under Sovereign Democratic Republican Constitution of India.

—

The House met in the Assembly Chamber, Dispur, Gauhati on Wednesday, the 21th March, 1979 with the Hon. Speaker in the Chair, 10 ( ten ) Ministers, 4 ( four ) Ministers of State, 4 ( four ) Parliamentary Secretries and 70 ( seventy ) Members present.

—

## STARRED QUESTIONS AND ANSWERS

Date : 21th March, 1979

( To which oral answers were given )

———

বিষয় : Sub-divisional Planing Offiecer & Secretary, Standing Committee

শ্ৰীৰামেন্দ্ৰ দে জিজ্ঞাসা কৰিয়াছেন :

* ২৫০। মাননীয় পঞ্চায়েত বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করে জনাবেন কি—

(ক) Sub-Divisional Planning Office ও মহকুমা পরিষদের Secretary Standing Committee সমপর্য্যায়ের কর্ম্মচারী কি না ?

(খ) কি কি যোগ্যতার ভিত্তিতে Sub-Divisional Planning Officer এবং Secretary Standing Committee নিয়োগ করা হয় ?

(গ) এ কথা কি ঠিক যে, Sub-Divisional Planning Officer রা Secretary Standing Committee থেকে ভাতা হিসাবে মাসিক ১০০.০০ একশ টাকা বেশী পান এবং যদি পান তবে তার কারণ কি ?

(ঘ) এ কথা কি ঠিক যে অনেক Sub-divisional Planning Officer ও secretary standing committee হিসাবে কাজ করছেন তাদের কে এখনো confirm করা হয় নি ?

(ঙ) যদি তা ঠিক হয় তবে তাহার কারণ কি ?

শ্রীজহিৰুল ইছলাম, (পঞ্চায়ত আৰু সমূহীয়া উন্নয়ন বিভাগৰ মন্ত্ৰী) য়ে উত্তর দিছে ঃ [ শ্রীজহিরুল ইছলাম (পঞ্চায়ত এবং সমুহ উন্নয়ন বিভাগেরমন্ত্রী) উত্তর দিবেন। ]

২৫০। (ক)— হঁ্যা। হ্যা।

(খ)— Sub-Divisional Planning Officer আৰু Secretary,

Standing Committee সকলক খণ্ড উন্নয়ন বিষয়া পদৰ পৰা জ্যেষ্ঠতা আৰু উপযুক্ততাৰ ভিত্তিত ( Seniority-Cum-merit ) নিযুক্তি দিয়া হয়। Sub-Divisional Planning Officer এবং Secretary Standing Committee সকলকে খণ্ড উন্নয়ন অফিচারদের ( B.D,O ) মধ্য ইহতে জ্যেষ্ঠতা ও উপযুক্ততা অনুসারে নিযুক্ত করা হয়।)

(গ)— হয়। স্থায়ী সমিতিৰ সচিবৰ কাম আৰু দায়িত্বত কৈ মহকুমা পৰিকল্পনা বিষয়াৰ কাম আৰু দায়িত্ব অধিক গধুৰ হোৱাৰ কাৰণে তেওঁলোকক মাহিলী ১০০,০০ টকা (এশ টকা) কৈ বিশেষ ভাট্টা দিয়া হয়।

হ্যাঁ, Secretary Standing Committee র কাজ এবং দায়িত্ব হইতে Sub-Divisional Planning Officer এর কাজ এবং দায়িত্ব অধিক গুরুত্বপূর্ণ হওয়ার দরুণ তাহাদের মাসিক ১০০.০০ টাকা (এক শত টাকা) বিশেষ ভাতা দেওয়া হয়।

খণ্ড উন্নয়ন বিষয়াৰ পদ সমূহ ১৯৭২ আৰু ১৯৭৫ চনত মাথো স্থায়ীকৰণ কৰা হৈছে। ইতিমধ্যে ১৫ জনক স্থায়ীকৰণ কৰা হৈ গৈছে। বাকী কেইজনৰো চাকৰিৰ তথ্যপাতি সংগ্ৰহ কৰি থকা হৈছে। এই কামত কিছু সময় লোৱাটো স্বাভাৱিক। যিমান সোনকালে পাৰি এই সকলকো স্থায়ীকৰণ কৰা হব।

( খণ্ড উন্নয়ন অফিচার দের পদগুলি ১৯৭২ ও ১৯৭৫ সনে কেবলমাত্র স্থায়ীকরণ করা হইয়াছে। ইতিমধ্যে ১৫ জনকে স্থায়ীকরণ করা হইয়া গিয়াছে। বাকী কয়েকজনের চাকরীর তথ্যপাতি সংগ্রহ করা হইতেছে। যত শীঘ্র সম্ভব এই কর্ম্মচারীবৃন্দের স্থায়ীকরণ করা হইবে )।

শ্রীরামেন্দ্র দে :— মিঃ স্পীকার স্যার, (ক) প্রশ্নের উত্তরে মাননীয় মন্ত্রী মহোদয় বলেছেন ইয়েস অর্থাৎ তারা সমপর্য্যায়ের কর্মচারি। (খ) প্রশ্নের উত্তরে বলেছেন যে বি ডি ও থেকে সিনিওরিটি এবং মেরিট দেখে নাকি প্ল্যানিং অফিসারের পদে নিয়োগ করা হয়। সুতরাং এমন কোনও বিশেষ নজীর আছে কি যে বি ডি ও থেকে প্ল্যানিং অফিসারে নয় সোজা ষ্টেণ্ডিং কমিটির সেক্রেটারি হিসাবে নিয়োগ করা হয়েছে? আসাম রাজ্যে কোন ৫০নং বি ডিওকে সেক্রেটারি ষ্টেণ্ডিং কমিটি করা হয়েছে কি? আর (গ) প্রশ্নের উত্তরে বলেছেন যে ১০০ টাকা বেশী দেওয়া হয়। আমার প্রশ্ন হলো যে সমপর্য্যায়ের কর্মচারীদের মধ্যে একজন কেন ১০০ টাকা বেশী পাবে এবং একজন কেন কম পাবে? এই বৈষম্য কেন?

শ্রীজহিৰুল ইচলাম :— যদি কোনেবা ঠাইত জুনিয়ৰ পোষ্ট বি-ডি-অ'ৰ পৰা প্ৰমোচন দিয়া হৈছে সেই খবৰ সঠিককৈ মোক জনালে অনুসন্ধান কৰিম। দ্বিতীয় কথা চাব ডিভিজন প্লেনিং অফিচাৰ আৰু ষ্টেণ্ডিং কমিটিৰ চেক্ৰেটাৰী এই ব্যৱস্থাত কিবা অসুবিধা পালে তাৰ কাৰণে ব্যৱস্থা লোৱা হব।

শ্রীনূরুল হুদা :— স্যার, আমরা যতদূর জানি যে ১৯৭৪ ইংরাজীর পঞ্চায়ত নির্বাচনের আগে বি ডি ও-র পোষ্ট গেজেটেড ছিল এবং এ সি এস কেডার থেকে তাদেরে নিয়োগ করা হতো। আমি জানতে চাই যে ১৯৭৪ ইংরাজীর পর থেকে কি কি যোগ্যতার ভিত্তিতে এই বি ডি ওদেরে মনোনীত করা হয়েছে? কারণ, এমন অনেক বিডিও আছেন যাদের শিক্ষাগত যোগ্যতা মাত্র ক্লাস ফাইভ বা সিক্স পর্যন্ত আর কোনও যোগ্যতা নেই। সুতরাং এই ধরণের লোককে কেন বি ডি ও হিসাবে নিয়োগ করা হয়েছে এবং এর ভিত্তি কি মন্ত্রী মহোদয় আমা

দেৱে বলবেন কি ?

শ্রীজহিৰুল ইচলাম ( পঞ্চায়ত মন্ত্রী ) :— এইটো সম্ভৱ চিনিৰ- ৰিটি কাম মেৰিটৰ ওপৰত কৰা হৈছে।

শ্রীনগেন বৰুৱা :— চিনিৰৰিটি কাম মেৰিটত অষ্টমমান শ্রেণী- লৈকে পঢ়া এজন লোক ৰাজপত্রিকাত বিষয়াৰ নিচিনা পদবী পাব নে ?

মাননীয় অধ্যক্ষ :— উত্তৰ দিয়া হওক এইটোৰ।

শ্রীজহিৰুল ইচলাম (মন্ত্রী) :— এজনক প্রমোচন দিয়া হৈছে বুলি মই জানো।

শ্রীনুরুল হুদা :— মহোদয়, আমি মন্ত্রী মহোদয়ের নিকট থেকে জানতে চাই যে এই বি-ডিওদেরে নিয়োগ করার ভিত্তি কি ক্রাইটে- রিয়া কি ? একজন পাঠশালা পাশ করা লোক ৫-১০ বৎসর কাজ কর- লেই কি তাকে বিডিও হিসাবে নিয়োগ করা হবে ? না কোনও মিনি- মাম কোয়ালিফিকেশন থাকবে ?

শ্রীজহিৰুল ইছলাম ( পঞ্চায়ত মন্ত্রী ) :— বি-ডি-অ' বেলেগ কেডাৰৰ কৰা হৈছিল। বৰ্ত্তমান চৰকাৰে এইটো নকৰে। ইয়াৰ আগতে এই কেডাৰৰ কাৰণে অসম লোকসেৱা আয়োগ আছিল।

শ্রীনগেন বৰুৱা :— পঞ্চায়তত কাম কৰা নিম্ন পৰ্য্যায়ৰ কৰ্ম্ম- চাৰীক বি-ডি-অলৈ প্রমোচন দিয়া হল কিন্তু প্রমোচন পোৱা লোক সকলৰ যোগ্যতা মেৰিট কাম চিনিঅৰিটি হিচাবে দিয়া হৈছে নে আৰু এইটো ৰেগুলাৰাইজড কৰা হ'ল নেকি আৰু বিভাগীয় কৰ্ম্মচাৰী সক- লেও অসম লোকসেৱা আয়োগৰ পৰীক্ষা পাচ কৰি বি-ডি-অ কেডাৰত

নিয়োজিত হৈছে নেকি ?

শ্ৰীজহিৰুল ইচলাম ( পঞ্চায়ত মন্ত্ৰী ) :— পাৰ্মেনেন্ট কৰা হৈছে আৰু তাৰে পোন্ধৰজনক স্থায়ী কৰা হৈছে।

শ্ৰীনগেন বৰুৱা :— মেট্ৰিকুলেটৰ তলত বা এই পোন্ধৰজনৰ ভিতৰত শিক্ষাগত অৰ্হতা কিমান থকালৈকে আছে ?

শ্ৰীজহিৰুল ইচলাম (পঞ্চায়ত মন্ত্ৰী) :— এইটো চাব লাগিব। বিভাগীয় প্ৰমোচনৰ ক্ষেত্ৰত কোৱালিফিকেশ্যনতকৈ চিনিঅ'ৰিটি আৰু মেৰিটৰ ওপৰত বা অভিজ্ঞতাৰ ওপৰত ভৰ্ত্তি কৰা হয়।

শ্ৰীমুকুট শৰ্ম্মা :— চাব ডিভিজনেল প্লেনিং অভিচাৰ আৰু ষ্টেণ্ডিং কমিটিৰ চেক্ৰেটাৰী জন বিভাগীয় প্ৰমোচন নে ডাইৰেক্ট ৰিকুইটমেণ্ট ?

শ্ৰীজেহিৰুল ইচলাম (পঞ্চায়ত মন্ত্ৰী) :— প্ৰমোচন পোষ্ট। চিনি-অ'ৰ বি-ডি-অ'ৰ পৰা লোৱা হয়।

শ্ৰীৰামেন্দ্ৰ দে :— মহোদয়, গত পরশুদিন মন্ত্ৰী মহোদয় বলে-ছিলেন যে এমন কোনও যাদু আমরা মন্ত্ৰীকে যাদুকর বা তান্ত্ৰিক বলছিনা তবে কি যাদুর ফলে কোন খুটীর জোরে বে-আইনিভাবে নিয়োগ ও প্ৰমোশন পেয়েছে ? কোন তান্ত্ৰিকতার ফলে আসাম রাজ্যে কিছু সংখ্যক কৰ্ম্মচারী সব সুযোগ পাচ্ছে বাকিরা বঞ্চিত ?

আমি অবশ্যে কোনও জাদুর কথা বলছিনা। তিনি বলেছেন যে ১৯৭২ ইং থেকে ১৯৭৪ ইং পৰ্যন্ত মাত্ৰ ১৫ জনকে কনফাৰ্ম করা হয়েছে। কিন্তু কনফাৰ্মড নয় এমন একজন জুনিয়রকে কোন জাদুবলে ষ্টেণ্ডিং কমিটির সেক্ৰেটারী পদে নিয়োগ করা হয়েছে ? আর যাদেরে এখনো কন্‌ফাৰ্ম করা হয়নি কেন আজ এতদিন ধরে তাদেরে কন্‌ফাৰ্ম

করা সম্ভব হয়নি? এই কথাগুলি মন্ত্রী মহোদয় জানাবেন কি?

শ্রীজেহিৰুল ইচলাম (মন্ত্ৰী):— এইটো হাতত লোৱা হৈছে। মহকুমা পৰিষদৰ পৰা চি-আৰ আদি আহি পালেই সেইবিলাকক স্থায়ী কৰা হব।

শ্রীরামেন্দ্র দে:— স্যার, একজন কর্মচারীর ৫৫ বৎসর বয়সে রিটায়ার করার আর মাত্র এক বৎসর বাকী আছে। একজন ষ্টেণ্ডিং কমিটির সেক্রেটারী। কিন্তু আজ পর্যন্ত তাকে কনফার্ম করা হয়নি। আর এই রকম অনেক প্লেনিং অফিসার রয়েছেন যাদেরে কনফার্ম করা হয়নি অথচ আদের রিটায়ার করার আর বেশীদিন বাকী নাই। এমতাবস্থায় তাদেরে তাড়াতাড়ি কনফার্ম যদি না করা হয় তাহলে তাদের অবস্থা কি হবে? আর প্লেনিং অফিসার আর সেক্রেটারী Standing Committee র মধ্যে যে বৈষম্য আছে তা দূর করা হবে কি না? যদি করা হয় কখন করা হবে?

শ্রীজহিৰুল ইচলাম (মন্ত্ৰী):— মই আশ্বাস দিব পাৰো ২-৩ মাহৰ ভিতৰতে এইটো কৰা হব।

শ্রীজীৱন বৰা:— মাননীয় অধ্যক্ষ মহোদয় এই যে মেৰিট আৰু চিনিউৰিটিৰ ওপৰত ভিত্তি কৰি অফিচাৰ সকলক প্ৰমোচন দিয়া হয় সেইটো প্ৰকৃত মেৰিটৰ ওপৰত দিয়া নে কোনোবাই দিয়া মেৰিটৰ চিঠিৰ ওপৰত দিয়া হয়?

শ্রীজহিৰুল ইচলাম (মন্ত্ৰী):— আগতে যিটো হৈছিল সেইটো আৰু এতিয়া নহব।

শ্রীহৰেন্দ্র দেব গোস্বামী:— আমাৰ চাব ডিভিজনেল প্লেনিং

অফিচাৰ যে আছে চাৰ ডিভিজন প্লেনত কিবা প্লেন আছে নেকি ?

শ্ৰীজহিৰুল ইচলাম (মন্ত্ৰী) :— এইটো বেলেগে প্ৰশ্ন কৰিলে ভাল হব।

বিষয় ঃ অসমৰ দেশী-বিদেশী চাহ বাগিছাৰ পৰা পোৱা কৃষি আয়কৰ

শ্ৰীবুদ্ধ বৰুৱাই সুধিছে ঃ

* ২৫১। মাননীয় বিত্ত বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

আমাৰ দেশী-বিদেশী চাহ বাগিছা বিলাকৰ পৰা চৰকাৰে বছৰি কিমান টকা কৃষি আয়কৰ পায় ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( বিত্ত বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

২৫১। ৩২,৪১,৫৮,৫০৩ টকা (১৯৭৭-৭৮)।

শ্ৰীবুদ্ধ বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, এই বাগান বিলাকে কিমান লাভ কৰে আৰু এই বাগান বিলাক চৰকাৰীকৰণ কৰাৰ কাৰণে কি ব্যৱস্থা হাতত লৈছে ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী) : — এই বাগান বিলাকৰ পৰা কিমান লাভ হয় সম্পূৰ্ণ হিচাবটো মোৰ হাতত নাই। চৰকাৰীকৰণ কৰাৰ কাৰণে আমাৰ এই সদনতে এটা প্ৰস্তাৱ আছে যদিও এতিয়ালৈ এই বিষয়ে চৰকাৰে কোনো সিধান্ত গ্ৰহণ কৰা নাই।

শ্ৰীনৰেন দত্ত :— আজি বিদেশলৈ চাহ ৰপ্তানী হয়, অসমৰ

পৰা ইয়াৰ অংশ প্ৰায় তিনিভাগৰ দুভাগেই যায়। ১৯৭৭-৭৮ চনত ২২ কোটি কিলোগ্ৰাম বিক্ৰি হয়। ৫৫০ কোটি টকা বিদেশী মুদ্ৰা অৰ্জন কৰিছে। কিন্তু ১৯৭৬-৭৭ চনত ২৪ কোটি ২০ লাখ কিলোগ্ৰাম বিক্ৰি হয় আৰু বৈদেশিক মুদ্ৰা অৰ্জন কৰিছিল ১৯৫ কোটি টকা। এতিয়া দেখা যায় ২ কোটি ২০ লাখ বেছিকৈ বিক্ৰি হোৱা পিচতো ২০৫ কোটি বৈদেশিক মুদ্ৰা কমি গল, ইয়াৰ কাৰণ কি? চৰকাৰে কিবা অনুসন্ধান কৰিছেনে? দেশী-বিদেশী একচেতীয়া পুঁজিপতি সকলে চাহ বিক্ৰি পৰিমাণ কমকৈ দেখুৱাই ইয়াৰ কোটি কোটি টকা লুট কৰি আছে। ফলত সামগ্ৰীক ভাবে দেশৰ, অসমৰ অৰ্থনৈতিক উন্নয়ণৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিছে সেই কথা লক্ষ্য কৰিছেনে?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী):— এই সম্পৰ্কে বাজেট বক্তৃতাত দিয়া হৈছে, ১৯৭৫-৭৬ চনত ১২ কোটি ৯৪ লাখ ১২ হেজাৰ ৩৭০ টকা আৰু ১৯৭৬-৭৭ চনত ১৭ কোটি ৪৩ লাখ ৭১ হেজাৰ ৫৫০ টকা আৰু ১৯৭৭-৭৮ চনত ৩২ কোটি ৪১ লাখ ৫৮ হেজাৰ ৫০৩ টকা। ইয়াৰ পৰাই বুজিব পাৰিব চাহৰ ওপৰত আমাৰ কিমান খিনি লাভ লোকচান হয়। আৰু লগতে এগ্ৰিকালচাৰ ইনকম টেক্সৰ ওপৰত এইটো নিৰ্ভয় কৰে।

Shri Noorul Huda :— Sir, may I know from the Hon'ble Minister of Finance as to how many foreign owned tea gardens have contributed this sum, I do not know what is the sum, how many foreign tea companies have contributed to agricultural income and what is the extent of income from the foreign owned companies?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী):— আমাৰ বাহিৰা কোম্পানীৰ কিমান বিলাক চাহ বাগান আছে, সেইটো মই কৈ দিছো। ষ্টাৰলিং কোম্পানীৰ আছে ৫৯ টা আৰু টি ষ্টেট আছে ২০৪ খন, পাব্লিক লিমিটেড কোম্পানীজৰ আছে ১১২ আৰু টি টেষ্ট আছে ২১৫, প্ৰাইভেট লিমিটেডৰ কোম্পানীজৰ আছে ১১৪ আৰু টি ষ্টেটত আছে ১৫৩, সেইদৰে পাৰটনাৰচিপত ২৩০ আৰু ২৮৯। এইবিলাক এতিয়া কমি আহিছে।

শ্ৰীৰমেশ চহৰীয়া:— মাননীয় বিত্তমন্ত্ৰী মহোদয়ে যে বাজেট বক্তৃতাত উল্লেখ কৰিছে যে শোক্ক লগোৱাৰ কাৰণে যি ২৮ কোটি টকা ক্ষতি হৈছে এই ২৮ কোটি টকা এই ৩২ কোটি ৪১ লাখ টকাৰ ভিতৰত সোমাই আছে নেকি? ইয়াৰ পৰা কিবা লোকচান হলনে, লাভ হল ?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী):— ২৮ কোটি টকা নেট ৰিচিপ্ত ইয়াত ধৰা নাই।

শ্ৰীযোগেন গগৈ:— অসমত থকা চাহ বাগান বিলাক বিদেশী কোম্পানীৰ হাতত আছে, আৰু আমাৰ দেশৰ একচেতীয়া পূজিপতি সকলৰ হাতত আছে। আজি অসমৰ চাহ বাগান বিলাকৰ জৰিয়তে বছৰি ৪৪৩ কোটি টকা লাভ কৰে। আৰু যথাযথ বিদেশী মূদ্ৰা অৰ্জন কৰে। অসমৰ শতকৰা ৬০ ভাগ চাহৰ ৰপ্তানীৰ পৰা। অসমত বছৰি ২৭৬ নিযুট কেজী চাহপাত উৎপাদন হয়। কিন্তু এই চাহৰ ব্যৱসায় মুষ্টিমেয় একশ্ৰেণী পূজিপতিৰ হাতত আছে। উদাহৰণ স্বৰূপে ১৯৭২ চনত টাটাৰ কেপিটেল আছিল ৬৮৯'৯১ লাখ টকা। আৰু বিৰলাৰ আছিল ৫৫৫'৪০ কোটি আজি এই কেপিটেল গৈ ১৯৭৫ চনত যথাক্ৰমে ১০৬০'০৪ আৰু ৯৫৬'১১ টকা এই দুই পূজিপতিৰ বৃদ্ধি হয়। ইয়াৰ পৰাই প্ৰমান হয় যে আজি আমাৰ দেশৰ এক-

চেতীয়া পুঞ্জিপতিৰ মুষ্টিমেয় ধনী শ্ৰেণীৰ আয় বৃদ্ধি হৈ আছে আনহাতেদি আমাৰ বৃহত চাহ বাগানত নিয়োজিত বন্ধুৱা সকলৰ আৰু আমাৰ দেশৰ শতকৰা ৭৫ ভাগ গৰিব লোকৰ অৱস্থা দিনক দিনে শোচনীয় হৈ গৈছে। এই অৱস্থাৰ পৰিপ্ৰেক্ষিতলৈ চাই চৰকাৰে আমাৰ দেশৰ এক-চেতীয়া পুঞ্জিপতিৰ হাতৰ পৰা এই চাহ ব্যৱসায়টো লৈ আনি আমাৰ গৰীব জনসাধাৰণৰ হিতৰ অৰ্থে এই চাহ শিল্পটোক জাতীয়কৰণ কৰাৰ কাৰণে চৰকাৰে অনতিপলমে ব্যৱস্থা লোৱাৰ কাৰণে চিন্তা কৰিবনে?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী): আমাৰ দেশৰ বহু টকা বাহিৰলৈ গৈ আছে সেই কথা স্বীকাৰ কৰিছো। কি ব্যৱস্থা লোৱা হব এই কথা সদনত ব্যক্ত কৰিছো। চৰকাৰৰ এটা নীতি লোৱাৰ কথা এই সংক্ৰান্তত চলি আছে, এতিয়া সেইটো সম্পূৰ্ণ হৈ নুঠাৰ কাৰণে কব পৰা অৱস্থা এতিয়াও হোৱা নাই।

শ্ৰীএম ইব্ৰাহিম আলী:— কৃষি আয় কৰ ধাৰাবোৰ আমাৰ দেশৰ চাহ বাগানবিলাকৰ ক্ষেত্ৰত যিদৰে প্ৰয়োগ কৰা হয় সেইদৰে বিদেশী কোম্পানী দ্বাৰা পৰিচালিত বাগান বিলাকতো কৰা হয়নে নহয়? উপৰইঞ্চি ক'ৰ ধাৰ্য্য কৰাৰ কাৰণে চিন্তা নকৰেনে?

শ্ৰীকেশৱ গগৈ (মন্ত্ৰী):— বিদেশী কোম্পানীৰ কাৰণে বেলেগে ধাৰ্য্য কৰা হোৱা নাই। আইন অনুপাতেই কৰা হৈছে। উদ্যোগ মন্ত্ৰীয়ে জনাইছে যে তেখেতে এটা কমিটি কৰি দিছে এই বিষয়ে এতিয়াও অনুসন্ধান কৰি আছে।

শ্ৰীনিশীথ রঞ্জন দাস— মাননীয় অধ্যক্ষ মহোদয়, আমাদের চাহ-বাগান থেকে গত বৎসর সর্বমোট কতটাকার আয়কর সংগৃহীত হয়েছে এবং রাজ্য সরকার এর থেকে কতটাকা পেয়েছে ও কেন্দ্রীয় সরকার

কত পেয়েছে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( বিত্তমন্ত্ৰী ) :— কেন্দ্ৰীয় চৰকাৰে পইচা নিদিলে আমাৰ ৰাজ্য চৰকাৰে ১ পইচাও দিব নোৱাৰে।

শ্ৰীএ,এন, আক্ৰাম হুছেইন :— মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি ৰাজ্য সভাত কেন্দ্ৰীয় বানিজ্যিক মন্ত্ৰী শ্ৰীমোহন ধাৰীয়াই কৈছে যে অসমত চাহৰ ওপৰত আপকাৰী কৰ লোৱাৰ ক্ষেত্ৰত বৈষম্য মূলক ভাব লোৱা হৈছে আৰু অসমতেই আটাইতকৈ বেছি আপকাৰী কৰ লোৱা হৈছে বুলি তেখেতে কৈছে। এইটো অসম চৰকাৰৰ অবহেলাৰ কাৰণেই এনে বৈষম্য হৈছে বুলি মন্ত্ৰী মহোদয়ে ভাবেনে আৰু এই বিষয়ে কিবা ব্যৱস্থা লব নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :– অধ্যক্ষ মহোদয়, এইটো মেটাৰ অব অপিনিয়নৰ ভিতৰত পৰিছে। কথাটো আমাৰ দৃষ্টিগোচৰ হৈছে যেতিয়া ইয়াৰ ব্যৱস্থা হাতত লোৱা হ'ব।

শ্ৰীনগেন বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, আজি কালি চাহৰ ক্ষেত্ৰত ভাওচাৰ চিষ্টেম কৰিছে। কিছুমান লোকে চাহ কম দামত বিক্ৰী কৰি বেচি দামত বিক্ৰী কৰাৰ ভাওচাৰ লয় আৰু তাৰ কাৰণে অতিৰিক্ত দামৰ যিখিনি কৰ, সেইখিনি তেওঁলোকে ভগাই লোৱাৰ ব্যৱস্থা কৰে। এই কথাটো চৰকাৰৰ জ্ঞাত অৱস্থাত আছে নে ? আৰু যদি আছে চৰকাৰে এই বিষয়ে জানি বুজি লৈ কিবা ব্যৱস্থা কৰিব নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, সেই বিষয়ে মই মাননীয় সদস্য গৰাকীক জনাব খোজো যে আমাৰ এগ্ৰিকালচাৰেল ইনকাম টেক্স চেণ্ট্ৰেলৰ ইনকাম টেক্সৰ পৰা নিৰ্দ্ধাৰণ কৰে। এই বিষয়ে মই নিশ্চয় খবৰ কৰি জনাম।

শ্ৰীপ্ৰেমধৰ বৰা :— মাননীয় অধ্যক্ষ মহোদয়, অসমৰ চাহৰ পৰা যিটো উৎপাদন আৰু তাৰ ওপৰত কৰা কৰ নিৰ্দ্ধাৰণৰ যিটো ব্যৱস্থা আছে তাৰ মাজত ব্যৱধান থাকি যায়, এই কথাটো চৰকাৰে অনুভব কৰে নে ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, ইয়াৰ মাজত কোনো ব্যবধান আছে বুলি অনুভব কৰা নাই।

Shri Santi Ranjan Das Gupta :— Whether the agricultural income tax is assessed both inside and outside the State ? If it is assessed outside the State also, what is the amount assessed inside the State and what is the amount assessed outside the State ?

Shri Keshab Chandra Gogoi (Minister) :— There is no question of assessing it outside the State of Assam. It is assessed only inside the State.

বিষয় : চেৰিকালচাৰেল স্কীমৰ Chowki Rearing-cum-nursery

শ্ৰীযোগেন গগৈয়ে সুধিছে :

* ২৫২। মাননীয় ৰেচম আৰু বয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) উত্তৰ-পূব পৰিষদৰ বাবে চেৰিকালচাৰেল স্কীমত Chowki Rearing-cum-nursery ৰ বাবে কিমান টকা এই বছৰত মঞ্জুৰ

কৰা হৈছে ?

(খ) এই অৰ্থৰে অসমত কিমান অনুষ্ঠান পতাৰ আঁচনি লোৱা হৈছে ?

(গ) এই আঁচনিৰ ভিতৰত শিৱসাগৰ মহকুমাৰ ভিতৰত তেনে কোনো অনুষ্ঠান খোলাৰ আঁচনি গ্ৰহণ কৰা হৈছে নেকি ?

(ঘ) যদি লৈছে, ক'ত তেনে আঁচনি লোৱা হৈছে আৰু কিমান দিনৰ ভিতৰত সম্পূৰ্ণ হৈ উঠিব ?

শ্ৰীগান্ধী ৰাম টিমুং (ৰেচম আৰু বয়ন বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

২৫২। (ক)— ৫৪,০০০:০০ টকা।

(খ)— এটা।

(গ)— নাই।

(ঘ)— এই প্ৰশ্ন নুঠে।

শ্ৰীযোগেন গগৈ ঃ— মাননীয় অধ্যক্ষ মহোদয়, উজনি অসমৰ বহু ঠাইত, বিশেষকৈ শিৱসাগৰ মহকুমাত এৰি, মুগা আৰু পাট আদি কৰি এই কেইটা শিল্পক কুটিৰ শিল্প বুলি ভাবিয়েই ৰাইজে অতি আদৰেৰে পালন কৰাৰ ব্যৱস্থা কৰে আৰু প্ৰায়বোৰ ঘৰতেই এই কেইটা ব্যৱসায় আদৰ্শগত কাম হিচাবে কৰা দেখা যায়। কিন্তু আজি পৰ্য্যন্ত এই শিল্পটো পুৰনি পদ্ধতিতেই চলি আছে। গতিকে নতুন কৰাৰ কিবা চিন্তা চৰকাৰে কৰিছে নে ?

শ্ৰীগান্ধীৰাম টিমুং ( মন্ত্ৰী ) ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই

বিষয়ে পুজি অনুসৰিহে চিন্তা কৰিব পাৰিম ।

শ্ৰীযোগেন গগৈ ঃ— মাননীয় অধ্যক্ষ মহোদয়, এই শিল্পৰ ক্ষেত্ৰত গতানুগতিক ভাবেই পুৰনি নীতিকে চলাই থকা হৈছে। আজি সাতাম পুৰুষৰ পৰাই চিন্তা কৰিয়েই অহা হৈছে আৰু এতিয়াও চিন্তাহে কৰা হৈছে কাৰ্য্যকৰী ব্যৱস্থা লোৱাৰ কোনো ব্যৱস্থা হোৱা নাই। ইয়াৰ বিকাশৰ কাৰণে ব্যৱস্থা কৰা নাই। এই শিল্পৰ ডেমন্সট্ৰেটৰ বিলাকক এক্তিভ মিজাৰ লবৰ কাৰণে কোনো সুবিধা দিয়া হোৱা নাই ।

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰে এই ডেমন্সট্ৰেটৰ বিলাকক নিৰ্দ্দেশ দিছে ।

শ্ৰীৰনেন্দ্ৰ নাৰায়ণ বসুমতাৰী ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো ৫৪ হেজাৰ টকাৰ হিচাব দেখুৱাইছে, সেইটো কেৱল এটা অনুষ্ঠানৰ কাৰণেহে মঞ্জুৰী দিছে। কিন্তু আমাৰ ৰাজ্যত অন্যান্য অঞ্চলত আৰু বহুতো সৰু-সুৰা চেৰীকালচাৰেল ইন্দ্ৰাষ্ট্ৰী গঢ়ি উঠিছে, সেই ইন্দ্ৰাষ্ট্ৰী বোৰৰ কাৰণে কোনো সাহায্য দিয়াৰ ব্যৱস্থা কিয় কৰা হোৱা নাই, মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই শিল্পৰ কাৰণে নৰ্থ ইষ্টাৰ্ণ কাউন্সিলৰ পৰাহে পুজি আগ বঢ়োৱা হয়। সেয়েহে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ কাৰণে আঁচনি লব নোৱাৰি। বছৰি দুখন বা তিনিখন অনুষ্ঠানৰ কাৰণে পুজি অনুসৰি ব্যৱস্থা হাতত লোৱা হয়। এই বছৰ অসমত ২টা আঁচনি লোৱা হৈছে, তাৰে এটা বকোত আৰু আনটো ভোলাগুৰি চাব ডিভিজনৰ কাৰণে আঁচনি কৰা হৈছে ।

শ্ৰীজীৱন বৰা ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহো-

দয়ে অনুগ্ৰহ কৰি জনাবনে যে চেৰীকালচাৰ বিভাগত কাম কৰি আমাৰ অসমীয়া মানুহে গাওঁত তাঁত আদি বৈ কাটি জীৱিকাৰ ক্ষেত্ৰত উপকৃত হ'ব পাৰিছে। যদিও এইটো এটা সাধাৰণ শিল্প, তথাপি আগৰে পৰাই আমাৰ অসমীয়া মানুহে কাপোৰ-কানি বৈয়ে একোটা পৰিয়াল ভৰণ-পোষণ কৰি আহিছে, তেনে ক্ষেত্ৰত আমাৰ চৰকাৰে নৰ্থ ইষ্ট কাউন্সিলৰ পৰা বেছি টকাৰ অনুদান এই শিল্পৰ কাৰণে আনিবলৈ চেষ্টা কৰিবনে ?

শ্ৰীগান্ধীৰাম টিমুং (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই বিষয়ে নিশ্চয় চেষ্টা কৰা হ'ব।

Re : Allegation against the Mutawalli of Haji Abdur Rahman Barlaskar Estate of Mulugram

Shri Noorul Huda asked :

*253. Will the Minister, Wakf Properties be pleased to state—

(a) Whether the Governament and the Assam Wakf Board had received allegations of misappropriation from the Wakf fund, against the Mutawalli of Haji Abdur Rahman Barlaskar Wakf Estate of Mulugram, Silchar Town, Cachar District ?

(b) Whether there are arrears of land revenue, Provident fund and other taxes which the above

Mutawalli did not pay in respect of Rahmannagar T. E. Cachar, which is a part of the Wakf estate ?

(c) Whether the State Government and the Wakf Board received representations from the beneficiaries regarding take over of the Wakf Property in the interest of efficient management ?

(d) The reaction of the Government towards such proposal ?

Shri A F. Golam Osmani ( Minister, Wakf Properties ) replied :

253. (a)— Yes, the allegations against the Mutawalli of Haji Abdur Rahman Barlaskar Wakf Estate were enquired into first by the Secretary of the State Wakf Board and later by a Sub-Committee of the Board. The enquires revealed gross mismanagement of the Wakf properties by the Mutawalli who leased out Wakf lands without applying for and obtaining prior permission of the Board as required under the law and also falsification of accounts. Proceedingse was drawn up against the Mutawalli and after consideration of the charges and the Mutawalli's reply, the Board has since decided to remove the present Muta-

walli under a second show-cause has been served on him.

(b)— Yes. There are arrears of land Revenue in respect of Rahmannagar Tea Estate. But the Mutawalli is not responsible in respect of Provident Fund and other taxes: The exact amount of arrear is not available at present which is being collected.

(c)— So far State Government in the Legislative Department is concerned no such representation is received from the beneficiaries suggesting taking over of the management of Rahmannagar Tea Garden. The Wakf Board has however, received representations from some of the benificiaries who supported the Mutawalli while some other beneficiaries suggested that the Board should take over management of Rahman nagar Tea Estate.

(d)— No steps have yet been taken by the Legislative Department. However the Board had throughly enquired into the matter through a Sub-Committee which suggested that the garden should be taken over by the Board after obtaining expart legal opinion in the matter. The Board has already can-

celled the lease of the Rahman nagar T. E. to one of the beneficiaries as it was found that the transaction to be fraudulent. The Board in its last sitting discussed this question and decided-in-principle to take over management of the Tea garden after obtaining expert legal opinion.

Shri Noorul Huda :— May we know when the second show cause notice was served, that is the date on which the notice was served on Mutawalli of Haji Abdur Rahman Barlaskar Wakf Estate ?

Shri A. F. Gulam Osmani ( Minister ) :— That information is not available with me at present. I shall have to collect it.

Shri Noorul Huda :— Sir, the Minister has admitted that there was gross mismanagement by Mutawalli of Wakf Estate. Under the circumstances will it be sufficient to serve a show cause notice on him or the Govt. propose to proceed legally against the Mutawalli of the wakf property for misappropriation of the funds and other irregularities ?

Shri A. F. Gulam Osmani ( Minister ) :— The Wakf Board has already started proceedings against

him and they will take appropriate action against the Mutawalli. The follow up action as is necessary the Wakf Board is expected to do it.

Shri Abdul Muktadir Choudhury :— What is the total number of Wakf Estates in Assam and against how many Mutawallis such allegations are there ?

Shri A. F. Gulam Osmani (Minister) :— This is a seperate question and therefore a notice will be necessary.

Shri Altaf Hussain Majumdar :— The Chairman of the Wakf Board is the Minister himself and the Board administer and look into the disputes of the Wakf Board relating to Wakf property. It is reported that the honourable Minister as a Lawyer filed Vakalatnama in the court. It will be good for him if he withdraws his hands from these affairs and refer the matter to the Chief Minister for decisions on these cases on merit...............

Shri A. F. Golam Osmani ( Minister ) :— Sir, I expected that the Hon'ble Member Mr. Mazumdar, being an experienced parliamentarian, who happened to be the Member of the House before knows that the

Minister of the Deptt. by virtue of his office as Minister, Wakf is not the Chairman of the Board. The Chairman of the Board is selected from among the members of the Board.

Shri Shamsul Huda :— Sir, how much time will be required to take over the management of the Tea Garden after obtaining expert legal opinion ?

Shri A. F. Golam Osmani ( Minister ) :— Sir, considering the seriousness of the matter, it is the Board which will have to decide how much time they will require to take over the management.

Shri Premodhar Bora :— Sir, may I know what is the amount involved for alleged misappropriation ?

Shri A. F. Golam Osmani (Minister) :— Sir, that figure is not available with me at present. If the Hon'ble Member is interested, I will submit it later on.

শ্ৰীমোজামিল আলি চৌধুৰী :— অসমত যিবিলাক ওৱাফ্ সম্পত্তি আছে সেইবিলাক পৰিচালনা ব্যক্তিগত ভাৱেই হৈ আছে। বহুত ঠাইত সেই বিলাকৰ ওপৰত আত্মসাতৰো অভিযোগ আছে। গতিকে এই সম্পত্তি বিলাক বোৰ্ডে লোৱাৰ ব্যৱস্থা কৰিবনে ?

Shri A. F. Golam Osmani ( Minister ) :— Sir, to be very frank, the functioning of the Board is not very satisfactory. The audit report of the Wakf Board was not made available for the last few years. Therefore, sir, the new Govt. has decided to get the audit of the Board completed as early as possible. So far as the management of the other Wakf propertus are concerned, if it is found that they are not managed satisfactorily the management of there may be taken over.

Shri Shanti Ranjan Das Gupta :— Sir, may I know from the Hon'ble Minister what is the annual income of Rahmannagar Tea Estate ?

Shri A. F. Golam Osmani (Minister) :— Sir, that is not available with me now.

বিষয় ঃ গুৱাহাটীৰ পুলিচ সহ আন্তঃৰাজ্যিক প্ৰবঞ্চকৰ দল গ্ৰেপ্তাৰ

শ্ৰী এ, এম, আক্ৰাম হুছেইনে সুধিছে ঃ

* ২৫৪। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৯-২-৭৯ তাৰিখৰ "দৈনিক অসম" কাকতত প্ৰকাশিত "গুৱাহাটীৰ পুলিচসহ আন্তঃৰাজ্যিক প্ৰবঞ্চকৰ দল হাতে-নাটে গ্ৰেপ্তাৰ" শীৰ্ষক বাতৰিটো মাননীয় মুখ্যমন্ত্ৰীয়ে পঢ়িছেনে ?

(খ) এইটো সত্য নে, উক্ত প্ৰবঞ্চকৰ দলটোৱে অসমৰ বিভিন্ন চহৰত অসম পুলিচ কৰ্ম্মচাৰী সকলৰ সহযোগত ইতিপূৰ্বে কেইবাটাও প্ৰবঞ্চনা জড়িত ঘটনা কৰিছে ?

(গ) যদি সত্য হয়, তেনেহলে কোন কোন ঠাইত প্ৰবঞ্চকৰ দলটোৱে এনে সমাজ বিৰোধী কাৰ্য্য কৰিছে ?

(ঘ) গুৱাহাটীৰ উক্ত ঘটনাৰ পূৰ্ণ বিৱৰণ চৰকাৰে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) যে উত্তৰ দিছে ঃ

২৫৪। (ক)— হয়।

(খ)— এই বিষয়ে অনুসন্ধান চলাই থকা হৈছে।

(গ)— প্ৰবঞ্চক দলৰ দলপতিয়ে পুলিচৰ আগত কোৱামতে সিহঁতে এতিয়ালৈকে আৰু তিনিটা এনে ধৰণৰ অপৰাধ কৰিছে। তাৰে এটা নগাওঁত আৰু দুটা গুৱাহাটীত। উক্ত জবান বন্দীৰ সত্যতা নিৰূপণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কাৰণ আক্ৰান্ত কোনো ব্যক্তিয়ে এতিয়ালৈকে থানাত কোনো গোচৰ দিয়া নাই।

(ঘ)— গুৱাহাটীৰ ঘটনাৰ পূৰ্ণ বিৱৰণ সদনৰ মেজত ৰখা হৈছে।

শ্ৰীএ এন আক্ৰাম হুচেইন :— এই প্ৰৱঞ্চকৰ দলটো কিমান দিনৰ পৰা অসমত এই প্ৰৱঞ্চনা কাৰ্য্যত লিপ্ত আছিল ? গ্ৰেপ্তাৰ কৰা পুলিচ বিষয়াকেইজনৰ নাম কি ? তেওঁলোক কোন থানাত আছিল আৰু কত অপৰাধ কৰিলে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সদনৰ মজিয়াত দিয়া আছে।

শ্ৰীচামচুল হুদা :— এই কথা সচানেকি এই দলটোৰ লগত পুলিচৰ মানুহো জৰিত আছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— হয়, জৰিত আছে ।

শ্ৰীৰনেন বসুমতাৰী :— মন্ত্ৰী মহোদয়ে জনাবনে এই প্ৰৱঞ্চকৰ দলটোৱে গুৱাহাটীত অপাৰেচন কৰিছে আৰু সেই একেটা দলে নগাওঁতো কৰিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :- কৰিছে বুলি কোৱা হৈছে ।

শ্ৰীছামচুল হুদা :— যি সকল পুলিচ বিষয়া জৰিত তেওঁলোকক গ্ৰেপ্তাৰ কৰা হৈছে নে নাই আৰু বৰ্খাস্ত কৰিছে নে নাই ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— ব্যৱস্থা গ্ৰহণ কৰা হৈছে ।

শ্ৰীএ এন আক্ৰাম হুচেইন :— মুখ্যমন্ত্ৰীয়ে কৈছে যে যি সকল পুলিচ বিষয়া লিপ্ত আছিল তেওঁলোকক গ্ৰেপ্তাৰৰ ব্যৱস্থাৰ কথা কৈছে । আমি জনাত অসমৰ পুলিচ বিষয়া সকল বিভিন্ন ঠাইৰ আনকি দিশপুৰ থানাৰ পৰা গৈয়ো এই প্ৰৱঞ্চকৰ কাৰ্য্যত লিপ্ত হৈছিল । এই বিষয়া সকলৰ বিৰুদ্ধে ব্যৱস্থা কৰিছেনে নাই ? আমি জানিব পাৰিছোঁ পুলিচৰ উপৰিও এই দলত মহিলা দস্যুও আছে । মুখ্যমন্ত্ৰীয়ে জনাবনে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ): — ইয়াত দুয়োটা গোটেই আছে । পুলিচ সচেষ্ট নহলে ধৰা পৰাও কঠিন আছিল এইটোও ঠিক । আৰু সংশ্লিষ্ট থকা পুলিচো ধৰা পৰিছে । আৰু সেই কেইজনক ইতিমধ্যে বৰ্খাস্ত কৰা হৈছে । ধৰা পৰা লোক সকলৰ জবানবন্দীৰ ওপৰত বাকী সকলৰ তদন্ত চলি আছে আৰু আৱশ্যকীয় ব্যৱস্থা লোৱা হব ।

শ্ৰীএ এন আক্ৰাম হুচেইন :— মহিলা দস্যুও আছে বুলি শুনিছোঁ। কাক গ্ৰেপ্তাৰ কৰা হৈছে সেই নাম খিনি আমাক লাগে আৰু তাত মটৰ গাড়ী, মটৰ চাইকেলো জব্দ কৰা হৈছে তাৰ নম্বৰ কি? আৰু মালিকৰ নাম কি?

( সদনত হাহিৰ ৰোল উঠে )

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— ৩ খন এম্বাছাদৰ আৰু এখন মটৰ চাইকেল জব্দ কৰি থোৱা হৈছে।

শ্ৰীএ এন আক্ৰাম হুচেইন :— সেই গাড়ীৰ নম্বৰ কি কি আৰু মালিকৰ নাম কি?

শ্ৰীগোলাল বৰবৰা (মুখ্যমন্ত্ৰী) :— পিচত জনাম।

শ্ৰীএ এন আক্ৰাম হুচেইন :— চাৰ, মোৰ উত্তৰ কেইটা পোৱা নাই। মই জানিব বিচাৰিছোঁ গ্ৰেপ্তাৰ কৰা মানুহবিলাকৰ নাম কি? গাড়ীৰ নম্বৰ কিমান মালিকৰ নাম কি? আৰু মহিলা দস্যু যদি আছে তেওঁলোকৰ নাম কি?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— সদনৰ মজিয়াত দিয়া আছে।

শ্ৰীযোগেন গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, এই ঘটনাৰ পৰাই অসমৰ বিভিন্ন ঠাইৰ জনমানসত সন্ত্ৰাসৰ ভাব হৈছে। এই বিষয়ত জৰিত পুলিচে যিসকল এজেণ্টক ধৰিছে সেইসকলৰ ওপৰত কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এই বিষয়ে অনুসন্ধান কৰি থকা হৈছে। তেওঁলোকে তিনি ঠাইত তেনেকুৱা ঘটনা কৰিছিল। এই

বিলাকৰ অনুসন্ধান চলি আছে। অনুসন্ধানৰ পিচত যেনে ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে তেনেধৰণৰ ব্যৱস্থাই গ্ৰহণ কৰা হব।

## Re : Driving out of Indian Nationals

Shri Biresh Mishra asked :

* 255. Will the Chief Minister be pleased to state –

(a) Whether Government is aware that in name of driving out foreing nationals from Assam, Indian citizens are being forcibly driven out beyond the borders of our State ?

(b) The number of such complaints so far received by the Government in course of the last 6 ( six ) months ?

(c) Whether Government is aware that inhuman Police Zulums are carried out on the innocent and poor Indian citizens through out the State ?

(d) Whether the Government have received complaints regarding extraction of money by the police from the poor villagers under the threat of expulsion beyond the borders ?

(e) If so, what measures the Government propose to

take to save people from such harassment by the Police ?

Shri Golap Borbora (Chief Minister) replied :

255. (a)— There is no question of driving out any Indian national from Assam.

(b)— 9 (nine) complaints have been received of which 4 ( four ) are enquired into and 5 ( five ) are under enquiry.

(c)— No.

(d)— No.

(e)— Does not arise.

শ্রীবীরেশ মিশ্র— অধ্যক্ষ মহোদয়, রাজ্যপালের ভাষণের উপর বিতর্কে যেদিন আমি বর্ক্তৃতা দিয়েছিলাম সেদিন আমি নিজে এই বিষয়ে অনেকগুলি কমপ্লেন দিয়েছিলাম তাছাড়া প্রায় ৬মাস আগে এমনকি তারও আগে আমি মুখ্যমন্ত্রীর সঙ্গে নিজে দেখা করে যেসব এণ্ডিয়ান সিটিজেনদেরে বাংলাদেশীয় লোক বলে এখানে অত্যাচার করা হয়েছিল বা বাংলাদেশে পাঠানো হয়েছিল তাদের নাম ঠিকানা সহ সমস্ত বিষয় মুখ্যমন্ত্রীর হাতে আমি নিজে দিয়েছিলাম। এইগুলির প্রতি কি ব্যবস্থা নেওয়া হয়েছে মুখ্যমন্ত্রী মহোদয় বলবেন কি ?

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) :— এই সময় থিনিত তদন্ত কৰি তাৰ ওপৰত সম্পূৰ্ণ ৰিপৰ্ট দিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

শ্ৰীহেমেন দাস :— মুখ্যমন্ত্ৰী মহোদয়ে কৈছে যে ভাৰতীয় নাগৰিকক বহিস্কাৰৰ কোনো কথা উঠা নাই। মই জনাত বৰপেটা মহকুমাৰ সাতৰুইন গাওঁৰ শ্ৰীচান্দমোহন ক্ষত্ৰীয় ১৯৬৫ চনতেই ভাৰত-পাকিস্থানৰ যুদ্ধৰ সময়ত ভি, ডি, পি, হিচাপে কাম কৰাৰ ৰেকৰ্ড আছে। তেওঁকো বাংলাদেশী বুলি পঠোৱা হৈছে। এইটো কথা মুখ্যমন্ত্ৰী মহোদয়ে স্বীকাৰ কৰেনে নকৰে যে ভাৰতীয় নাগৰিককো বহিস্কাৰ কৰা হৈছে ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— তেনেকুৱা যিবিলাক অভিযোগ পাইছো সেইবিলাকৰ সত্যাসত্য নিৰুপণ কৰিবৰ কাৰণে আমি ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছো। আৰু বিভাগৰ পৰাও অনুসন্ধান কৰি ৰিপৰ্ট দিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

শ্ৰীহেমেন দাস :— মোৰ সমষ্টিৰ খাগ্ৰাবাৰী গাওঁত ১৮ টা বিহাৰী হৰিজন পৰিয়ালক বাংলাদেশী বুলি ধৰি বাংলাদেশলৈ পঠাই দিছে। তেওঁলোকে বাৰে বাৰে কৈছিল যে আমি বিহাৰী মানুহ, পঠায় যদি বিহাৰলৈ পঠাই দিয়ক। কিন্তু তেওঁলোকক বাংলাদেশী মানুহ বুলি বাংলাদেশলৈ পঠাইছে। ইয়াৰ লিষ্ট শ্ৰীবীৰেশ মিশ্ৰই দাখিল কৰিছে। মুখ্যমন্ত্ৰী মহোদয়ে এইটো স্বীকাৰ কৰে নে যে বাংলাদেশী বহিস্কাৰৰ নামত ভাৰতীয় নাগৰিকক অত্যাচাৰ কৰা হৈছে ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— এই সকলো বিলাক কথা অনুসন্ধান কৰি থকা হৈছে। এইটো পৰামৰ্শ দিছিল যে অকল পুলিচৰ এৰিয়াতে যাতে এই কাম নহয় তাৰ কাৰণে জুডিচিয়েলৰো সুবিধা দিবৰ কাৰণে যি পৰমৰ্শ দিছিল আমি সেই মতেই ইতিমধ্যে আইন বিভাগৰ যোগেদি পৰীক্ষা-নিৰীক্ষা কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

Shri Shanti Ranjan Das Gupta :— Sir, the Chief Minister has admitted that 4 cases have been enquired into. May we know what was the results of these 4 cases and who were the persons who were ousted.

Mr. Speaker :— Hon'ble Chief Minister may take notice.

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— মই এইটো পিচত জনাম।

Shri Ranendra Basumatari :— Mr. Speaker, Sir the hon'ble Chief Minister is certainly aware that the Govt. have received several representations and memorandum wherein it was alleged that several Indian citizens have been driven out in the name of expulsion of foreign nationals and even I myself with hon'ble member Mr. Mathias Tudu led a deputation of people and we met the hon'ble Chief Minister in his chamber wherein we alleged that several Indian nationals were driven out and there was inhuman police zulum and the hon'ble Chief Minister has stated in this August House that he has not received any complaints. So will the hon'ble Chief Minister take necessary steps to see that not a single Indian citizen is driven out.

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— কমপ্লেইন পোৱা নাই বুলি মই কোৱা নাই ? এই বিষয়ে যথেষ্ঠ কমপ্লেইন পাইছো। এই বিলাকৰ ওপৰত তদন্ত কৰি যাতে ভাৰতীয় নাগৰিক জুলুম কৰা নহয় তাৰ কাৰণে পুলিচ বিভাগক নিৰ্দ্দেশ দিয়া হৈছে। তাৰোপৰি জুডিচিয়েৰী ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে।

শ্ৰীপদম বাহাদুৰ চৌহান :— যোৱা ৭ তাৰিখে তামুলপুৰ সমষ্টিৰ ডিমৰীয়া আৰু শালমাৰাৰ ৯ টা পৰিয়ালৰ ৪০ জন মান মানুহক ৰাতি ১১ টা বজাৰ পৰা ৩ বজালৈ পুলিচে জুলুম কৰি বাংলাদেশী বুলি লৈ আহিছে। তাৰে ৩টা পৰিয়ালক ইতিমধ্যে বাংলাদেশলৈ পঠোৱা হৈছে। মই এই সম্পৰ্কত মুখ্যমন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছিলো। কিন্তু এই যি তিনিটা পৰিয়ালক বাংলাদেশলৈ পঠোৱা হ'ল তেওঁলোকক ঘুৰাই অনাৰ ব্যৱস্থা কৰা নাই। আৰু এই ৬টা পৰিয়ালক মাননীয় অধ্যক্ষ আপুনি প্ৰশ্ন কৰক ?

শ্ৰীপদম বাহাদুৰ চৌহান :— গতিকে এই ৯ টা পৰিয়ালৰ ভিতৰত চৰকাৰৰ মতেই ভাৰতীয় নাগৰিক কেইজন আছে মই জানিব বিচাৰিছো।

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) :— মাননীয় সদস্যই কেইজনমান প্ৰতিনিধিক লৈ মোক লগ ধৰিছিল। আমি এইটো অনুসন্ধান কৰিবলৈ দিছো।

শ্ৰীনুৰুল হুদ :— স্যাৰ প্ৰশ্নটো ছিল whether the Government is aware that inhuman police Zulum are carried out on the innocent and poor Indian citizens throughout the state এবং মাননীয় মুখ্যমন্ত্ৰী মহোদয় পৰিস্কাৰ জবাব

দিয়েছেন "না"। এতে আমাদের আপত্তি আছে। কারণ আমি আগেও উল্লেখ করেছিলাম যে শিলচরে চূনীলাল বণিক নামে এক-জন লোককে গত অক্টোবর মাসের ১৯-২০ তারিখে পুলিশ ধরে বেদম প্রহার করার পর তাকে হাস্পাতালে নিয়ে যাওয়া হয়। হাসপাতালে শয্যাশায়ী অবস্থায় তার ফটো তোলা হয় এবং সেই ফটো আমি মুখ্য-মন্ত্রী মহোদয়কে দিয়েছি এৰং অন্যান্য ডকুমেণ্টও দিয়েছি যে তিনি ভারতবর্ষেরই নাগরিক, ত্রিপুরার অধিবাসী। তারপর মুখ্যমন্ত্রী কি করে বলেন যে এই ধরণের পুলিশী জুলুমের ঘটনার কথা তিনি জানেন না? এই ধরণের জবাব তো আমরা আশা করিনি।

শ্রীগোলাপ বৰবৰা (মুখ্যমন্ত্রী) :— তেখেতসকলৰ আপত্তি বহুত দিনৰ আগতেই দিয়া। ইয়াৰ ওপৰত অনুসন্ধান কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ কোৱা হৈছে।

Shri Abdul Muqtadir Choudhury :— Sir, what procedures are followeal in deporting the foreign nationls ?

শ্রীগোলাপ বৰবৰা ( মুখ্যমন্ত্রী ) :— প্ৰচিডিয়ৰ আগতে যিটো আছিল এতিয়াও সেইটোৱেই চলি আছে। ট্ৰিবিউনেলৰ যিটো ব্যৱস্থা কৰা হৈছিল সেইটো ১৯৭১ নে ১৯৭১ চনতেই ভাঙি দিয়া হ'ল। তেতিয়াও ডিপোৰটেচন চলি আছিল আৰু এতিয়াও চলি আছে। আমাৰ বহুত কেইজন মাননীয় সদস্যই দৃষ্টিআকৰ্ষণ কৰি কৈছিল যে এই ক্ষেত্ৰত জুডিচিয়েৰী ব্যৱস্থা থাকিব লাগে। আমি সেই মতেই এই ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিছো।

শ্রীপ্ৰেমধৰ বৰা :— মাননীয় সদস্যসকলৰ পৰামৰ্শ মতে মাননীয়

মুখ্যমন্ত্ৰী মহোদয়ে যিটো ন্যায় তদন্ত কৰাৰ পিচত বহিৰাগতক উলিয়াই দিয়াৰ কথাটোত আমি আদৰণি জনাইছো। ইয়াৰ লগতে এইটো জানিব বিছাৰিছো যি:হেতু ইয়াত এটা তদন্ত হব তেনে ক্ষেত্ৰত ৰাজ্য চৰকাৰে সীমান্তৰ যিটো অৱস্থা অৰ্থাৎ বহিৰাগত নোসোমোৱা বা ওলোৱাৰ বা পঠিয়াই দিয়াৰ কথাটো ঢিলাই দিছে নেকি ?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী ) :— সীমান্তৰ ব্যৱস্থাটো ঢিলাই দিয়া হোৱা নাই।

Shri Altaf Hussain Mazumdar :— Mr. Speaker Sir, we have touched the question of police zulum in case of deportation. Will the Hon'ble Chief Minister atleast make an answer admitting the reality ?

শ্ৰীগোলাপ বৰবৰা ( মুখ মন্ত্ৰী :– এই বিষয়ে যিমানখিনি অভিযোগ থাকে সেই বিষয়ে তদন্ত কৰিবৰ কাৰণে ব্যৱস্থা কৰা হৈছে।

Shri Altaf Hussain Mazumdar : - Mr. Speaker Sir, there is another aspect. It is reported that in a meeting held in Gauhati, large number of people gathered there. Our Hon'ble Chief Minister was present there in the meeting, other Ministers were also present. It is reported that Shri Muzamil Ali Choudhury was arrested in that meeting. I could not understand Sir, why the Hon'ble Chief Minister did not make a stetement that the facts of the arrest was absolutely a false propagande ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) ঃ— মিটিঙ শেষ হবৰ সময়ত মই পাইছিলোগৈ। তাত বহু বিলাক নেতা উপস্থিত আছিল, বাহিৰৰ পৰা জামিটতুল্লা নেতা আহিছিল। সেইসকলৰ লগত এম, পি দেব বৰুৱা, বেদব্ৰত বৰুৱা উপস্থিত আছিল। আৰু আমাৰ সহযোগী দুলাল চন্দ্ৰ বৰুৱা উপস্থিত আছিল। বৰুৱাদেৱে উপস্থিত থকা সময়তে প্লেট ফৰ্মতে সেই কথাটো পৰিস্কাৰ কৰিছিল। মিটিঙৰ সময় শেষ হৈ অহাৰ কাৰণে মই সকলো কথা চমুকৈ কব লগীয়া হোৱাত গোটেই খিনি কথা তাত পৰিস্কাৰ কৰিব নোৱাৰিলো। কেইটামান কথাৰ প্ৰতি মই দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো। অসমৰ পৰা মুছলমান মানুহ আতৰোৱা অভিযান চলিছে বুলি তাত প্ৰশ্ন উঠিছিল। কথাটো প্ৰকৃততে সেইটো নহয়। বাহিৰৰ পৰা অহা মানুহৰ ভিতৰত হিন্দু, মুছলমান, নেপালী আদিও আছে। ১৯৭১ চনৰ ২৫ মাৰ্চ্চৰ পিচত অহা মানুহ বিলাকক নপঠোৱা কথা পৰিস্কাৰকৈ কোৱা হৈছে। তাৰ আগৰ বিলাকৰ সকলোৰে ওপৰত একেই ব্যৱস্থা লোৱা হৈছে। কিন্তু এটা কথা ঠিক জামিটতুল্লা মৌলানা আজাদ চাহাবে এতিয়া নহয় ইয়াৰ আগতেও অসমৰ গাৱেঁ-ভুঞে পঞ্চায়ত নিৰ্ব্বাচনৰ আগতে গাৱঁতে ঘুৰি ফুৰিছিল। এই ক্ষেত্ৰত কব নোৱাৰো কি কাৰণে মৌজামিল চৌধুৰীৰ নামটো বাৰে বাৰে কৈ আছে। মুখ্যমন্ত্ৰী এতিয়াৰ জনতাৰেই নহয় তেওঁ আগৰে চচিয়েলিষ্ট পাৰ্টিৰে আছিল। মৌজামিলৰ লগত তেতিয়াৰে পৰাই ভাল। তেখেতক জেইলত থোৱা বুলি এনেকুৱা কিয় প্ৰচাৰ হৈছে। ৰাজনৈতিক খাতিৰত মৌলানা চাহাবে কিবা উক্তি দিব পাৰে কিন্তু এনেকুৱা এখন প্লেট ফৰ্মত এই ধৰণে প্ৰচাৰ কৰাটো জানো উচিত হৈছে। মিটিঙৰ সময় কম হোৱাৰ কাৰণে কেইটামান কথা দৃষ্টি আকৰ্ষণ কৰিবলৈ সুবিধা পালো। গোটেই খিনি কথা কবলৈ সুবিধা নহল।

Shri Umaruddin :— Mr. Speaker Sir, a large number of cases have been referred to the Hon'ble Chief Ministar about the alleged deportation of Indian National. Some Members of this House and the Ministers admitted the facts time and again. All these complaints referred were for enquiry. Sir, the final resuits of the enquiry has not been preduced to the House; Will The Chief Minister kindly set up a Special Committee to go into the complaints which have been referred so far to secure justice ?

Shri Golap Borbora (Chief Ministar) :— We shall exemine this.

Shri Biresh Mishra :— Sir, the Statemant of the Chief Minister on the floor of the House is condradictory. The Hon'ble Chief Minister later on admitted the first question Sir, whether the Government is aware that about the persons driven out in the name of foreign national from Assam etc. So many complaints have been referred on the floor of this House. Still the Hon'ble Chief Minister claims that Government is not aware of the facts. I think, it is not correct and will the Chief Minister admit that the replies given were not correct. Sir, by his own admission, there have been so many petitions and

referrences on the floor of this House. It is claimed that there are only nine cases which have been known to Government. Sir, that answer if also not correct. Whether the Hon'ble Chief Minister still is prepared to correct these two statements? If the Chief Minister fail to correct the statement, I ahall have to find out some other means to get his statements corrected.

শ্ৰীনগেন বৰুৱা :— ইয়াত সদনত কোনো সদস্যই এটা প্ৰশ্নৰ উত্তৰ বিছাৰিলে সেইটো আদাৰ মিনস্ বিচাৰিব পাৰেনেকি? মাননীয় অধ্যক্ষৰ পৰা ৰুলিং বিচাৰো।

Mr. Speaker :— Some other means, means that the Hon'ble Member has no confidence in this House. This question ralates to the State. Therefore, the words "some other means" is a kind of threat. Hence, these words may be withdeawn.

Shri Biresh Mishra :— Sir, there is a procedure to refer matter to the Privilege Committee. So, it cannot be taken as a threat. It remains within the means of parliamentary procedure.

Mr. Speaker :— Reasonable time for discussion was given. Therefore, there should not be any question to go to the Privilege Committee.

Shri Dulal Chandra Barua (Minister) :— Sir, the

Hon'ble Member did not spell out what he actually wanted to mean by using the words "other means".

Mr. Speaker :— The question hour is over. (NOISE) No, no, so much has been discussed on this question, I cannot allow any more time.

Shri Dulal Chandra Baruah, :— Sir, the Hon'-ble Members will have ample scope to discuss this matter when the police budget is presented before the House.

(NOISE)

Shri Biresh Misra :- Sir. this question must be kept pending.

Mr. Speaker :— I will consider it later on. Now Short Notice Question No. 2

Undisposed Starred Questions dated 21-3-79

Re : Pending cases in different Police Stations of Assam

Shri Abdul Muqtadir Choudhury asked :

*256. Will the Chief Minister be pleased to state—

Total number of cases pending in the different Police Stations in Assam for final from till date? ( figure to be furnished Police Station-wisc and year-wise.

Shri Golap Borbara ( Chief Minister ) replied :

256.— A list of total number of cases pending in different Police Stations in Assam for final form upto 31st December, 1978 ( District-wise and thana-wise ) is placed on the table of the House.

বিষয় ঃ গোলকগঞ্জ সমষ্টিৰ সীমান্তবৰ্ত্তী গাঁৱত গৰু-মহ চুৰি

শ্ৰীআলাউদ্দিন সৰকাৰে সুধিছে :

* ২৫৭। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) গোলকগঞ্জ সমষ্টিৰ সীমান্তবৰ্ত্তী গাওঁবোৰৰ পৰা কিমান সংখ্যক গৰু-মহ যোৱা বছৰত চুৰি হৈ যায়?

(খ) উক্ত চুৰিৰ ফলত কিমান সংখ্যক কৃষক ক্ষতিগ্ৰস্ত হয়?

(গ) ক্ষতিগ্ৰস্থ কৃষক সকলক ক্ষতিপূৰণ দিয়াৰ কিবা ব্যৱস্থা চৰকাৰে কৰিবনে?

শ্ৰীগোলাপ বৰবৰা ( মুখ্যমন্ত্ৰী )য়ে উত্তৰ দিছে :

২৫৭। (ক)— যোৱা ১৯৭৮ চনত গোলকগঞ্জ থানাৰ সীমান্তবৰ্ত্তী

গাওঁবোৰ পৰা ৬৮টা গৰু-মহ চুৰি হৈছিল।

(খ)— ২২ জন খেতিয়ক ক্ষতিগ্ৰস্ত হৈছে।

(গ)— এনে ক্ষেত্ৰত ক্ষতিপূৰণ দিয়াৰ ব্যৱস্থা নাই।

Re: Sanskrit Tol of Bongaigaon

Shri Mathura Mohan Sinha asked :

* 258. Will the Minister, Education be pleased to state—

(a) Whether there is any Sanskrit Tol at Bongaigaon for imparting Sanskrit Education ?

(b) If so, whether any recurring and non-recurring grants are sanctioned to the Institution ?

(c) If so, since when and how much amount has been sanctioned ?

Shri Lakshyadhar Choudhury ( Minister, Education) replied :

258. (a)— Yes, there is one Sanskrit Tol at Bongaigaon viz. Sarbeswar Tarkatirtha Chotuspathi affiliated to the Assam Sanskrit Board.

(b)— No recurring and non-recurring grants are sanctioned to the Institution from State Government

but on 8th March, 1977 the Government of India, Ministry of Education sanctioned an ad-hoc grant for an amount of Rs. 3000·00 for purchase of books and furniture etc. to the Institution.

(c)— Does not arise in view of reply to (b).

বিষয় ঃ হাঁহিম অঞ্চলত মেঘালয়ৰ *M.D.C.*
নিৰ্ব্বাচনৰ বাবে ভোটৰ কেন্দ্ৰ স্থাপন

শ্ৰীউমেশ চন্দ্ৰ দাসে সুধিছে ঃ

*২৫৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) এই কথা সচাঁনে যে কামৰূপ জিলাৰ বকো সমষ্টিৰ হাঁহিম অঞ্চলত মেঘালয় চৰকাৰে যোৱা ১৯-১১-৭৮ তাৰিখে M.D.C. নিৰ্ব্বাচনৰ বাবে ভোটৰ কেন্দ্ৰ স্থাপন কৰিছিল ?

(খ) এই কথাও সচাঁনে যে, স্থানীয় বিধায়কে এই কথাটো অসম চৰকাৰৰ দৃষ্টি গোচৰ কৰাত উক্ত কেন্দ্ৰসমূহ ভাঙি দি নিৰ্ব্বাচন বন্ধ কৰিছিল ?

(গ) পুনঃ এই নিৰ্ব্বাচনৰ বাবে অসম চৰকাৰে জানুৱাৰী মাহত অসম চৰকাৰক কামৰূপৰ ভিতৰুৱা অঞ্চলবোৰত নিৰ্ব্বাচনৰ কেন্দ্ৰ স্থাপন কৰিব দিয়া কথাটোও সচাঁনে ?

(ঘ) যদি সচাঁ হয়, কিয় নিৰ্ব্বাচন কেন্দ্ৰ স্থাপন কৰিবলৈ দিয়া হল ?

শ্ৰীগোলাপ বৰবৰা (মুখ্যমন্ত্ৰী) য়ে উত্তৰ দিছে:

২৫৯। (ক)— সচঁা।

(খ)— হয়।

(গ)— সচঁা।

(ঘ)— প্ৰথমতে তেওঁলোকৰ নিৰ্ব্বাচন কাৰ্য্য সুচাৰুৰূপে পৰিচালনা কৰিবলৈ কিছুমান স্বৰ্ত্তসাপেক্ষে এই অনুমতি দিয়া হৈছিল যদিও শেষত সেই অনুমতি প্ৰত্যাহাৰ কৰা হয়।

Re: Erosion affected families of Baghbar and Mondia Mouzas

Shri M. Ibrahim Ali asked:

* 260. Will the Minister, Revenue be pleased to state—

(a) The number of erosion affected families in Baghbar and Mondia Mouza of Baghbar Lagislative Assembly Constituency within Barpeta Sub-division?

(b) The measures taken by the Government to rehabilitate the affected families?

(c) Whether is fact that the said families of Baghbar

who took shelter in the near by Gobindapur PGR have been ruthlessly evicted by the Government ?

(d) If so, what steps have been taken by the Government so far for alternative shelter for them ?

Shri Lakheswar Gohain (Minister, Revenue) replied :

260. (a) – (1) Baghbar — 1298 families

(2) Mondia— 597 families

(১) বাঘবৰ— ১২৯৮ টা পৰিয়াল

(২) মনদিয়া— ৫৯৭ টা ”

(b)— Steps are being taken for rehabilitation of affected families.

ক্ষতিগ্ৰস্ত হোৱা পৰিয়াল সমূহক পুনৰ সংস্থাপন কৰিবলৈ ব্যৱস্থা হাতত লোৱা হৈছে।

(c)— The encroachers of Gobindapur PGR were evicted according to the provision of A. L, R. R:

অসম ৰাজহ আইন অনুসৰি গোবিন্দপুৰ ব্যৱসায়ীক চৰনীয়া পথাৰৰ বেদখলকাৰী সকলক উচ্ছেদ কৰা হৈছে।

(d)— Out of the evicted families 71 erosion affected families have so far been rehabilitated in Phulara PGR:

উচ্ছেদ হোৱা পৰিয়াল সকলৰ ভিতৰত ৭১ টা গড়াখহনীয়াত ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালক ফুলবা ব্যৱসায়ীক চৰনীয়া পথাৰত পুনৰ সংস্থাপন কৰা হৈছে।

Re : Sales tax office of Gauhati

Shri Kiron Chandra Bezbarua asked:

*261: Will the Minister, Finance be pleased to state—

(a) The amount of house rent the Sales tax Department pays in Gauhati City itself for Departmental offices ?

(b) Is, there any specification of areas of residential accommodation prescribed for Government officers ?

(c) If so, is it followed so far the Sales tax Department is concerned in Cauhati ?

Shri Keshab Chandra Gogoi (Minister, Finance) replied :

261. (a)— Rupees 6,929 p.m. at present.

(b)— Yes.

(c)— This could not be followed in respect of offi-

cers of Sales Tax Department in Gauhati as none of them has been allotted any Government quarter.

বিষয়ঃ গাৱলীয়া ঠাইত ডাক্তৰে লোৱা মাচুল

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে :

* ২৬২। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনু-গ্ৰহ কৰি জনাবনে—

(ক) গাৱলীয়া ঠাইত ৰোগী চাবলৈ গলে ডাক্তৰ সকলে মাচুল লোৱাৰ কিবা নিৰ্দ্ধাৰিত হাৰ আছে নেকি ?

(খ) তেখেত সকলে এই ফি দাবী কৰিব পাৰে নেকি আৰু যদিহে নোৱাৰে তেনেহলে তেনেকুৱা চৰকাৰী আদেশ থাকিলে সদনৰ মেজত দাখিল কৰিবনে ?

(গ) গাৱলীয়া দুখীয়া ৰাইজক বিনা মাচুলে চিকিৎসা কৰাৰ দিহা নতুন চৰকাৰে কৰিবনে ?

ডাঃ কোষেশ্বৰ বৰা (স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬২। (ক)— হয় আছে। নিম্নলিখিত হাৰত এই মাচুল ডাক্তৰ সকলে আদায় কৰিব পাৰে।

| | দিনত | ৰাতি |
|---|---|---|
| ১। M & H.O.II | ৩ টকা | ৩ টকা |
| ২। M & H.O.I | ৫ টকা | ১০ টকা |
| ৩। S.D.M & H.O. | ৫ টকা | ১০ টকা |

৪। C.M.& H.O. ১০ টকা ২০ টকা

(খ)— হয়, পাৰে।

(গ)— চৰকাৰী ভেষজালয় আৰু চিকিৎসালয় সমূহৰ বহি-বিভাগত কোনো পইচা নোলোৱাকৈ ৰাইজক চিকিৎসা দিয়া হয়।

Re : Recovery of money from a former Deputy Inspector of Schools, Tezpur

Shri Promode Gogoi asked :

* 263. Will the Minister, Education be pleased to state—

(a) Whether it is a fact that the Government have ordered recovery of a huge amount of money from a former Deputy Inspector of Schools Tezpur for making irregular appointment ?

(b) If so, whether the amount has been recovered till now ?

Shri Lakhyadhar Choudhury (Minister, Education) replied :

263 (a)— No,

(b) - Does not arise.

বিষয়ঃ নমাটিৰ ৰাজ্যিক চিকিৎসালয়ৰ ডাক্তৰ থকা ঘৰ

শ্ৰীনৰেন্দ্ৰ নাথ দত্তই সুধিছে :

* ১৬৪। মাননীয় স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহোদয়ে অনু-গ্ৰহ কৰি জনাবনে—

(ক) নলবাৰী মহকুমাৰ অন্তৰ্গত বতাহগিলা মৌজাৰ ২য় বৃহত্তম গাওঁ নমাটিত থকা ৰাজ্যিক চিকিৎসালয়ৰ ডাক্তৰ থকা ঘৰটোৰ দুয়োখন চাল ভাগি পৰাৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) যদি জানে, তেন্তে ঘৰটোৰ চাল দুখন চিয়াই বেৰ আদি দি ডাক্তৰ তাত থাকিব পৰা ব্যৱস্থা চৰকাৰে কৰিবনে ?

(গ) যদি কৰিব, কেতিয়া মানে কৰিব ?

ডাঃ কোমেশ্বৰ বৰা (স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬৪। (ক)— হয়, জানে।

(খ)— হয়, ব্যৱস্থা কৰা হব।

(গ)— সোনকালেই কৰিবলৈ যত্ন কৰা হব।

বিষয়ঃ প্ৰস্তাৱিত ব্ৰডগজ ৰেল লাইন ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাতিয়েদি স্থাপন কৰাৰ দাবী

শ্ৰীমুকুট শৰ্ম্মাই সুধিছে :

* ২৬৫। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) প্ৰস্তাৱিত ব্ৰডগজ ৰেল লাইনটো ৰাষ্ট্ৰীয় পথৰ দাতীয়েদি স্থাপন কৰিবৰ কাৰণে ৰাইজৰ তৰফৰ পৰা দাবী উঠিছেনেকি ?

(খ) যদি উঠিছে, এই সম্পৰ্কে অসম চৰকাৰে ভাৰত চৰকাৰৰ লগত কিবা যোগাযোগ কৰিছেনেকি ?

শ্ৰীজহিৰুল ইছলাম (পৰিবহন বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

২৬৫। (ক) আৰু (খ)— হয়, প্ৰস্তাৱিত ব্ৰডগজ ৰেল লাইনটো ৩৭ নং ৰাষ্ট্ৰীয় পথৰ দাতীয়েদি স্থাপন কৰিবৰ বাবে অসম চৰকাৰে ভাৰত চৰকাৰৰ ওচৰত আগৰে পৰাই দাবী জনাই আছে। ৰাইজৰ তৰফৰ পৰাও দাবী উঠিছে আৰু এতিয়াও ভাৰত চৰকাৰৰ লগত এই বিষয়ে যোগাযোগ কৰা হৈ আছে।

বিষয় ঃ ছোৱাবৰী গাৱঁৰ পৰা হাজো সৃতিমুখলৈ এটা
মথাউৰি বন্ধাৰ প্ৰস্তাৱ

শ্ৰীৰবীন্দ্ৰ নাথ মালাকাৰে সুধিছে ঃ

* ২৬৬। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰামদিয়া মৌজাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা বৰ্ণি-আধিয়াৰপাৰা, খলিহামাৰী আদি গাঁৱৰ খেতি পথাৰ আৰু লগতে মানুহ গৰুৰ জীৱন ৰক্ষা কৰিবলৈ ব্ৰহ্মপুত্ৰৰ বান পানী ৰোধ কৰিবৰ মানসে ছোৱাবৰী

গাৱঁৰ পৰা হাজো স্মৃতিৰ মুখলৈকে মথাউৰি এটাৰ প্ৰস্তাৱ দিয়াৰ কথাটো চৰকাৰে জানেনে ?

(খ) যদিহে জানে তেনেহলে এই বিষয়ে কি সিদ্ধান্ত লোৱা হৈছে ?

(গ) মথাউৰি ব্যতিৰেকে এই অঞ্চলৰ খেতি পথাৰ বা মানুহৰ জীৱন ৰক্ষা কৰিবলৈ অন্য উপায় আছেনে ?

শ্ৰীৰমেশ মোহন কুলি (বান নিয়ন্ত্ৰণ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬৬। (ক)— কোনো আঁচনি বৰ্ত্তমানে লোৱা হোৱা নাই।

(খ)— প্ৰশ্ন নুঠে।

(গ)— এই ঠাই দ আৰু বান প্ৰপীড়িত অঞ্চলত পৰা বাবে কোনো ব্যৱস্থাৰে বানপানীৰ সমস্যা সমাধান কৰিব পৰা নাযাব।

বিষয় : ধানৰ দাম

শ্ৰীগোলোক ৰাজবংশীয়ে সুধিছে :

* ২৬৭। মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) বৰ্ত্তমান সময়লৈকে চৰকাৰে বিভিন্ন অনুষ্ঠানৰ জৰিয়তে কিমান ধান সংগ্ৰহ কৰিছে ?

(খ) এইটো কথা সচাঁনে যে ধানৰ দাম প্ৰত্যেক সপ্তাহতে উৰ্দ্ধমুখী হোৱাত ব্যক্তিগত লোকৰ লগত প্ৰতিযোগীতা কৰি চৰকাৰী আৰু

সমবায় অনুষ্ঠান সমূহে আশানুৰূপ ধান সংগ্ৰহ কৰিব পৰা নাই ?

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা (যোগান বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

২৬৭। (ক)— যোৱা ২৮-২-৭৯ তাৰিখলৈকে চৰকাৰে বিভিন্ন অনুষ্ঠানৰ জৰিয়তে ৪,৭১,০৬২.৩৮ কুইণ্টল ধান সংগ্ৰহ কৰিছে।

(খ)— এইটো সচাঁ যে বৰ্ত্তমানে ধানৰ বজাৰ দাম, চৰকাৰৰ অনুমোদিত মূল্যতকৈ বেছি।

চৰকাৰে ধান সংগ্ৰহৰ বাবে নিয়োগ কৰা এজেণ্ট সকল (ষ্টেট-ফেদ আৰু ভাৰতীয় খাদ্য নিগম) আৰু তেওঁলোকে নিয়োগ কৰা গাঁও পঞ্চায়ত সমবায় সমিতিবোৰৰ মুখ্য কাম হল যাতে খেতিয়ক সকলে তেওঁলোকৰ উৎপাদিত শস্যৰ অনুমোদিত দাম পায় যাতে ভাৰত চৰকাৰৰ অনুমোদিত মূল্যতকৈ কম দামত শস্য বিক্ৰী কৰিবলগীয়া নহয়। ইয়াৰ অৰ্থ এইটোৱেই নহয় যে খেতিয়ক সকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ চৰকাৰৰ অনুমোদিত দামতেই বিক্ৰী কৰিব লাগিব।

চৰকাৰৰ সংগ্ৰহ আঁচনিৰ মুখ্য উদ্দেশ্য হল খেতিয়ক সকলক সৰ্বোচ্চ পৰিমাণে উৎপাদনত উৎসাহিত কৰা। বৰ্ত্তমানৰ বাধাহীন (মুক্ত) বেহা-বেপাৰৰ নীতি অনুসৰি খেতিয়ক সকলে তেওঁলোকৰ উৎপাদিত শস্য সমূহ (ধান) তেওঁলোকৰ লাভৰ বাবে যিমান পাৰে সৰ্বোচ্চ দামত বিক্ৰী কৰাত কোনো বাধা নাই।

বিষয় : নিবনুৱা

শ্ৰীখগেন বৰবৰুৱাই সুধিছে :

* ২৬৮। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসমত বৰ্ত্তমান গাঁও আৰু নগৰ উভয়তে মিলি নিবনুৱা কিমান আছে ?

(খ) বছেৰেকত গড়ে কিমান নিবনুৱা বাঢ়িছে ?

(গ) কোন মহকুমাত কিমান নিবনুৱা আছে ?

(ঘ) এই নিবনুৱা সকলৰ সংস্থাপনৰ কাৰণে চৰকাৰৰ হাতত কিবা আঁচনি আছেনে ?

শ্ৰীজগন্নাথ সিংহ (শ্ৰম বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

২৬৮। (ক)— অসমত ১৯৭৮ চনৰ ৩১ ডিচেম্বৰত গাওঁ আৰু নগৰ উভয় মিলি পঞ্জীভুক্ত নিবনুৱাৰ সংখ্যা ২,৮৭,২৪৯ জন।

(খ)— যোৱা ১৯৭৫ চনৰ পৰা তিনি বছৰত গড়ে ৩২,৭৩৫ জন হিচাবে বৃদ্ধি পাইছে।

| | | |
|---|---|---|
| (গ)— ১। | ধুবুৰী | ৭,৩৬৫ জন। |
| ২। | গোৱালপাৰা | ১২,৫৩১ জন। |
| ৩। | কোকৰাঝাৰ | ৫০৩০ জন। |
| ৪। | গুৱাহাটী | ৪৬,৯৫৩ জন। |
| ৫। | নলবাৰী | ৭,৪৫৯ জন। |
| ৬। | বৰপেটা | ১০,৫১৮ জন। |
| ৭। | তেজপুৰ | ১০,১৮৬ জন। |
| ৮। | মঙ্গলদৈ | ৬,৬০১ জন। |

| | | |
|---|---|---|
| ৯। | লক্ষীমপুৰ | ৭,৩৯৫ জন। |
| ১০। | ধেমাজী | ৩,২০০ জন। |
| ১১। | নগাওঁ | ২৩,৭৪১ জন। |
| ১২। | মৰিগাওঁ | ৬,৪৯৭ জন। |
| ১৩। | যোৰহাট | ১৩,৬৭২ জন। |
| ১৪। | শিৱসাগৰ | ২৫,৯২০ জন। |
| ১৫। | গোলাঘাট | ৫,২৭৫ জন। |
| ১৬। | ডিব্ৰুগড় | ৪২,৪২০ জন। |
| ১৭। | তিনচুকীয়া | ১৫,৭০৮ জন। |
| ১৮। | ডিফু | ৩,০৬৪ জন। |
| ১৯। | হামৰেন | ৪৫৫ জন। |
| ২০। | হাফলং (উত্তৰ কাছৰ) | ১,৮৭৭ জন। |
| ২১। | শিলচৰ | ১৬,২৩৫ জন। |
| ২২। | কৰিমগঞ্জ | ৮,২৬২ জন। |
| ২৩। | হাইলাকান্দি | ৬,৮৮৫ জন। |

(ঘ)— নিবনুৱা সকলৰ সংস্থাপনৰ বাবে বিভিন্ন প্ৰচেষ্টা চলাই থকা হৈছে।

## SHORT NOTICE

## QUESTIONS AND ANSWERS

Date : 21st March, 1979

Re : Vacant posts in Assam State Road Transport Corporation

Shi Hemen Das asked :

2. Will the Minister, Transport be pleased to state—

(a) Wheter the State Transport Corporation invited applications in the month of August, 1978 to fill up some vacancies ?

(b) If so, what were the posts for which applications have been iovited ?

(c) How many of them appeared in the interviews

(d) How many of them are selected for appointment ?

(e) How mony of them are appointed ?

Shri Zahirul Islam (Minister, Transport) replied :

2. (a)— Yes.

(b)— The posts for which applications were invited are—

(i) Lower Division Assistants.

(ii) Coaductors.

(iii) Drivers.

(iv) Mechanics:

(c) For the posts of Lower Division Assistants 5123 candidates and for Conductors 4476 candidates appeared in the written Tests held in December 1978. Oral interviews have not yet been held.

Interviews Tests will be held for 1010 candidates for the post of Driver and 2522 candidates for the posts of mechanics.

(d)— Selection is yet to be finalised.

(e)— Does not arise.

Shri Hemen Das :— Will the Minister be pleased to state what was the number of vacancies at the time of calling applications ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) ঃ পৰৱৰ্ত্তী বিত্তীয় বছৰৰ কাৰণে পেনেল কৰিবলৈ দিয়া হৈছে আৰু তাৰ পৰা নিযুক্তি দিয়া হব পদ খালী হলে। বৰ্ত্তমান এল, ডি ১০০, কনডাক্তৰ ১০০, ড্ৰাইভাৰ প্ৰায় ১০০ আৰু মেকানিক অলপ কমকৈ লব পৰা হব।

শ্ৰীহেমেন দাস :— দৰখাস্ত আহবান কৰাৰ পৰা এতিয়ালৈকে কিমানজন মানুহক চাকৰীত নিযুক্তি কৰা হৈছে ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) :— সেই হিচাবটো বৰ্ত্তমান মোৰ

হাতত নাই। কিন্তু যেতিয়া কণ্ডাক্টৰ বা ড্ৰাইভাৰ চাচ্‌পেণ্ড হৈ থাকে তেতিয়া সম্পূৰ্ণ অস্থায়ী ভাবে দৰকাৰ অনুযায়ী সেই পদবোৰত নিযুক্তি দিয়া হয়।

Shri Gauri Sankar Roy :— Sir, are there any temporary appointments already made to be regularised under this advertisement ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) :— লিভ ভেকেন্সি থাকিলে ফিল্ আপ কৰা হয় আৰু সেইটো ডিভিজনেল চুপাৰিন্টেণ্ডেন্টে দিয়ে।

Shri Gauri Sankar Roy :— Sir, I wanted to know whether there are any temporary appointments already made before advertisement and are going to be regularised under this advertisement ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) :— তাৰ কাৰণে পৰীক্ষা দিব লাগিব আৰু পৰীক্ষাত যদি পাছ কৰে তেনেহলে ৰেগুলাৰাইজ কৰা হব।

শ্ৰীনগেন শৰ্ম্মা :— মন্ত্ৰী মহোদয়ে কৈছে যে যোৱা আগষ্ট মাহত যি বিজ্ঞাপন কৰা হৈছিল তাৰ পিছত অস্থায়ী ভাবে নিযুক্তি হব পাৰে। সেইবিলাক কি ভিত্তিত দিয়া হৈছে।

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) :— কনডাক্তৰ বা ড্ৰাইভাৰ যদি ছুটীত থাকে বা চাচ্‌পেণ্ড হৈ থাকে তেনেহলে দৰকাৰ অনুযায়ী নিযুক্তি দিয়া হয়। কিন্তু দিয়া হৈছে নে নাই বৰ্ত্তমান মই নাজানো।

শ্ৰীৰণেন্দ্ৰ বসুমতাৰী :— এই প্ৰশ্নটো নিশ্চয় প্ৰাসঙ্গিক হব যে এই চাকৰীবিলাকৰ কাৰণে জিলা ভিত্তিত পৰীক্ষা লোৱা হৈছিল। এই

পৰীক্ষাত কোন জিলাৰ কিমান সংখ্যা আছিল মন্ত্ৰী মহোদয়ে জনাব নে ?

শ্ৰীজেহিৰুল ইছলাম :— ডিষ্ট্ৰিকৰ ওৱাইজ হিচাবটো মোৰ হাতত নাই। মই মাননীয় সদস্যক পিচত জনাম। মই দেখাত আঞ্চলিক বৈষম্য কিছু হৈছে। গতিকে বোৰ্ডে সিদ্ধান্ত লৈছে যে এই আঞ্চলিক বৈশম্য দূৰ কৰি নিযুক্তি দিয়া হব।

Shri Abdul Muqtadir Choudhury :— Sir, whether at the time of appointment, Govt. will see that population pattern is reflected ?

শ্ৰীজেহিৰুল ইছলাম :— এইটো হব।

শ্ৰীবিপিন হাজৰীকা :— তেখেতে কৈছে যে কিছুমান অস্থায়ী পদত ২-১ জনক নিযুক্তি দিয়া হব পাৰে। মই জনাত তিনচুকীয়াৰ পৰা এটা অভিযোগ আহি তেখেতৰ হাতত পৰিছে। সেই অভিযোগটো হল বিহাৰৰ এটা পৰিয়ালৰ ৬ জন মানুহক একেটা ষ্টেচনতে নিযুক্তি দিয়া হৈছে। তেওঁলোকৰ নাম হল— মুস্তাফা খান (বাপেক), ইচাহাৰ খান, ইজৰাইল খান, মুছলিম ৰয়, মহম্মদ ইদ্ৰিচ আৰু নাৰ্থনি ৰয়। বাপেকৰ বয়স ৫০-৪০ ৰ ভিতৰত হব। তেওঁৰ পুতেক এজন

শ্ৰীজেহিৰুল ইছলাম :— সেই অভিযোগ পাইছো আৰু তদন্ত কৰিবলৈ দিয়া হৈছে।

শ্ৰীবীৰেণ চৌধুৰী :— মন্ত্ৰী মহোদয়ে কৈছে যে লিভ ভেকেন্সিৰ এপোইনমেণ্ট ২-১ জনক দিয়া হৈছে। মন্ত্ৰী মহোদয়ে এইকথা সঠিক ভাবে কব নেকি যে কিছুমান পাৰমেনেণ্ট ভেকেন্সিৰ এপোইনমেণ্ট কনডাক্তৰ, মেকানিক, আৰু এল, ডি এচিষ্টেণ্ট বিজ্ঞাপন দিয়াৰ পিচত নিযুক্তি দিয়া

হৈছে নেকি ?

শ্ৰীজেহিৰুল ইছলাম :— সেইটো খবৰ লৈ কব পাৰিম।

শ্ৰীবীৰেণ চৌধুৰী :— স্থায়ী পদৰ বিপৰীতে কাকো নিযুক্তি দিয়া নাই বুলি কব পাৰে নেকি ?

শ্ৰীজেহিৰুল ইছলাম :— যিহেতু এইবোৰ ৰিলিভেন্ট প্ৰশ্ন নহয় সেইকাৰণে মই প্ৰস্তুত হৈ অহা নাই। নহলে উত্তৰ দিব পাৰিলো-হেতেন।

শ্ৰীকুলবাহাদুৰ ছেত্ৰী :— আমাৰ এই পৰিবহন বিভাগৰ নিয়োগৰ ক্ষেত্ৰত বোৰ্ডে চিলেকশ্যন কৰে নে এই বিভাগৰ কৰ্মচাৰী সকলে কৰে ? দ্বিতীয়তে শ্ৰীহাজৰীকাদেৱে তিনচুকীয়া সম্পৰ্কত যিটো কথা উত্থাপন কৰিছে সেইটো যদি সচা হয় তেনেহলে তাৰ বিহিত ব্যৱস্থা লব নে ?

শ্ৰীজেহিৰুল ইছলাম :— চিলেকশ্যনৰ বাবে বোৰ্ডে পাতি দিয়া চিলেকশ্যন বোৰ্ডে আছে। সেইটো তেওঁলোকে চাব।

Shri Binoy Basumatari :— Sir, will the Hon'ble Minister be pleased to contfirm whether the tribal quota will be cleared off ?

শ্ৰীজেহিৰুল ইছলাম :— ট্ৰাইবেল কোটাৰ যিমানবিলাক বেকলগ আছে সেইবিলাক পূৰণ কৰা হয়।

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— মই ২ নম্বৰ প্ৰশ্নৰ উত্তৰ পোৱা নাই। তিনচুকীয়াত অসমৰ বহিৰাগত লোক সকলক চাকৰিত নিযুক্তি দিয়াৰ সংক্ৰান্তত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

( উত্তৰ নাই )

শ্ৰীৰবীন চন্দ্ৰ মালাকাৰ :— যোৱা বছৰ এই ডিপাৰ্টমেণ্টত এডভাৰটাইজ অনুসৰি ক্লেৰিকেল পোষ্টৰ মকৰল কৰা হৈছিল। অধ্যক্ষ মহোদয় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিব খুজিছো যে এই পোষ্ট সমূহ নিয়ম অনুসৰি মকৰল নকৰি অফিচাৰৰ মইমতালি মতে মকৰল কৰা হ'ল। এই বিষয়ে মন্ত্ৰী মহোদয়ে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) :— কোন চনৰ কথা কৈছে ?

শ্ৰীৰবীন চন্দ্ৰ মালাকৰ :— ১৯৭৮ চনত এই পোষ্ট বিলাকৰ এডভাৰটাইজ কৰা হৈছিল। কিন্তু আমাৰ চৰকাৰ গঠন হোৱাৰ পাচত এই পোষ্ট বিলাকৰ মকৰল কৰা হৈছে।

শ্ৰীজেহিৰুল ইছলাম ( মন্ত্ৰী ) :— সেইটো চাব লাগিব।

শ্ৰীহৰেন্দ্ৰ গোস্বামী :— জেনেৰেল মেনেজাৰক বদলি কৰাৰ কথা আছিল। কিন্তু কোনোবা এজনক এপইণ্টমেণ্ট দিয়াৰ পাচত এইটো বন্ধ হৈ থাকিল। এই বিষয়ে মন্ত্ৰী মহোদয়ে জনাব নে ?

( উত্তৰ নাই )

Shri Altaf Hussain Mazumdar :— Mr. Speaker, Sir. It appears from the Minister's reply that applications were called and writtent test was taken and oral interveew was also taken ; certainly it will take a good deal of time. So, if tomorrow any driver is

sick or is not available will he wait or casually emply somebody to maintain transport operation ?

Shri Zahirul Islam (Minister)— We will have to employ casual driver.

## MISCELLANEOUS

Mr. Speaker :— I have received a notice from Shri Premadhar Bora to raise a question about the demonstration.

Shri Premadhar Bora :— For tomorrow, Sir.

Mr. Speaker :— You are not raising it today ?

Shri Dulal Chandra Barua ( Minister ) :— It cannot be taken, because how anticipatory notice can be given.

Mr. Speaker :— Under the rules if Speaker's consent is given it can be allowed The hon'ble member met me and explained the question involves important matter ; therefore, it will be better if it is taken up as an exceptional case.

শ্ৰীভূবনেশ্বৰ বৰ্ম্মন :— অধ্যক্ষ মহোদয়, এটা জৰুৰী খবৰ মই সদনত জনাব বিচাৰিছো.......

মাননীয় অধ্যক্ষ :— এতিয়া নহব, ৬টা বজাৰ পাচত হব। Now, Shri Devananda Bora to continue.

## VOTING ON DEMANDS FOR GRANTS

শ্ৰীদেবানন্দ বৰা :— অধ্যক্ষ মহোদয়, মই কালি স্কুল সমূহ চৰকাৰীকৰণৰ কথা আৰু ইয়াৰ দ্বাৰা অসুবিধাৰ সৃষ্টি হোৱাৰ কথা উল্লেখ কৰিছিলো। অকল উচ্চ মাধ্যমিক স্কুলেই নহয়, প্ৰাথমিক স্কুল সমূহো চৰকাৰীকৰণ কৰা হ'ল। কিন্তু সেই স্কুল সমূহৰ শিক্ষক সকলৰ সেৱা নীতি কেনে ধৰণৰ হব, সেইটো নিৰ্দ্ধাৰণ নোহোৱাৰ কাৰণে যথেষ্ট অসুবিধাৰ সৃষ্টি হৈছে। ইয়াৰ লগতে মই এটা কথা উল্লেখ কৰিব খুজিছো যে, আজি মাধ্যমিক শিক্ষক সকলে আন আন দাবীৰ লগতে সেৱা নীতি নকৰাৰ দাবীলৈ দিছপুৰতে ধৰ্ম্মঘট আৰম্ভ কৰিছে। সেই কাৰণেই আমি চৰকাৰৰ ওচৰত চৰকাৰীকৰণ কৰা স্কুল সমূহৰ চাকৰী সংক্ৰান্তত এটা সেৱা নীতি অতি সোনকালে গ্ৰহণ কৰিবলৈ দাবী জনাইছো। অকল সেয়ে নহয়, যদি এই বিষয়ত নিযুক্তি নীতি এটা গ্ৰহণ কৰিব নোৱাৰে, ফলত স্কুলৰ পৰিদৰ্শক সকলে তেওঁলোকৰ নিজৰ ইচ্ছা অনুসৰি যিকোনো মানুহকে বিভিন্ন চাকৰীত নিযুক্তি দি ইয়াত খেলিমেলিৰ সৃষ্টি কৰিছে। সেই বিষয়ে মাননীয় সদস্য বহুতেই উল্লেখ কৰিছে। গতিকে মই কওঁ যে, আজি চৰকাৰীকৰণ স্কুল সমূহত নিযুক্তিৰ নীতি নিৰ্দ্ধাৰণ কৰিব লাগে যদি নীতি নিৰ্দ্ধাৰণ কৰা নহয় তেনেহলে আমাৰ পৰিদৰ্শক সকলক দুৰ্নীতি কৰিবলৈ সুযোগ দিয়া হব। তেওঁলোকে দুৰ্নীতি চলাইয়ে থাকিব। মই এই ক্ষেত্ৰত কওঁ যে আমাৰ যি মাধ্যমিক স্কুল বোৰ্ড আছে সেইটো সম্প্ৰসাৰণ কৰি শিক্ষক নিযুক্তি দিয়াৰ পৰা আৰম্ভ কৰি বিভিন্ন ধৰণৰ বিষয় যদি বোৰ্ডৰ হাতত দিয়া হয় তেনেহলে বহুতো বেমেজালী দূৰ হব। ৰঙা ফিটাৰ মেৰপাকত পৰি বহুতো স্কুলে স্বীকৃতি

পোৱা নাই। এই সকলো ব্যৱস্থা মাধ্যমিক স্কুল বোর্ড সম্প্ৰসাৰণ কৰি ক্ষমতা প্ৰদান কৰিলে অসুবিধা দূৰ হব পাৰে। ইয়াৰ পাচত মই প্ৰাথমিক শিক্ষাৰ বিষয়ে কব খুজিছো। এই শিক্ষা বিষয়তো নানা ধৰণৰ খেলি-মেলি হৈ আছে। প্ৰাথমিক স্কুলৰ নিযুক্তিৰ ক্ষেত্ৰতো মাননীয় সদস্য সকলে উল্লেখ কৰিছে। প্ৰাথমিক স্কুলৰ নিযুক্তিৰ ক্ষেত্ৰতো মহকুমা পৰ্য্যায়ৰ বোৰ্ডত নীতি নিৰ্দ্ধাৰণ কৰা হোৱা নাই। আৰু সেই কাৰণেই কোনো কাম কৰিব পৰা নাই। শিক্ষাৰ ক্ষেত্ৰত কিছুমান অঞ্চল অতি পিচপৰি আছে। বিশেষকৈ তপশীল ভুক্ত সকলৰ ভিতৰত মাত্ৰ শতকৰা ১১ জনহে শিক্ষিত বুলি উল্লেখ কৰিব পাৰি। তাৰ ওপৰি বাগান বিলাকৰ ভিতৰত আমাৰ শিক্ষিত মানুহৰ হাৰ অতি কম। যদি আমি ৪০ লক্ষ্য বনুৱাৰ মাজত শিক্ষাৰ ব্যৱস্থা প্ৰসাৰ কৰিব নোৱাৰো তেনেহলে আমাৰ অসমত কেতিয়াও শিক্ষাৰ হাৰ বাঢ়িব নোৱাৰে। আমাৰ বাগান বিলাকৰ শিক্ষাৰ ক্ষেত্ৰত মালিক সকলৰ ওপৰত এৰি দিয়াৰ কাৰণেই শিক্ষা প্ৰচাৰ হোৱা নাই। আমি যদি শিক্ষা প্ৰসাৰ কৰিব খোজো তেনেহলে বাগান বিলাকতো শিক্ষা প্ৰসাৰ কৰা ক্ষেত্ৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিব লাগিব। বাগানত থকা প্ৰাথমিক বিদ্যালয় বিলাক চৰকাৰে নিজৰ হাতলৈ আনিব লাগিব।

চৰকাৰে এই বাগানত থকা সকলো বিলাক স্কুল বা বিদ্যালয় চৰকাৰৰ হাতলৈ আনি ভেয়ামত বা অন্যান্য ঠাইত থকা বিদ্যালয় বিলাকৰ সমপৰ্য্যাত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। তেনে কৰিলেহে আমাৰ শিক্ষাৰ প্ৰসাৰতা বাঢ়িব।

অধ্যক্ষ মহোদয়, যোৱা অধিবেশনত আমাৰ উৰন্ত সহায়ত প্ৰশিক্ষণ লোৱাৰ কথা মাননীয় সদস্য শ্ৰীঅতুল গোস্বামী ডাঙৰীয়াই প্ৰশ্ন তুলিছিল। এই বিষয়ত যোৱা বছৰ ডেৰ লাখ টকা ধাৰ্য্য কৰা হৈছিল আৰু এই বছৰ ২ লাখ ৩০ হেজাৰ টকা ধাৰ্য্য কৰা হৈছে। আমি জনাত

বাহিৰৰ লোককহে এই ক্লাবত বেছি সুবিধা দিয়া হয়। সেই কাৰণে মই কব বিচাৰিছো যে আমাৰ স্থানীয় লোকে আকাশী যান চলাবলৈ সুবিধা পাইছে নে নাই মই নাজানো, কিন্তু এই বিষয়ে মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় উত্তৰত কব। আমাৰ ফালৰ পৰা প্ৰশিক্ষণ দিয়াৰ ক্ষেত্ৰত ইমান টকা খৰচ কৰি যদি আমাৰ মানুহে বিভিন্ন কমাৰচিয়েল ফাৰ্মত সুবিধা পোৱা নাই তেতিয়াহলে তেনে ধৰণৰ প্ৰশিক্ষণৰ খৰচ কমাই দি দেশৰ শিক্ষাৰ প্ৰসাৰতাৰ বাবে অন্য শিতানত খৰচ কৰাৰ ব্যৱস্থা কৰিব লাগে।

তাৰ পাছত ক্ৰীড়া প্ৰতিযোগীতাৰ কাৰণে বা খেল-ধেমালীৰ উৎকৰ্ষ সাধনৰ কাৰণে আমাৰ চৰকাৰৰ ফালৰ পৰা বিভিন্ন ঠাইত ক্ৰীড়া বোৰ্ড গঠন কৰি দিছে। কিন্তু দেখা গৈছে যে এই বিলাকত অজস্ৰ টকা-পইচা অপচয় হৈছে। স্পৰ্টচৰ আঁচনি মতে কোনো কাম নকৰে বুলি অভিযোগ আহিছে। সেই কাৰণে মই কব বিচাৰিছো যে আমি আমাৰ দেশৰ শিক্ষা প্ৰচাৰ বা শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি কৰাত যিমান টকা খৰচ কৰিব লাগি-ছিল সিমান টকা খৰচ কৰিব পৰা নাই। তেনেস্থলত আনুসঙ্গিক যিবিলাক বিষয়ত আমি টকা খৰচ নকৰিলেও হয় সেই বিলাকত ইমান টকা খৰচ নকৰি শিক্ষা প্ৰসাৰৰ কাৰণে বেছি টকা খৰচ কৰিব লাগে। সেই ধৰণে আমাৰ নানা বিষয়ৰ বাবে বহুতো টকা ধৰা আছে। যিবিলাক বিষয়ত অযথা টকা ধৰা আছে সেইবিলাকৰ কিছুমান বিষয় ১০-১৫ লাখ টকাৰে কম কৰিব পাৰি। সেইদৰে যোগ-বিয়োগ কৰি বাহি টকাৰে শিক্ষা প্ৰসাৰৰ ক্ষেত্ৰত খৰৰ কৰিব লাগে। সেই কাৰণে মই ভাবো যিখিনি বিষয়ত এতিয়াই খৰচ নকৰিলেও হয় আৰু যিবিলাকৰ বিষয়ে এতিয়া খৰচ কৰি আমাৰ কোনো লাভ হোৱা নাই, তেনে বিষয়ত টকা খৰচ নকৰি যি বিষয়ত খৰচ কৰিলে আমাৰ শিক্ষাৰ প্ৰসাৰতা বৃদ্ধি হয় তেনে ধৰণৰ ব্যৱস্থা চৰকাৰে কৰিব লাগে।

ইয়াৰ পিচত প্ৰশাসনীয় ক্ষেত্ৰত আমাৰ মাননীয় সদস্য সকলেই কৈছে যে শিক্ষা প্ৰশাসনত দূৰ্নীতিয়ে শিপাই পৰিছে যাৰ কাৰণে কিছুমান স্কুলে কোনো স্বীকৃতি নাপাই বছৰৰ পিচত বছৰ ধৰি পৰি থাকিব লাগে। দিছপুৰৰ কাহিলীপাৰাত শিক্ষা বিভাগৰ কাৰ্য্যালয় আছে আৰু অসমৰ প্ৰত্যেক জিলাত তাৰ শাখা অফিচ আছে। কিন্তু তেওঁলোকৰ প্ৰতিজন লোকেই দূৰ্নীতি পৰায়ণ বুলি আমি শুনিবলৈ পাইছো। টকা নিদিলে বোলে কোনো এখন স্কুল স্বীকৃতি নাপায়। এনেকুৱা উদাহৰণ বহুত আছে। স্কুল পৰিদৰ্শক সকলেও গাড়ীৰ ভাৰা নিদিলে স্কুল পৰিদৰ্শন নকৰে। মোৰ সমষ্টিত তেনেকুৱা এটা ঘটনা ঘটিছে। প্ৰত্যেক ঠাইতে তেনে ধৰণৰ দূৰ্নীতি চলি অহা বুলি অভিযোগ আছে।

স্কুল পৰিদৰ্শন কৰা পৰিদৰ্শকৰ পূৰ্ণ দায়িত্ব। কিন্তু সেই চৰকাৰী দায়িত্ব তেওঁলোকে পালন কৰা নাই। যদি স্কুল চাবলৈ যাব লগীয়া হয় তেতিয়াহলে স্কুলৰ হেড মাষ্টৰে পইচা দিব লাগে। সেইকাৰণে আজি বহু বছৰ ধৰি বহুতো স্কুলে কোনো স্বীকৃতি পোৱা নাই। স্বীকৃতিৰ কাৰণে মোৰ সমষ্টিৰ পৰা কেইবাজনো লোক আহিছে। আজি দুবছৰ ধৰি তেওঁলোকৰ স্কুল বিলাক স্বীকৃতি দিয়া নাই। অলপতে ডি, পি, আই'ক লগ ধৰিছিল আৰু তেখেতে কৈছে যে এতিয়া বিধান সভা চলি আছে গতিকে এতিয়া কাম নহব। আপোনালোকে বিধান সভা বন্ধ হোৱাৰ পিচত আহিব। সেই কাৰণে মই মাননীয় মন্ত্ৰী ডাঙৰীয়াক চকু দিবলৈ অনুৰোধ জনাইছো আৰু অলপ ভালদৰে চকু দিলে সেই দূৰ্নীতি বিলাক সহজতে আতৰ কৰিব পাৰি। সেইবিলাক খেলিমেলি যদি নিকা কৰিব নোৱাৰে তেতিয়াহলে আমাৰ শিক্ষা বিষয়ত যিটো বাধা আছে সেইটো কোনো কালে দূৰ কৰিব পৰা নাযাব। ইমানকে কৈ মোৰ বক্তব্য সামৰিলোঁ।

মাননীয় অধ্যক্ষ :— এতিয়া কৰ্ত্তন প্ৰস্তাৱৰ কাৰণে সময়ৰ কথা

আহিছে। কিমান সময় আপোনালোকে লব ?

শ্ৰীপ্ৰেমধৰ বৰা :— কৰ্ত্তন প্ৰস্তাৱৰ কাৰণে কেইজন মেম্বাৰ আছে ?

মাননীয় অধ্যক্ষ :— প্ৰায় ১২-১৪ জন মেম্বাৰ আছে।

শ্ৰীপ্ৰেমধৰ বৰা :— তেতিয়াহলে কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা কেইজনক অগ্ৰাধিকাৰ দিব লাগে।

মাননীয় অধ্যক্ষ :— প্ৰত্যেক দলৰ পৰা কৰ্ত্তন প্ৰস্তাৱত দুজনকৈ মেম্বাৰে কবলৈ সুবিধা পাব। সেইকাৰণে কৰ্ত্তন প্ৰস্তাৱ কেইটা বজালৈ চলিব ?

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— ছাৰ, সকলোকে অলপ অলপ কবলৈ দিলে ভাল হয়।

মাননীয় অধ্যক্ষ :— তেতিয়াহলে মন্ত্ৰী ডাঙৰীয়াই পিচবেলা আঢ় বজাত উত্তৰ দিব। গতিকে ১২'৩০ বজালৈকে প্ৰতিজন মেম্বাৰে ৫ মিনিট কব পাৰিব।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— ছাৰ, কৰ্ত্তন প্ৰস্তাৱ দিয়া হয় বিৰোধী পক্ষৰ পৰা। কাজেই বিৰোধী দলক কবলৈ অধিক সুবিধা দিব লাগে।

শ্ৰীভুবনেশ্বৰ বৰ্ম্মণ :— কৰ্ত্তন প্ৰস্তাৱ বিৰোধী দলৰ পৰাহে দিয়াৰ নিয়ম আছে। তথাপিও কৰ্ত্তন প্ৰস্তাৱত অংশ গ্ৰহণ কৰিবলৈ কেৱল বিৰোধী পক্ষৰেই নহয় চৰকাৰী পক্ষৰো অধিকাৰ আছে।

মাননীয় অধ্যক্ষ :— এতিয়া তিনিজন জনতা পাৰ্টিৰ পৰা আহক।

শ্ৰীপ্ৰেমধৰ বৰা :— ছাৰ, আমাৰ ফালৰ পৰা শ্ৰীচহৰীয়াই কব।

* শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ঃ— মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰথমতে এই কৰ্ত্তন প্ৰস্তাৱ সম্পৰ্কে আমাৰ শিক্ষামন্ত্ৰী দেৱৰ দৃষ্টি আকৰ্ষণ কৰিছো। শিক্ষা বিষয়ত মই কব বিচাৰিছো যে জনতা চৰকাৰৰ পক্ষৰ পৰাও শিক্ষা বিভাগত বহুতো খেলিমেলি হোৱা বুলি এই গোটেই দীঘলীয়া বক্তৃতাত শুনিবলৈ পাইছো। শিক্ষা বিভাগৰ প্ৰতি আজি হতাশ ভাৱ হোৱাৰ সম্ভাৱনা হৈছে। মই নিজেও ইমান হতাশাবাদী নাছিলো। আজি এই শিক্ষা বিভাগৰ কাৰণে ৭০ কোটি টকাৰো অধিক টকা ধৰা হৈছে। সাধাৰণতে আগতে এই বিভাগত ১ কোটিৰ বেছি টকাহে খৰচ কৰিছিল।

অৱশ্যে যি বিভাগত আজি অধিক বেছি টকা খৰচ কৰিব লগীয়া হৈছে সেই বিভাগত অলপ খেলিমেলি বা অলপ ইফাল সিফাল হোৱাটো অতি স্বাভাৱিক। বিশেষকৈ আমাৰ কাহিনী পাৰাত যিটো ডি, পি, আই, অফিচ আছে তাৰ কথা বহুতো মাননীয় সদস্যই কৈ গৈছে। সেই সম্পৰ্কে মই কব বিচাৰিছো যে যিবিলাক খেলিমেলিৰ কথা মাননীয় সদস্য সকলে উনুকিয়াই গল সেই বিলাকৰ ভিতৰত প্ৰধান কাৰণ হল আজি ৩১ বছৰৰ আগতে তাত যিমান কৰ্ম্মচাৰী আছিল আজিও সিমানেই আছে। এলিমেন্টৰী ষ্টেট বোৰ্ড আগতে যিমান আছিল এতিয়াও সিমানেই আছে আৰু আগতে যিমান কৰ্ম্মচাৰী আছিল এতিয়াও সিমানেই আছে প্ৰায় ১ লাখ নে ৯০ হেজাৰ চৰকাৰী কৰ্ম্মচাৰী আছে। কিন্তু কৰ্ম্মচাৰীৰ সংখ্যা বঢ়াবৰ কাৰণে আমাৰ শিক্ষা বিভাগে কৰ্ম্মচাৰী সকলক সুচাৰুৰূপে কাম কাজ কৰাবলৈ বা তেওঁলোকক তদাৰক কৰিবলৈ যিমান কৰ্ম্মচাৰী নিয়োগ হব লাগিছিল সিমান হোৱা নাই। যাৰ ফলত এই বিভাগত ইমান খেলিমেলিৰ সৃষ্টি হৈছে।

বিশেষকৈ মই শিক্ষামন্ত্ৰীক কওঁ যে আমাৰ কলেজ আছে ডেৰ-

* Speech not corrected

শৰো বেছি, হাইস্কুল ২ হেজাৰৰো অধিক, এম, ই আৰু এম, ভি প্ৰায় ৩ হেজাৰ আৰু এল, পি স্কুল ২০ হেজাৰৰো অধিক আছে। ইমান শকত ধন ৭০ কোটি টকাৰ দায়িত্ব লৈ ইমান বিলাক স্কুল কলেজৰ সমস্যা সমাধান কৰাটো এজন শিক্ষামন্ত্ৰীৰ কাৰণে সম্ভৱপৰ নহয়। সেই কাৰণে মই আমাৰ মুখ্যমন্ত্ৰী আৰু শিক্ষামন্ত্ৰীক এই কথাটো গভীৰ ভাবে পুনৰ চিন্তা কৰিবলৈ অনুৰোধ জনালোঁ।

আমি আজি দেখিছো আমাৰ ৰাজ্যখনত মাত্ৰ এজন শিক্ষা মন্ত্ৰী আছে। আজি দি, পি আই ডাইৰেক্টৰ অব এলিমেন্টৰী এদুকেশ্যন আদিৰ মাজত যিদৰে কাক ভগাই লোৱা হৈছে মই ভাবো আমাৰ মন্ত্ৰী সকলৰ মাজতো কাম ভগাই লোৱাৰ ব্যৱস্থা কৰিলে ভাল হয়। গতিকে এই বিষয়ে এটা সুবিচাৰ কৰিলে ভাল হয়। তাৰোপৰি আমাৰ স্বাস্থ্যমন্ত্ৰী মহোদয়ে এই বয়সত এই সকলো পিনে লক্ষ্য কৰাত যথেষ্ট প্ৰেচাৰ পৰে। গতিকে তেখেতে ঠিকমতে কাম কৰিব পাৰিবনে নাই তাত মোৰ সন্দেহ হয়।

(আপুনি আৰু এজন মন্ত্ৰী লোৱাৰ কথা কৈছে নেকি ?)

অৱশ্যে মই ভাবো যে প্ৰয়োজন হলে আৰু এজন মন্ত্ৰী লোৱাই ভাল। গতিকে আমাৰ স্কুলৰ যি প্ৰভিনচিয়েলাইজ এক্ট আছে সেইখন সোনকালে এমেন্দ কৰিব লাগে। আৰু আমাৰ প্ৰাথমিক শিক্ষাৰ দায়ীত্ব ৰাইজৰ হাতত গতাই দিব লাগিব। এতিয়া আমাৰ জিলা বিলাকত এজন পৰিদৰ্শক আৰু মহকুমা বিলাকত এজন উপ-পৰিদৰ্শক থাকে। কিন্তু এই সকলৰ সময়মতে স্কুল পৰিদৰ্শন কৰিবৰ কাৰণে গাড়ীৰ কোনো সুবিধা নাই। আৰু মই জনাত এওঁলোকৰ কাৰো নিজৰ বা অফিচৰ গাড়ী নাই। মোৰ নিজৰ মঙ্গলদৈ মহকুমাতে গাড়ীৰ অভাৱত এচ, আই সকলে সময়মতে স্কুল পৰিদৰ্শন কৰিব নোৱাৰে। আনহাতে পি, ডব্লিউ, ডি বিভাগত দেখা যায় যে, চাৰ ডিভিজনে প্ৰতি ৪-৫ খন গাড়ী দিয়া হয়।

আজি এচ, দি, অ আৰু চুপাৰেনটিং ইঞ্জিনিয়াৰ আদিয়ে নিজ কাম চলা-বলৈ গাড়ী পায়। আনহাতে মহকুমাৰ ভিতৰত যিজন অফিচাৰৰ তলত ইমান বিলাক কৰ্ম্মচাৰীয়ে কাম কৰে তেওঁৰ তলত এখন গাড়ী নাই কাম বিলাক পৰিদৰ্শন কৰিবৰ কাৰণে। এজন শিক্ষকে দুই মাহ স্কুলত কাম কৰা নাই বুলি যদি কোনোবাই আপত্তি কৰে তেনেহলে সেই-টোৰ সত্যতা চাবলৈও বা ৰিপৰ্ট আদি আনিবলৈও পৰিদৰ্শকে সোনকালে তালৈ যাব নোৱাৰে। আনহাতে দেপুটি ইন্সপেক্টৰে কোনো স্কুল পৰিদৰ্শন কৰিব নোৱাৰে। কেন্দ্ৰৰ স্কুলৰ মিটিঙত তেওঁলোকক বক্তৃতা দিবলৈ মাতে। আৰু তেওঁ কেন্দ্ৰৰ মিটিঙত বাধ্য হৈ উপস্থিত থাকে। বছেৰেকীয়া মিটিঙত শিক্ষক সকলক লগ পায়। জিলা পৰিদৰ্শক বিলাকে প্ৰাইমেৰী স্কুল পৰিদৰ্শন কৰিবলৈ সময় নাপায় জিলাত ইমান বিলাক প্ৰাইমেৰী স্কুল আছে তাৰ মানদণ্ড উন্নত কৰিবলৈ সময় নাপায়। এইদৰে পৰি-দৰ্শনৰ ফলতো একেবাৰে শূন্য হৈছে। শিক্ষাৰ মানদণ্ড দিনে দিনে বেয়াৰ ফালে গৈছে। এই সমস্যাৰ আশু সমাধান নকৰিলে আমি শিক্ষাৰ ক্ষেত্ৰত কেতিয়াও সফল হব নোৱাৰো। এতিয়া আমাৰ চোৱাত আজিকালি যিবি-লাক নতুন কৰ্চ দিছে তাৰো বৰ বেছি উন্নতি হোৱা নাই। আনহাতে আমি গাওঁ অঞ্চল বিলাকত ২-৪ খন স্কুল পাতো আৰু ৭-৮ জন কৰি শিক্ষক নিযুক্তি দিওঁ। সেই দৰমহা নোহোৱা প্ৰাইভেট স্কুল বিলাকত চোকা লৰা বা ভালধৰণে পাচ কৰা শিক্ষক শিক্ষয়িত্ৰী কাম কৰিবলৈ নাহে। কথমপি বি, এ, বি, এচ, চি পাচ কৰা বা ফেইল কৰা লৰা ছোৱালী বিলাকে এই স্কুল বিলাকত নিযুক্তি পায়। কিছু বছৰ যোৱাৰ পিচত এই স্কুল বিলাক দেফিচিট হয় আৰু অৰ্হতা সম্পন্ন শিক্ষক তেতিয়া দিবলৈ চেষ্টা কৰা হয়।

অধ্যক্ষ মহোদয়, শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ হলে স্কুল বিলা-কত অৰ্হতা সম্পন্ন শিক্ষক নিযুক্তি দিব লাগিব। আজি ১০০ বা ১৫০ টকা দৰমহা দিয়া শিক্ষক ৰখাৰ বাবেই আজি শিক্ষাৰ মানদণ্ড উন্নত

হোৱা নাই। গতিকে ভাল শিক্ষক নিযুক্তি দিয়াৰ বাবে চিন্তা কৰিব লাগে। গতিকে মই আজি আমাৰ শিক্ষা মন্ত্ৰীক অনুৰোধ কৰো যেন আমাৰ স্কুল বিলাকৰ পেৰাত আমাৰ ২-৩ জন মান সদস্য দিয়াৰ ব্যৱস্থা কৰিব লাগে। ১৯৭৫ চনত যিবিলাক স্কুল প্ৰভিনচিয়েলাইজ কৰিলে সেই বিলাক স্কুলতে বৰ্ডৰ তলত লৰা ছোৱালীক বৃত্তি দিয়াৰ নিয়ম আছে। কিন্তু অতি দুখৰ কথা যে, আজিলৈকে সেই লৰা ছোৱালী বিলাকে বৃত্তিৰ টকা পোৱা নাই। আনহাতে যি সকল টিচাৰৰ এ, আই, চি আছিল সেই সকলৰ ইমাৰজেন্সিৰ সময়ত দি, আইয়ে টকা জমা নিদিয়া কাৰণে তেওঁলোকৰ পলিচি বিলাক লেপচ হৈছে। ইয়াৰো এটা সু-ব্যৱস্থা অতি সোনকালে কৰিব লাগে। মই মোৰ সমিতিৰ ঘৰৰ কাৰণে এচটিমেট দিছিলো কিন্তু ঘৰৰ কাৰণে টকা পইচা নাপালো। টকা নাই বুলি কলে। গতিকে এচটিমেট দিলে মাৰ্চ মাহৰ আগতে টকা চেংচন দিব লাগে। তাৰ বাবে সুব্যৱস্থা কৰিব লাগে।

অধ্যক্ষ মহোদয় এইখিনিতে মই আৰু এটা কথা কবলৈ বিচাৰিছো যে, আমাৰ প্ৰকাশন পৰিষদৰ সম্পৰ্কে যথেষ্ট আলোচনা হৈছে। প্ৰকাশন পৰিষদৰ ঘৰটোৰ লগতে আৰু কেইবাটাও ঘৰ সজাইছিল এই প্ৰতিটোৰে খৰচ কিমান পৰিল তাৰ খৰচৰ এটা হিচাব দিলে বুজিবলৈ ভাল হব। যথেষ্ট পৰিমাণৰ টকা খৰচ কৰা হৈছে। অৱশ্যে আমাৰ এই প্ৰকাশন পৰিষদে এতিয়ালৈকে বহুতো ভাল ভাল কিতাপেই পাবলিচ কৰিছে।

অসমীয়া সাহিত্যৰ বহুতো ভাল কিতাপ প্ৰকাশন পৰিষদৰ জৰিয়তে প্ৰকাশ কৰা হল। আৰু এটা কথা এই যে ১৯৭৫-৭৬ চনতে আমাৰ ৩০ খন কলেজ ডেফিছিট কৰা হৈছিল সেই কলেজ বিলাকত অকল পাছ কৰ্চৰহে ব্যৱস্থা আছে অনাৰ্চ কোৰ্চৰ কোনো ব্যৱস্থা নাই।

অনাৰ্চৰ ব্যৱস্থা নথকাৰ কাৰণে আমাৰ গাওঁ অঞ্চলৰ যিবিলাক কলেজ আছে তেওঁলোকে এম এ পঢ়াৰ সুবিধা নাপায়। আৰু এইটোৱে তেওঁলোকৰ এটা ডাঙৰ হেঙাৰ স্বৰূপ হৈ পৰিছে। এই ক্ষেত্ৰত আমাৰ যি বিলাক ডাঙৰ ডাঙৰ চহৰ যত কলেজ আগতেই প্ৰতিস্থা হৈছে। তেওঁলোকে অনাৰ্চৰ সুবিধা পাইছে। আমি যি সকলে পিচপৰা অঞ্চলত পাছত কলেজ খুলিছোঁ তাত অনাৰ্চ খোলাৰ সুবিধা পোৱা নাই যাৰ ফলত আমাৰ লৰাছোৱালীয়ে এম এ পঢ়াৰ পৰা বঞ্চিত হৈ আছে। মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছোঁ যাতে তেখেতে এই পিচপৰা অঞ্চলৰ কলেজ বিলাকত অনাৰ্চ খোলাৰ ব্যৱস্থা কৰি দিয়ে আৰু লগে লগে তাৰ কাৰণে বিত্তীয় অনুদান দিয়ে। আমি অৱশ্যে তেখেতক ধন্যবাদ দিছোঁ কাৰণ তেখেতে কলেজ শিক্ষক সকলক বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ হাৰত দৰমহা দিয়াৰ ব্যৱস্থা কৰিব পাৰিছে। তেওঁলোকৰ অৱস্থা এতিয়া ভাল হৈছে। তাৰ দ্বাৰা ছাত্ৰ ছাত্ৰী সকলৰো নিশ্চয় কিবা উপকাৰ হব। গতিকে কলেজীয়া শিক্ষাৰ মানদণ্ড যাতে উন্নত হয় তাৰ কাৰণে শিক্ষামন্ত্ৰীৰ দৃষ্টি আকৰ্ষন কৰি মোৰ বক্তব্যৰ সামৰণী মাৰিলোঁ।

* শ্ৰীমোজাম্মিল আলি চৌধুৰী :— অধ্যক্ষ মহোদয়, মই শিক্ষাৰ শিতানত কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই দুই এটা কথা কব বিচাৰিছোঁ। আমাৰ শিক্ষাৰ যিটো মৌলিক বিষয় সেই মৌলিক বিষয়টো পৰিবৰ্ত্তনৰ বিষয়ে কওঁ। আমাৰ শিক্ষা, সাধাৰণতে উচ্চ শিক্ষা ইংৰাজী মাধ্যমত দিয়া হয়। কিন্তু আমাৰ মাতৃভাষা ইংৰাজী নহয়। ভাৰতবৰ্ষৰ কোনো এখন ৰাজ্যৰে মাতৃভাষা ইংৰাজী নহয়। বৰ আচৰিত কথা বৃটিশ গুচি যোৱাৰ ৩২ বছৰ পিচতো আমাৰ দেশৰ পৰা ইংৰাজী ভাষাক বিতাৰিত কৰিব পৰা নাই। বৃটিশৰ সাম্ৰাজ্যবাদী স্বাৰ্থৰ কাৰণেই দেশত

* Speech not corrected

ইংৰাজী ভাষা প্ৰচাৰ কৰিছিল। আৰু এই ভাষাই এতিয়াও শিক্ষাৰ মাধ্যম হিচাপে আমাৰ দেশত বিয়পি আছে। শিক্ষা যদি মাতৃভাষাৰ জৰিয়তে দিয়া নহয় তেনেহলে কোনো জাতিয়েই উন্নতি কৰিব নোৱাৰে। মই স্বীকাৰ কৰোঁ ইংৰাজী ভাষা এটা অতি অত্যন্ত চহকী ভাষা। কিন্তু যদি মাতৃভাষাৰ জৰিয়তে শিক্ষাদান কৰা নহয় আৰু নিজৰ মাতৃভাষা চহকী কৰাৰ প্ৰচেষ্টা কৰা নহয় তেনেহলে এটা জাতিয়ে কোনো ক্ষেত্ৰতে উন্নতি কৰাটো সম্ভৱপৰ হব নোৱাৰে। আজি যিবিলাক উন্নত দেশ আছে, যিবিলাক দেশত বিজ্ঞান, টেকনলজী আদি বিভিন্ন বিষয়ত উন্নত হৈছে সেই বিলাক দেশত মাতৃভাষাৰ জৰিয়তে শিক্ষাদান ব্যৱস্থা আছে। আজি যেনে আমেৰিকা, ৰাছিয়া, জাপান আদি দেশ বিলাকত মাতৃভাষাৰ জৰিয়তে শিক্ষা দান কৰা হয়। আৰু মাতৃভাষাৰ যোগেদি বিজ্ঞান শিক্ষা আৰু গৱেষনা আদি কৰা হয়। উদাহৰণ স্বৰূপে, অধ্যক্ষ মহোদয়, আপুনি বুজি পাব আপুনি নিজেও এজন বিশ্ববিদ্যালয়ৰ ডিগ্ৰী-ধাৰী এজন শিক্ষিত লোক ইউৰোপত ডেনমাৰ্ক বুলি এখন সৰু দেশ আছে। এসময়ত ইংৰাজী ভাষা চহকী বুলি শিক্ষাৰ মাধ্যম ইংৰাজীৰ জৰিয়তে দিয়া হৈছিল। কিন্তু সেইখন দেশৰ মাতৃভাষা ইংৰাজী নহয়। ডেন ভাষাহে। অৱশেষত দেখা গল শিক্ষাৰ মানদণ্ড কমিহে গৈছে। বিদেশী ভাষাৰ জৰিয়তে যিমান শিক্ষাৰ উন্নতি হব লাগিছিল, জ্ঞান-বিজ্ঞানৰ যি উন্নতি হব লাগিছিল সেয়া হোৱা নাই। পিচত ইংৰাজী ভাষা পৰিহাৰ কৰি নিজৰ মাতৃভাষাৰ জৰিয়তে শিক্ষাৰ ব্যৱস্থা কৰা হল। আজি ভাৰতবৰ্ষৰ নিচিনা ইমান এখন বিৰাট দেশ যিখন দেশত অতি-জতে শিক্ষাৰ আৰু জ্ঞান-বিজ্ঞানৰ প্ৰসাৰ হৈছিল খৃঃ ৩০০০ পূৰ্বেই যিখন দেশত মনীষি সকলে দাৰ্শনিক তত্ব আৱিস্কাৰ কৰিছিল, বৈজ্ঞানিক তত্ব আবিস্কাৰ কৰিছিল আৰু আয়ুৰ্বেদিক ৰিচাৰ্চ কৰিছিল সেইখন দেশৰ শিক্ষাৰ মান এনেয়ে উন্নত। কিন্তু আজি অসমৰ ২৮ জনহে শিক্ষিত।

বাকী ৭২ ভাগ অশিক্ষিত। গতিকে এইখন দেশত বৃটিচ গুচি যোৱাৰ ৩২ বছৰ পিচতো ৭২ জন মানুহক অশিক্ষিত অৱস্থাত ৰখা হৈছে। আমাৰ পিচত স্বাধীনতা পোৱা চীন দেশ, সেইখন দেশত মাতৃভাষাৰ জৰিয়তে শিক্ষা দিয়া হয় আৰু আজি চীন দেশৰ শতকৰা ৯৮ জনেই শিক্ষিত আৰু এইখন দেশ বিভিন্ন বিষয়ত উন্নত হৈছে। এইখন দেশত মাতৃভাষাৰ জৰিয়তে শিক্ষা প্ৰদান কৰা হয়। গতিকে আমাৰ শিক্ষাৰ মৌলিক নীতি পৰিবৰ্ত্তণ কৰি আমাৰ যদি শিক্ষাদান মাতৃভাষাৰ জৰিয়তে কৰা নহয়, গাওঁৰ লৰা-ছোৱালী বিলাকক মাতৃভাষাৰ জৰিয়তে শিক্ষা নিদিয়ে তেতিয়াহলে আমাৰ প্ৰকৃত যি জ্ঞান সেই জ্ঞান পোৱা নহব। আমি এই সকলক উচ্চ শিক্ষা দি কনভেণ্টত পঢ়াইছো আৰু মাতৃভাষাৰ জৰিয়তে গাৱলীয়া লোক সকলক পঢ়াই গাৰতে ৰাখি ভেদা ভেদ সৃষ্টি কৰিছো। গতিকে যদি মাতৃভাষাৰ জৰিয়তে শিক্ষাদান কৰা হয় তেনেহলে আমাৰ শিক্ষাৰ মান উন্নত হব। আজি আমি বিদেশী ভাষা শিকোতে ১০-১৫-২০ বছৰ পৰ্য্যন্ত জীৱনৰ বহুমূলীয়া সময় অতিবাহিত কৰি পেলাইছো আৰু পিচত বিভিন্ন বিষয়ত জ্ঞান আহৰণ কৰাতো দুৰূহ হৈ পৰে।

(সময়ৰ সংকেত)

গতিকে মই এই পৰামৰ্শ আগবঢ়াইছো যাতে মাতৃভাষাৰ জৰিয়তে জ্ঞান-বিজ্ঞানৰ বিভিন্ন ভাষাৰ কিতাপ বিলাক অনুবাদ কৰি শিক্ষাদানৰ ব্যৱস্থা কৰা হয়। এই পৰামৰ্শ আগবঢ়াই মই মোৰ বক্তব্যৰ সামৰণি মাৰিম। দ্বিতীয়তে মই আৰু এটা পৰামৰ্শ আগবঢ়াইছো যে অসমত আয়ুৰ্বেদিক কলেজ আছে, এলোপেথিক কলেজ আছে আৰু বিভিন্ন চিকিৎসাৰ কলেজ আছে। কিন্তু এখনো ইউনানি কলেজ স্থাপন কৰা হোৱা নাই। ইউনানি কলেজৰ জৰিয়তে চিকিৎসা বিজ্ঞানৰ শিক্ষা দিয়া

ব্যৱস্থা অন্য ৰাজ্যত আছে। কিন্তু অসমত নাই। গতিকে অসমত যাতে এখন হলেও ইউনানি কলেজ স্থাপন কৰাৰ ব্যৱস্থা কৰে তাৰ পৰামৰ্শ আগবঢ়াই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

* শ্ৰীখগেন বৰবৰুৱা :— অধ্যক্ষ মহোদয়, শিক্ষাৰ অৰ্থই হৈছে আমাৰ আগৰ পূৰ্ব্বপুৰুষ লোকৰ ভিতৰত যি সকলে এই পৃথিৱীৰ বিভিন্ন ক্ষেত্ৰত অভিজ্ঞতা অৰ্জন কৰিছিল আৰু বৰ্ত্তমান যুগতো আমাৰ লোক সকলৰ যিবিলাকে অভিজ্ঞতা অৰ্জন কৰিছে সেই অভিজ্ঞতা বেগাবেগীকৈ লৰা-ছোৱালীৰ মাজলৈ পৌছাই দিয়া। এই বিষয় বিলাক কিতাপ সমূহৰ মূল দৃষ্টান্তৰ কথাত পোৱা যায়। মনীষী সকলে শিক্ষাৰ সাগৰ মন্থন কৰা এই বিষয় বিলাক কিতাপত সংশ্লিষ্ট কৰি ৰাখিছে।

শিক্ষাৰ বিষয়ত আজি পাৰ্টিৰ যুগ আহিছে। সমাজ কোন ফালে যাব সেইটো নিৰ্ণয় কৰিছে পাৰ্টিয়ে। বৰ্ত্তমান শাসনত যি পাৰ্টি অধিস্থিত সেই পাৰ্টিয়ে সমাজখন কোন ফালে নিব সেইফালে পাঠ্যপুথিক ঠেলি দিব লাগে। চৰকাৰে ঘোষণা কৰিছে যে সমাজতান্ত্ৰিক সমাজৰ ফালে আগবঢ়াই লৈ যাব। এইটো কৃষিৰ ক্ষেত্ৰৰ যোগেদি সম্ভৱ হব। যদি সেইটোৱে হয় তেনেহলে আগৰ পাঠ্যপুথিৰ নিশ্চয় পৰিবৰ্ত্তণ কৰিব লাগিব। জনতা চৰকাৰে তুৰন্তে ইয়াৰ ব্যৱস্থা কৰা প্ৰয়োজন। আমাৰ লৰা-ছোৱালী বিলাকক খেলি-মেলি অৱস্থাত পেলাই দিয়াতো উচিত হোৱা নাই। কমিউনিষ্ট সমাজ ব্যৱস্থাৰ বাহিৰে সমাজবাদ অনা কোনোবাই প্ৰতিস্থা কৰিব খোজা কথাষাৰ পৰিস্কাৰ হব পৰা নাই। গতিকে তাৰ প্ৰসাৰৰ কাৰণে কিতাপ-পত্ৰ, পাঠ্য পুথি সেই অনুপাতে কৰা উচিত। শিক্ষক আৰু ছাত্ৰৰ অনুপাতটো ঠিক হোৱা নাই। নালন্দা বিশ্ববিদ্যাল-

* Speech not corrected

য়ত লৰা-ছোৱালী আছিল মাত্র ১০ হাজাৰ আৰু শিক্ষক আছিল ডেৰ হাজাৰ। গতিকে শিক্ষক আৰু ছাত্রৰ অনুপাত আছিল ১: -৭-৫। কিন্তু আমাৰ পাঠশালা বিলাকত শিক্ষক আৰু ছাত্রৰ ব্যৱধান হল ১: ৪০। এইটো সাংঘাটিক ব্যৱধান। ইয়াৰ দ্বাৰা লৰা-ছোৱালীৰ পঢ়া হোৱা নাই কেৱল খেমালীয়ে কৰা হৈছে। এজন শিক্ষকে ৪০ জন লৰা-ছোৱালী পঢ়াব পাৰে নে? প্রত্যেকজন ছাত্রক ১ মিনিটকৈ পঢ়াবলৈ গলেও ৪০ মিনিট সময় যায়। এই ব্যৱধান তুৰন্তে পৰিবৰ্ত্তণ কৰাৰ প্রয়োজন। উচ্চ শিক্ষা পোৱাৰ লগে লগে চাকৰী পোৱাব ব্যৱস্থা কৰিব লাগে। মই এখন দেশৰ কথা কব খুজিছো যিহেতু মই নিজেও এজন কমিউনিষ্ট মানুহ সেই হেতুকে বদনাম কৰা বুলি ভাবিব পাৰে, ৰাচিয়াত কোনোবা এজনে বি, এ পাছ কৰি যদি ৫ বছৰৰ ভিতৰত চাকৰী নকৰে তেন্তে তেওঁৰ সেই টাইটোল তুলি লৈ যাব অৰ্থাৎ নট গ্রেজুৱেট, নট ডক্তৰ ইত্যাদি হব। কিন্তু আমাৰ দেশত কিমান বিলাক লৰাই পাছ কৰি বহি আছে তেওঁলোকৰ চাকৰী নাই। চাকৰিৰ কাৰণে অনশন কৰিব লগা হৈছে। এইটো সাংঘাটিক বিষয়। স্কুলৰ পৰা লৰাক পাছ কৰি দিয়া হৈছে কিন্তু তেওঁ চাকৰী নাপায়। চাকৰি দিয়ক, চাকৰি দিয়ক বুলি অনশন কৰিব লগা হৈছে। এইটো কম দুখৰ কথা নে? ইয়াৰ কাৰণে তুৰন্তে এটা ব্যৱস্থা হাতত লোৱা দৰকাৰ। আমাৰ দেশত থকা প্রাকৃতিক সম্পদক ভিত্তি কৰি এই অনুস্থান বিলাক গঢ়ি উঠিব লাগে আৰু সেই অনুপাতে উচ্চ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে। আমাৰ দেশত থকা প্রাকৃতিক গেচ আৰু ফাৰটিলাইজাৰৰ দ্বাৰা অনেক বস্তু উলিয়াব পাৰি। আমাৰ প্রাকৃতিক সম্পদ সমূহলৈ লক্ষ্য ৰাখি লৰা-ছোৱালীক বিভিন্ন ক্ষেত্রলৈ পঠিয়াই শিক্ষা আহৰণৰ ক্ষেত্রত পিচপৰি আছে। চীন দেশৰ ১০ হাজাৰ ছাত্রক কমিউনিষ্ট দেশলৈ পঠিওৱা নাই, কেপিটেলিষ্ট দেশলৈ পঠিয়াইছে। গান্ধীবাদী দেশলৈ পঠিয়াইছে। ১০ হাজাৰ ছাত্র-ছাত্রীক বাহিৰলৈ পঠি-

য়াইছে শিক্ষা আহৰণৰ কাৰণে। আমাৰ ইয়াত বিজ্ঞানৰ বিদ্যালয় খুলিছে। কিন্তু তাত কমিটি বিলাকৰ পৰামৰ্শ মতে কাৰিকৰী শিক্ষাৰ ব্যৱস্থা কৰা হোৱা নাই। বিশ্ববিদ্যালয় বিলাকত বহুতো বিষয় খুলিবলৈ বাকী আছে। এই বিষয়ত তুৰন্তে ব্যৱস্থা হাতত লব লাগে আৰু বেচি দিন পিচুওৱা উচিত নহয়। আমাৰ স্কুলৰ সংখ্যা বৃদ্ধি পাইছে। মন্ত্ৰী সভাই ঘোষণা কৰিছে যে স্কুল মাডাৰ আৰু চকিদাৰ দিয়া হব। কিন্তু আজিলৈকে সেইবিলাক ৰক্ষিত হোৱা নাই। স্কুল মাডাৰ মেনেজিং কমিটিয়ে নিয়োগ কৰিছে। কিন্তু পা-পইচাৰ ব্যৱস্থা হোৱা নাই। স্কুল বোৰ্ডৰ চেয়াৰ-মেনক আহি সুধিছে উপায় নাই। স্কুল মাডাৰৰ পদ এতিয়ালৈকে চৰ-কাৰীকৰণ কৰা হোৱা নাই। স্কুলৰ সংখ্যা বৃদ্ধি পাইছে ভাল হৈছে। শিৱসাগৰ মহকুমাতে ১:৩ খন ভেন্সাৰ স্কুল আছে। এজনীয়া শিক্ষকৰ ঠাইত দুজনীয়া কৰিব বুলি যোৱা বছৰেই প্ৰতিশ্ৰুতি দিছিল। ২৬৮ খন এজনীয়া শিক্ষকৰ স্কুল আছে। তাত আকৌ ২৬৮ জন শিক্ষকৰ দৰকাৰ হল। ইতিমধ্যে আমাৰ বেকলগ আছেই। প্ৰশিক্ষণ পাছ কৰা আৰু মেট্ৰিক পাছ কৰা লৰা অসংখ্য আছে। যোৱা বাৰ শিৱসাগৰ মহ-কুমাত প্ৰশিক্ষণ লবলৈ ১০০ জন লৰা পঠিয়াইছিল। এইবাৰ দিছে ৪৫ জন। আকৌ নিবনুৱা চাৰ্কোলৰ ভিতৰত ৫৫ জন সোমাই যাব। স্কুলৰ ক্ষেত্ৰত নিবনুৱা কমোৱাৰ কাৰণে কি ব্যৱস্থা কৰা হৈছে? ১০ বছৰৰ ভিতৰত নিবনুৱা সমস্যা সমাধান কৰিম বুলি ঘোষণা পত্ৰত উল্লেখ কৰি-ছিল। এইদৰে হলে নিবনুৱা সমস্যা কেনেদৰে শেষ হব? আৰু কিমান দিন বাট চোৱা হব? পৃথিবীত মানুহ বাঢ়িছে বছৰেকত ১২ কোটি। আমাৰ ভাৰতত ২ কোটি, অসমত বাঢ়িছে ৫ লাখ। সেই অনুপাতে শিৱসাগৰ মহকুমাতো বাঢ়িছে। আগৰ নিবনুৱাৰ বেকলগ আছিল ১৫ লাখ। এই ১৫ লাখৰ লগত ৫ লাখৰ যদি পুনৰ ব্যৱস্থা কৰা নহয় তেনেহলে নিবনুৱাৰ সংখ্যা বাঢ়িহে যাব। মই সিদিনা কৈছিলো এইটো

অনশন আৰু ঘেৰাওৰ যুগ। ঘেৰাও কৰাৰ যুগ সদায় হৈ নাথাকিব। যুগৰ পৰিবৰ্ত্তন হৈ সেইটো আৰু বেয়ালৈ যাব। গতিকে এইক্ষেত্ৰত গৃহযুদ্ধৰ যুগ আহিছে। আমাৰ কোনো স্কুল ২০ বছৰ পৰ্য্যন্ত পৰিদৰ্শন কৰা হোৱা নাই। কি পঢ়াইছে বা নাই পঢ়োৱা সেইটো বুজা টান। ইন্সপেক্টৰ আৰু ডেপুটি ইন্সপেক্টৰৰ গাত অনেক কামৰ বোজা জাপি দিছে। বিল আদি কৰোতেই সময় গুচি যায়। মোক এজন ইন্সপেক্টৰে কৈছিল শিৱসাগৰ, যোৰহাট, লক্ষীমপুৰ, ডিব্ৰুগড় আৰু ধেমাজী মহকুমাত ইণ্টাৰভিউ লওতেই ৭৫ দিন গল। গতিকে স্কুল চাবৰ কত সময় থাকিল ? এই স্কুলবিলাক যদি পৰিদৰ্শন নকৰে তেনেহলে পঢ়া-শুনাৰ কোনো উন্নতি নহব।

গতিকে আমাৰ লৰা-ছোৱালীবিলাকক এনেকুৱা অৱস্থালৈ দলিয়াই দিয়া হৈছে যে ভৱিষ্যত অন্ধকাৰ হৈছে, উপায়ৰ বাট নোপোৱা হৈছে। যিবিলাক শিক্ষিত লোকৰ টকা পইচা আছে তেওঁলোকে পাবলিক স্কুল বা মিচনাৰী স্কুল আদিত দিছে, তাতো ঠেলা ঠেলি কৰিছে। আমাৰ শিৱসাগৰ মহকুমাত ভালেকেইখন স্কুল আছে, তাত এক লাখ টকা দিয়া হৈছে, এক হেজাৰকৈ দিলেও তাতেই কেইবালাখো টকা লাগিব। যোৱা-বাৰ যি ধৰণেৰে ধুমুহা আহিল এইবাৰো সেই ধুমুহালৈ আৰু বেছি দিন নাই When wintes comes can spring be far behinal গতিকে ধুমুহা আহিবই। টকা পইচা ক'ত কেনেকৈ দিছে সেই সম্পৰ্কে আমি কনচাৰ্ন নহয়, আগৰ ব্যৱস্থাৰ পৰিবৰ্ত্তন কৰি নতুন নিয়ম কৰিব লাগে। আন এটা কথা হৈছে আমাৰ ইয়াতো ইংৰাজী শিক্ষাৰ মান বঢ়াব লাগে। পৃথিবীৰ চাৰিটা ইণ্টাৰনেচনেল ভাষাৰ জাৰ্মান, ফ্ৰান্স, ৰুচ আৰু ইংৰাজী। আন ভাষাকেইটাৰ দৰে আমি ইংৰাজী ভাষাৰ লগতো যেতিয়া জড়িত সেই কাৰণে ইয়াৰ মান বঢ়াব লাগে। পৃথিবীৰ সকলো ভাষাৰ কিতাপবিলাক তৰ্জমা কৰাৰ ব্যৱস্থা হব লাগে। গতিকে

আমাৰ উচ্চ খাপৰ লৰাবিলাকে ফুৰা চকা কৰিবৰ হলে ইংৰাজী ভাষাটো ভালকৈ জনাৰ প্ৰয়োজন আৰু সমানে সমন্বয় ৰখা দৰকাৰ। এই আশা ৰাখি মই সামৰণি মাৰিছোঁ।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত আমাৰ যিটো বাস্তব অভিজ্ঞতা তাৰ পৰা আমি দেখা পাইছোঁ যে আমাৰ সমাজত শিক্ষাৰ ক্ষেত্ৰত এটা স্থবিৰতা আহি পৰিছে। এই স্থৱিৰতাই আমাৰ সমাজখনক একেবাৰে পঙ্গু কৰি পেলাইছে। কাৰণ আমাৰ সমাজৰ প্ৰত্যেকটো পৰিয়ালত শিক্ষিত অৰ্দ্ধ শিক্ষিত বা মেট্ৰিক পাছ, পি, ইউ, বি, এ, পাছ লৰা-ছোৱালী আমি দেখা পাওঁ। এই সকলে স্কুল কলেজীয়া শিক্ষা সাং কৰি কেৱল চাকৰিৰ কাৰণেহে যোগ্যতা বা অৰ্হতা অৰ্জন কৰিছে। কিন্তু আমাৰ সমাজ বা ৰাজ্য বা দেশখনত যিমান বিলাক শিক্ষিত লোক আছে সেই সকলোকে চাকৰি দিয়াটো সম্ভৱ নহয়: এই পৰিপ্ৰেক্ষিতত আমাৰ এই পৱিত্ৰ সদনত মাননীয় সদস্য সকলে শিক্ষাৰ ক্ষেত্ৰত এটা মৌলিক পৰিবৰ্ত্তন আনিবলৈ আহ্বান জনাইছে। এই পঙ্গুতা যদি গুচাব পৰা নহয় তেন্তে আমাৰ সমাজত এক বিপ্লৱৰ সূচনা হব আৰু এই সকল সেই বিপ্লৱত আগ বাঢ়ি যাবলৈ বাধ্য হব। কাৰণ তেওঁলোকে যি শিক্ষা লাভ কৰিছে সি চাকৰি মুখী শিক্ষাহে। গতিকে চাকৰিৰ কাৰণে আলিবাটত শ্লোগান দি আন্দোলন কৰাৰ বাহিৰে আৰু গত্যন্তৰ নাই। সেই কাৰণে শিক্ষাৰ আৰম্ভণীৰে পৰা আমাৰ লৰা-ছোৱালীবোৰক কাৰিকৰী দিশত আগ্ৰহী কৰি তোলা দৰকাৰ। কিন্তু আমি দেখিবলৈ পাইছোঁ যে বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাই কৰ্মৰ প্ৰতি বিৰাগ জন্মাইছে।

গতিকে অধ্যক্ষ মহোদয়, শিক্ষা মন্ত্ৰী ডাঙৰীয়া নিজে এজন শিল্পী, নাট্যকাৰ আৰু শিক্ষাৰ প্ৰতি আগ্ৰহী ব্যক্তি। গতিকে শিক্ষাৰ ক্ষেত্ৰত

এটা মৌলিক পৰিবৰ্ত্তন আনি আমাৰ ছাত্ৰ সকলক কৰ্মমুখী শিক্ষা দিয়াৰ প্ৰতি নিশ্চয় চেষ্টা কৰিব। এই থিনিতে মই এটা কথা কব বিচাৰিছো, সেইটো হৈছে কৃষি মন্ত্ৰী ডাঙৰীয়াই মাজতে এবাৰ কৈছিল যে আমাৰ প্ৰতিখন হাইস্কুলত একোটাকৈ এগ্ৰিকালচাৰ চেকচন খুলি তাৰ জৰিয়তে আমাৰ লৰা-ছোৱালীক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হব। কিন্তু আজি এবছৰে জনতা চৰকাৰে এই ক্ষেত্ৰত কি ব্যৱস্থা ললে তাক আমি দেখা পোৱা নাই। মাননীয় শিক্ষা মন্ত্ৰীয়ে নিশ্চয় এই বিষয়ে লক্ষ্য ৰাখিব যাতে শিক্ষা আৰু কৃষিৰ মাজত এটা সমন্বয় সাধন কৰি আমাৰ লৰা-ছোৱালীক কৃষিৰ প্ৰতি আগ্ৰহ জন্মাব পাৰে। মেট্ৰিক পাছ কৰাৰ পিচতে এটা স্বাৱলম্বীতাৰ মনোভাব লৈ কাৰবাৰ কৰাৰ একোটা সুযোগ পাব পাৰে।

অধ্যক্ষ মহোদয়, শিক্ষাৰ ক্ষেত্ৰত আমি আন এটা কথা দেখা পাইছো যে আমাৰ যি শিক্ষা ব্যৱস্থা সি হৈছে নিত্যান্তই চহৰমুখী। এই সম্পৰ্কে মাননীয় সদস্য বন্ধু সকলে যোৱা কালিৰে পৰা আলোচনা আৰু সমালোচনা কৰিছে যে শতকৰা ৯২ ভাগ শিক্ষাৰ্থী আমাৰ গাওঁত বসবাস কৰে। বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থাই এই লৰা-ছোৱালীখিনিক কেতিয়াও উন্নত কৰিব নোৱাৰে। গতিকে গাওঁ অঞ্চলত আমাৰ লৰা-ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত আৰু মহিলা সকলৰ শিক্ষাৰ ক্ষেত্ৰত যাতে বিশেষ মনোযোগ দিয়া হয় আৰু গাওঁ অঞ্চলৰ কলেজবোৰত অনাৰ্চ আদিৰ ব্যৱস্থা কৰা হয় তাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনালো।

(সময়ৰ সংকেট)

শ্ৰীমুকুট শৰ্মা।— অধ্যক্ষ মহোদয়, মোৰ হৈয়ো তেখেতেই কব। গতিকে অলপ সময় দিলে ভাল হয়।

শ্ৰীৰণেন্দ্ৰ নাৰায়ণ বসুমতাৰী :— ডি, পি, আই আৰু স্কুল ইন্স-পেক্টৰৰ অফিচ বিলাকৰ ক্ষেত্ৰত দেখা গৈছে যে গাওঁ অঞ্চলৰ পৰা পণ্ডিত সকল অফিচলৈ গৈ ঘণ্টাৰ পিচত ঘণ্টা ঠিয় দি থাকিব লগা হয় অথচ কাৰো কানসাৰ নাই। এই অফিচবিলাকত এনে এটা পৰিবেশৰ সৃষ্টি হৈছে যে টকা পইচা দিব পাৰিলে কেৰাণী সকলে বহাৰ সটা সুবিধা কৰি দিয়ে আৰু কি কাম লৈ আহিছে সোধে।

এইটোৱেই হৈছে আজিৰ আমাৰ অভিজ্ঞতা। আজি কেইদিনমানৰ আগতে মোৰ সমষ্টিৰ এখন স্কুলৰ হিন্দী বিষয়ৰ খবৰ কৰিবলৈ গৈছিল। তেওঁলোকে অৱশ্যে আগতীয়াকৈ মোৰ লগত যোগাযোগ কৰিব নোৱাৰিলে। তেখেতসকলে গৈ ডি, পি, আই, ক লগ ধৰিব নোৱাৰি কেৰাণীক লগ ধৰাত সেই কেৰাণীজনে সেই মানুহ কেইজনক কুকুৰৰ নিচিনা ব্যৱহাৰ কৰিলে। অধ্যক্ষ মহোদয়, মই আপোনাক বিনীত ভাবে নিবেদন কৰিছো এই কেৰাণী সকল আমাৰে ভাই-ককাই, আমাৰেই ভাগিন ভতিজা। এইনকলেই আমাৰ মানুহক কুকুৰৰ নিচিনাকৈ ব্যৱহাৰ কৰাটো দেখিছো। আজি যিটো 'সেৱাই ধৰ্ম' ৰাইজৰ সেৱাৰ কাৰণে তেওঁলোক নিয়োজিত সেইকাৰণে এনে ব্যৱহাৰ কৰাটো অতি পৰিতাপৰ বিষয়। এই বিভাগত আজি ডি, পি, আই, আছে, এডিচনেল ডি, পি, আই, আছে, জইণ্ট ডি, পি, আই, আছে, ডেপুটি ডি, পি, আই, আছে। ইমান বিলাক অফিচাৰ থকা স্বত্তেও যিমান বৃহত ষ্টাফেই নহওক কিয় কণ্ট্ৰোল কৰিব পৰা নাই? এই কেৰাণী সকলক কিয় কণ্ট্ৰোল কৰিব নোৱাৰে যাৰ ফলত তেওঁলোকে ইচ্ছামতে কাম কৰি আছে। সেই কাৰণেই মই অত্যন্ত দুখেৰে কবলগীয়া হৈছো যে শিক্ষা বিভাগত প্ৰশাসন টোটেলী ফেইল হৈছে। গতিকে এই বিভাগৰ প্ৰশাসনীয় সংস্কাৰ অতি সোনকালে হোৱা দৰকাৰ। মই শিক্ষামন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিছো শিক্ষা প্ৰশাসনত যিবিলাক দূৰ্নীতি চলিছে তেখেতৰ দিনতেই

সেইবিলাক আতৰ কৰিব। মই এজন ডি, আইৰ কথা কব বিচাৰিছো যি জন ডি, আই,য়ে দিনটোৰ ২৪ ঘণ্টাই মদলৈ ব্যস্ত থাকে। অফিচত এক্কেবাৰে এটেও নকৰে। ডি, আইৰ নামত যিবিলাক কাগজ-পত্ৰ আহে সেইবিলাকত কোনো ৰকমে লিখি দিয়ে 'এডিচনেল ডি, আই, ফ'ৰ ডিচপোজেল'। এদিন তেখেতৰ নিজৰ ঘৈণীয়েকৰ পৰা এখন চিঠি আহিল। এই চিঠিত গিৰীয়েক ঘৈণীয়েকৰ ভিতৰুৱা খবৰ থকাৰ উপৰিও, জোৰায়েকৰ কথা লিখা আছিল আৰু তেওঁ ঘৰলৈ নোযোৱাৰ কথাও লিখা আছিল। সেই চিঠিখনো তেওঁ এডিচনেল ডি, আই, লৈ ফ'ৰ ডিচপোজেল বুলি লিখি দি দিলে।

( সদনত বিৰাট হৰ্ষধ্বনী )

গতিকে এনেকুৱা অফিচাৰ থাকিলে শিক্ষা বিভাগৰ কি উন্নতি হব পাৰে সহজে অনুমান কৰিব পাৰি। সেই মহকুমাৰ ইলেমেণ্টৰী এডুকেচন এডভাইচৰী বোৰ্ডৰ যিসকল সদস্য আছে যি প্ৰতিনিধি আছে সেইসকলৰ নগুৰ শাস্তি হৈছে।

অধ্যক্ষ মহোদয়, আমি আজি দেখিবলৈ পাইছো, হাজাৰ হাজাৰ এল, পি স্কুলৰ প্ৰতিনিধিসকলে যি দাবীৰ সম্পৰ্কত ধৰ্ণা দিছে এইটো এটা প্ৰকৃত জলন্ত সমস্যা হিচাবে দেখা দিছে। এই সম্পৰ্কে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে বিধান সভাত শিক্ষক সন্থাৰ দাবী সমুহ পুৰণ কৰা হব বুলি আশ্বাস দিছিলে। কিন্তু পিচত যেতিয়া শিক্ষকসন্থাৰ লগত চুক্তি হল তেতিয়া এই কথা কোৱা হল যে মন্ত্ৰীসভাৰ অনুমোদন হলেহে তেওঁলোকৰ দাবী পুৰণ কৰা হব। তাৰ ফলত আজি শিক্ষক সকলে স্কুল ক্ষতি কৰি, ধৰ্ণা দিছেহি। গতিকে মাননীয় শিক্ষামন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ ইয়াৰ এটা স্পষ্টীকৰণ দিব লাগে। নহলে লৰা-ছোৱালী বিলাকৰ পঢ়া শুনাত ক্ষতি হৈ থাকিব।

তাৰ পিচত মজলীয়া স্কুলৰ শিক্ষক সকলেও অনশন কৰিবলৈ ব্যৱস্থা কৰিছে। অসমৰ ৮৯০ খন মজলীয়া স্কুলত ৬ হাজাৰ ৬৭ জন শিক্ষক আছে। এই শিক্ষকসকলে বিভিন্ন তাৰিখত, মে'ৰ ৫ তাৰিখ চেপ্তেম্বৰৰ ১০ আৰু ২০ তাৰিখে ডিচেম্বৰৰ ২০ তাৰিখে ৫-৬ বাৰ আলোচনা কৰিছে। তাৰ পিচতো তেওঁলোকৰ দাবী উদ্‌ঘাটন কৰি তেওঁলোকক সন্তুষ্ট কৰিব নোৱাৰাটো বৰ দুখৰ কথা হৈছে। তেওঁলোকে হাজাৰ হাজাৰ শিক্ষকৰ প্ৰতিনিধি হিচাপে ধৰ্মঘট কৰিছে। গতিকে মাননীয় শিক্ষামন্ত্ৰীয়ে এই বিষয়ত মনোযোগ দি ইয়াৰ ওপৰত ব্যৱস্থা গ্ৰহন কৰিব লাগে। সদৌ শেষত মই কব বিচাৰিছো যে অকল গুৱাহাটীতেই নহয়, অসমৰ ভিতৰতেই মাত্ৰ এখন চৰকাৰী 'আৰ্টচ এণ্ড ক্ৰাফ্‌ট্‌ স্কুল' আছে এইটো হৈছে কলা বিভাগত অসমৰ আগ্ৰহী ছাত্ৰ-ছাত্ৰীক শিক্ষা দিয়াৰ কাৰণে। শিক্ষামন্ত্ৰী শ্ৰীচৌধুৰী ডাঙৰীয়া ১৯৬৭ চনত এই বিধান সভাত যেতিয়া বিৰোধী দলৰ সদস্য হিচাবে আছিল তেতিয়াই তেখেতৰ সক্ৰীয় সহযোগত সক্ৰীয় উদ্যমত আৰু স্বৰ্গীয় বিষ্ণু ৰাভাৰ উদ্যোগত এই আৰ্টচ এণ্ড ক্ৰাফ্‌ট্‌ স্কুল খন স্বৰ্গীয় চলিহাৰ দিনৰ চৰকাৰতেই চৰকাৰীকৰণ কৰা হৈছিল। আজি এই স্কুলখনৰ সম্পৰ্কত বিভিন্ন অভাৱ অভিযোগ দাঙি ধৰা হৈছে। এই স্কুলখনত এম, এ, বি, এ, পাচ যিবিলাক লৰা কলা বিভাগত আগ্ৰহী তেওঁলোকেও অধ্যয়ন কৰি আছে। গতিকে এইখন কলেজ এ ডিগ্ৰীও প্ৰদান কৰে। সেইকাৰণে এই স্কুলখনক কলেজ হিচাপে উন্নিত কৰিবলৈ মই শিক্ষামন্ত্ৰীক অনুৰোধ জনাইছো যাতে তেখেতে এই সম্পৰ্কত ব্যৱস্থা গ্ৰহণ কৰে। মোৰ কবলগীয়া বহুত খিনি আছিল যদিও সময়ৰ অভাৱত কব নোৱাৰি মই সামৰণি মাৰিছো আৰু আমাৰ ফালৰ পৰা উত্থাপন কৰা কৰ্ত্তন প্ৰস্তাৱটোৰ সমৰ্থন কৰিছো।

শ্ৰীকুল বাহাদুৰ চেত্ৰী :— মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰোধিতা কৰি আৰু মুল প্ৰস্তাৱটোৰ সমৰ্থণ কৰি কেইটা-

মান কথা কবলৈ ওলাইছো শিক্ষাৰ ক্ষেত্ৰত। শিক্ষা নহলে পোহৰ নহয়। আমাৰ দেশ স্বাধীন হোৱা আজি ৩১ বছৰ হল। এই ৩১ বছৰত আমাৰ মানুহ প্ৰতি বছৰত শতকৰা এজনকৈয়ো শিক্ষিত হৈ নুঠিল। আমাৰ শিক্ষিতৰ হাৰ শতকৰা ২৮ ভাগ বুলি কৈছে। কিন্তু গাওঁ বা পিচপৰা অঞ্চলৰ পৰা আমি বছৰি শতকৰা এজনকৈ মানুহকো শিক্ষিত কৰি তুলিব পৰা নাই। সেই হিচাবে আজি যিটো শিক্ষিতৰ হাৰ শতকৰা ২৮ ভাগ বুলি দিছে সেইটোত মোৰ সন্দেহ আছে। পিচ-পৰা যি বিলাক অঞ্চল আছে, আমাৰ চাহবাগানৰ যিবিলাক অঞ্চল আছে, সেই বিলাক অঞ্চলত এই হিচাব ভুল বুলি কব পৰা যায়। আমি দেখিবলৈ পাইছো যে আমাৰ অসমৰ প্ৰত্যেকখন গাৱতেই স্কুল নাই। আৰু যি বিলাক গাৱত স্কুল আছে সেই বিলাকৰ অৱস্থাও চাব নোৱাৰা। আমাৰ অসমৰ প্ৰত্যেক খন গাৱতেই স্কুল দিয়াৰ কথা শিক্ষামন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে। সেইটো শুনি পাই আমি ভাল পাইছো। কিন্তু স্কুল লব নোৱাৰা কথাটোহে চিন্তাৰ বিষয়হৈ পৰিছে। মই আশা ৰাখিছো যাতে আমাৰ প্ৰত্যেক গাৱতেই স্কুল কৰিব পাৰে। শিক্ষাৰ ক্ষেত্ৰত দেখা যায় যে বিশেষকৈ প্ৰাথমিক স্কুল শিক্ষাৰ ক্ষেত্ৰত যি বিলাক লৰা ছোৱালী স্কুললৈ যায় সেই বিলাকৰ মন ভাঙি যায়। তেওঁলোক ডেৰ মাইল বাট গৈ স্কুলত পঢ়িব লাগে। তাৰোপৰি স্কুল বিলাকত বেৰ চাল নোহোৱাৰ কাৰণে বতাহ বৰষুণত লৰা ছোৱালীয়ে পঢ়িব নোৱাৰে, এই কথা মন্ত্ৰী মহোদয়ে বিভিন্ন ঠাইত নিজে দেখি আহিছে। মই পিচপৰা অঞ্চলৰ পৰা আহিছো যিটো সমষ্টি অৰুনাচলত লগ লাগি আছে। সেই ঠাইৰ স্কুল বিলাক মই দেখিছো যে আৱন্তনীৰ পৰাই চৰকাৰীকৰণ কৰা হোৱা নাই। শিক্ষাৰ ক্ষেত্ৰত আমি দেখিছো যে স্কুল বিলাকৰ যিটো মানদণ্ড হব লাগে সেই মানদণ্ড নাই।

এই ক্ষেত্ৰত আজি দেখা যায় যে স্কুলৰ লৰা ছোৱালী কোনোবা

এঙ্গনক যদি কোনো এজন মহাপুৰুষ ক'ত জন্মিছিল কি নাম সোধা যায় তেন্তে কব নোৱাৰিব কিন্তু চিনেমাৰ এক্টৰ এজনৰ নাম কি ক'ত থাকে যদি সোধা যায় তেনেহলে তপৰাই কৈ দিব। আজি ঋষি মুনি সকলৰ কথা, শাস্ত্ৰৰ কথা লৰা ছোৱালী বিলাকক শিকাব লাগে। তেহে প্ৰকৃত জ্ঞানৰ অধিকাৰী হব পাৰিব। আমাৰ শিক্ষামন্ত্ৰী এজন এই বিষয়ত জ্ঞান থকা মানুহ মই তেখেতক এই কথা বিলাক চাবলৈ অনুৰোধ জনালো। আমি এতিয়া দেখা পাইছো যে আমি আন আন ৰাজ্যৰ তুলনাত বহুত পিচপৰি আছো। গতিকে এতিয়া আমি সেই বিলাকৰ স্তৰলৈ যাবলৈ হলে দৌৰ দিব লাগিব আৰু সেই দৌৰ প্ৰতিযোগিতামুলক ভিত্তিত হব লাগিব। দহগুণ বেছি হলেহে আমি ইতিমধ্যে আগবাঢ়ি থকা ৰাজ্য-বিলাকৰ সমকক্ষ হব পাৰিম। শিক্ষাৰ ক্ষেত্ৰত গবেষণা পদ্ধতিৰে আগুৱাই যাব লাগিব। শিক্ষামন্ত্ৰী মহোদয়ে বহু ঠাইত ঘূৰি ফুৰিছে গতিকে আমাৰ স্কুল ঘৰ বিলাকৰ অৱস্থা দেখা পাইছে। ভাঙি ছিঙি উৰলি গৈছে। আধাপেটি খাই লৰা ছোৱালীয়ে পঢ়িবলৈ আহে। আমি সেই বিলাক আধাপেটি খোৱা লৰাছোৱালীৰ শিক্ষাৰ প্ৰতি মনোযোগ দিব লাগিব। এই বিষয়ত পৰিবেশ গটি তুলিবলৈ উপযুক্ত ব্যৱস্থা লব বুলি মই শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিলো। বিশেষকৈ পিচপৰা অঞ্চলৰ কাৰণে চিন্তা কৰিব বুলি আশা ৰাখিলো।

অধ্যক্ষ মহোদয়, প্ৰাথমিক স্কুল বিলাকত হাৰমনিয়াম বজোৱাৰ দৰে লৰা-ছোৱালীয়ে পাঠ আওৰাই থাকে। মাৰ্ঘেৰিটাৰ মোৰ সমষ্টিত এখন স্কুললৈ সিদিনা গৈছিলো। তাত স্কুল ঘৰেই নাই। ৰতাহে উৰাই নিলে। তাৰ পিচত আৰু স্কুলঘৰ হোৱা নাই। গছৰ তলত পঢ়াই আছে।

(সময়ৰ সংকেত)

ফলমূল বা হাবিৰ আলু খাই স্কুললৈ পঢ়িবলৈ অহা সকলৰ

কাৰণে আমি চিন্তা কৰিব লাগিব। কৰ্ম্মচাৰী সকলৰ ক্ষেত্ৰত বহুত কথাই কোৱা হৈছে। মই ভাবো কৰ্ম্মচাৰী সকল বেয়া নহয়। কিছুমান কৰ্ম্মচাৰী বেয়া হল বুলিয়েই সকলো বিলাক বেয়া হব নোৱাৰে। তেওঁলোক আমাৰ মানুহ। অভাৱৰ তাড়ণাত পৰি অথবা টেলিফোন নাই গাড়ী নাই তেনে অৱস্থাত তেওঁলোকক ভাল হবলৈ সুবিধা দিয়াটোও আমাৰ কৰ্ত্তব্য।

(সময়ৰ সংকেত)

অৱশেষত এম-ভি, এল-পি স্কুলৰ শিক্ষকসকলে ধৰ্ণা আৰম্ভ কৰিছে তেখেত সকলে বিভাগীয় মন্ত্ৰীৰ লগত আলোচনা কৰি শেষত ধৰ্ণা দিবলৈ বাধ্য হৈছে। লৰা ছোৱালীক শিক্ষাদান কৰা শিক্ষকসকলে যদি ৰদত আহি ধৰ্ণা দিবলগীয়া অৱস্থা হয় তেতিয়াহলে শিক্ষাৰ ব্যৱস্থা কি হব। ১৯৭৩ চনতেই তেওঁলোকৰ লগত চুক্তি হৈছিল ১৯৭৪ চনতো আলোচনা কৰিছিল। আজি পৰ্য্যন্ত ঠিক হৈ উঠা নাই।

(সময়ৰ সংকেত)

নিযুক্তি আদিৰ ক্ষেত্ৰত শিক্ষামন্ত্ৰীয়ে চকু ৰাখিব বুলি আশা ৰাখি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মই কেইটামান কথা কব বিচাৰিছো। এই বিষয়ত শিক্ষামন্ত্ৰী মহোদয়ৰ লগত ব্যক্তিগত ভাবে কথা হৈছিলো। এই শিক্ষা বিভাগৰ ক্ষেত্ৰত পৰিদৰ্শনৰ এটা পৰিবেশ গঢ়ি তোলাটো অতীব প্ৰয়োজনীয় কথা হৈ পৰিছে! সাধাৰণতে দেখা যায় ডি-আই অফিচেই হওক বা ইন্সপেক্টৰ অফিচেই হওক পৰিদৰ্শনৰ কোনো উমঘাম নাই। পৰিদৰ্শনৰ এটা ভাল ব্যৱস্থা কৰিব লাগে। ইয়াৰ লগতে আৰু এটা কথা

কৰ বিচাৰিছো যে হাইস্কুল বিলাক চৰকাৰীকৰণ কৰাৰ পিচত নিয়োগ সম্পৰ্কে এটা স্পষ্ট নীতি লোৱা নিতান্ত প্ৰয়োজন আছিল। এতিয়া এই সম্পৰ্কত বহুতো অভিযোগ পোৱা গৈছে। তিনি মাহৰ কাৰণে স্কুলৰ ইন্স-ক্টৰক নিয়োগ কৰিবলৈ দিয়া হৈছে। এই ক্ষেত্ৰত দুৰ্নীতিৰ অভিযোগেই বেছি। অন্য ঠাইৰ কথা মই নাজানো কিন্তু যোৰহাটৰ ইন্সপেক্টৰ অফি-চৰ কথা মই ব্যক্তিগত ভাৱে জানো। যি সকলক অস্থায়ী চাকৰিৰ কাৰণে নিয়োগ কৰিবলৈ আবেদন বিচাৰিছিল তেখেতসকলক কোৱা হয় যে যদি অলপমান চায় তেতিয়াহলে নিয়োগ কৰিব পৰা হয়।

(ভইচ ঃ কি চায়)

সেইটো সকলোৱে জানে। আনহাতে স্কুল বিলাক ৰিকগনিশ্যন দিয়াৰ ক্ষেত্ৰত হাইস্কুল, এম-ই বা যি কোনো স্কুলেই যদি ৰিকগনিশ্যন পাব লাগে তাৰ কাৰণে যদি অনুকুলে প্ৰতিবেদন বিচাৰে তাৰ কাৰণে যদি কিবা আগবঢ়াব নোখোজে তেনেহলে ৰিকগনিশ্যনৰৰ আশা নাই। এটা কথা হৈছে যে তাত এজন ডি-আই প্ৰায়েই স্বাভাৱিক অৱস্থাত নাথাকে। প্ৰহিবিশ্যন যি সময়ত চৰকাৰে জোৰ দি চলাইছে তেনে ক্ষেত্ৰত অফিচত কাম কৰা সকলেই প্ৰহিবিশ্যন যি সময়ত ঠিকমতে মানি চলা নাই। সেই কাৰণে এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লোৱা উচিত। বিশেষকৈ যি সকল কৰ্ম্মচাৰীৰ ওপৰত দুৰ্নীতিৰ অভি-যোগ আছে সেই সকলে তদন্ত কৰি কিয় ব্যৱস্থা লবলৈ চৰকাৰ অক্ষম সেই কথা আমি বুজি নাপাওঁ। শিৱসাগৰ ডি-আই অফিচত কৰ্ম্মচাৰী কেইজনমানক এবাৰ অভিযোগ তদন্ত কৰি বদলি কৰে আকৌ এবাৰ স্থগিত ৰাখে। চৰকাৰ পৰিৱৰ্ত্তন হৈছে সচা কিন্তু দুই এজন কৰ্ম্মচাৰীৰ বিৰুদ্ধে উঠা অভিযোগ তদন্ত কৰাৰ পিচতো কিয় ব্যৱস্থা লব পৰা নাই নাজানো। মই মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিছো।

অধ্যক্ষ মহোদয়, যোৱা কালিৰে পৰা প্ৰাথমিক স্কুলৰ শিক্ষক-সকলে ধৰ্ম্মঘট আৰম্ভ কৰিছে। এম-ভি শিক্ষকসকলেও ধৰ্ম্মঘট কৰিব, তাৰ পিচত আকৌ কটন কলেজৰ শিক্ষক সকলেও কাম বন্ধ কৰিব। হাইস্কুল শিক্ষক সকলেও আৰম্ভ কৰিব। এই বিলাক কিয় হবলৈ পাইছে? প্ৰতিশ্ৰুতি যি ভাবে দিয়া হৈছিল সেইমতে কাম কৰিলে কেতিয়াও এই বিলাক নহয়। এডাল্ট এডুকেশ্যন বোৰ্ড এখন গঠন কৰিছে। কিন্তু সকলো ঠাইতে ৰাজনৈতিক দৃষ্টিভঙ্গী আগত ৰাখি এই বোৰ্ড সমূহ গঠন কৰা হৈছে। মই সকলো বিলাকৰ কথা নকলেও শিৱ-সাগৰ জিলাত বেচৰকাৰী লোকৰ পৰা লোৱা সদস্য আটাইখিনি জনতা পাৰ্টিৰ লোক। এই ক্ষেত্ৰত যাতে দলৰ কথা চিন্তা কৰি বোৰ্ড গঠন কৰা নহয় সেই কথালৈ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Speaker — The House stands adjouraed till 2-30 p.M.

(Abter lunch)

Mr. Sperher :— The Edueation MInister to Speak.

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয় আজি শিক্ষাৰ শিতানত যিটো মঞ্জুৰী দাবী উৎথাপন কৰা হৈছে এই প্ৰস্তাৱৰ কৰ্ত্তন প্ৰস্তাৱৰ যোগেদি প্ৰায় ২০ গৰাকী মান মাননীয় বিধায়কে অংশ গ্ৰহণ কৰাৰ কাৰণে আনন্দ পাইছো এই কাৰণেই যে সঁচাকৈয়ে সকলোৰে বিচৰা দৰে আমাৰ দেশখনত শিক্ষাৰ এটা শুভদিন আহিছে। মই বিনীত ভাবে ইয়াৰ ওপৰত আমাৰ কব লগীয়া খিনি আগবঢ়াবলৈ উঠিছো। গোনতে কৰ্ত্তন প্ৰস্তাৱত অংশ গ্ৰহণ কৰা বিধায়ক মাননীয় চামচুল হুদা ডাঙৰীয়াই বিভিন্ন পৰামৰ্শ আগবঢ়াইছে। তেখেতৰ ১ নম্বৰ

পৰামৰ্শ হল যুদ্ধ কালীন ব্যৱস্থাৰে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত আগবাঢ়ি যাব লাগে আৰু দ্বিতীয়তে ন'ন ফৰমেলৰ এডুকেচনৰ জৰিয়তে শিক্ষা সম্প্ৰসাৰণ কৰিব লাগে। আৰু ৫০ টকাৰ পৰা ২ শ টকালৈকে শিক্ষাদাতা সকলক মাননি বঢ়াব লাগে বুলি পৰামৰ্শ আগবঢ়াইছে। আপোনাৰ শলাগ লব খুজিছো এই কাৰণেই আজি মই ভাবো আজি মঞ্জুৰী দাবী উৎথাপন কৰাৰ লগে লগে মোৰ নিজৰেই মনৰ এটা অনুভূতি জাগিছিল যে চাৰিও ফালৰ পৰা মোক তীক্ষ্ণ শৰেৰে মোক বিন্ধিব। কিন্তু বিধায়ক সকলৰ গতি ইমান মৃদু ভাবে হল, তেখেতসকলৰ সহানুভৱতাৰ পৰিচয় দিয়াৰ কাৰণে মই শলাগ লৈছো। আপোনাসকলে দেখিছে আমাৰ যি ধন ধৰা হৈছে এই ধনৰ যোগেদি যিবিলাক স্কুল বা কলেজ বা প্ৰাইমেৰী স্কুল আছিল তাৰ সম্প্ৰসাৰণৰ চেষ্টা যি কৰা হৈছিল সেই সম্প্ৰসাৰণ দিশ সিমান উজ্বল নহয়। কিন্তু মই এই খিনিকে কব বিচাৰিছো যতে আমাৰ এটিও পইচাও অবাবত নেযায়। আপোনালোকক মই সকিয়াই দিছো এই বিষয়ে। চামচুল হুদা চাহাবে প্ৰভিনচিয়েল স্কুল বিলাক পৰিদৰ্শন হব লাগে বুলি কৈছে। অৰ্থাৎ আৰু টেকনিকেল এডুকেইচন ভাল হব লাগে বুলি কৈছে। সেইকথা সাৰোগত কৰি এই শিক্ষাত বেছিকৈ টকা ধৰি কেইটামান নতুন স্কুল বা প্ৰতিস্থান কৰিবলৈ চেষ্টা কৰিছো। কলেজ বিলাকত বিজ্ঞান খোলাৰ কাৰণে জোৰ দিছে। অৱশ্যে আজিৰ যুগত বিজ্ঞানত ধাউতি থকাটো স্বাভাবিক। বিজ্ঞান শাখা খুলিবলৈ বিশ্ববিদ্যালয়ৰ পৰা যিটো আইন আছিল সেই আইন উঠাই দিবলৈ তুয়োখন বিশ্ববিদ্যালয়লৈ বিজ্ঞান আৰু কমাৰ্চ কলেজ খুলিব পাৰি তাত অনুমতি দিয়াৰ কাৰণে মোৰ নিজৰ ফালৰ পৰা অনুৰোধ জনাইছো। স্কলাৰচীপৰ কথা কৈছে এইটো সময় মতে নাপায়। মই নিজেই ইয়াৰ ভুক্তভোগী। স্কুলৰ পৰীক্ষাৰ ফল ওলোৱাৰ পিচতহে নেচনেল স্কুলৰ বৃত্তি দিয়া হয়। নাম দিয়াৰ ঘোষণা দিয়াৰ পিচতহে ষ্টেট মেৰিট স্কলাৰচীপ

কৰিব পৰা হয়। সেইকাৰণে এই বাৰ তেওঁলোকৰ গুৱিয়ালসকলক ভত্তাতৈয়াকৈ নেচনেল স্কলাৰচীপ যাতে ৰিজাল্ট ঘোষণা কৰা আগতেই দিব পাৰি তাৰ কাৰণে কোৱা হৈছে। আৰু যিসকলে নেচনেল স্কলাৰ-চীপ নলয় ষ্টেট স্কলাৰচীপ লয় সেইসকলৰ কাৰণেও কোৱা হৈছে। মই সদায়েই কৈছো যদি আমি মাহে মাহে দিয়াৰ ব্যৱস্থা কৰিব পাৰো তেতিয়া-হলে লগে লগে এই ধনটো দিব পৰা হব। কিন্তু বহুতে সন্দেহ কৰে পিন্সিপালে দিলে বা আন কোনোৱা গুৱিয়ালে দিলে টকাটো আত্মসাৎ হব পাৰে। বিশ্বাসৰ ওপৰতেই গণতন্ত্ৰৰ ভেটি আগবাঢ়ি যাবলৈ বিচৰা হৈছে। এইটো কৈছো দুৰ্নীতি কথা হুদা চাহাবে কৈছে, এতিয়া আগৰ দৰে নহয়; এতিয়া তৃতীয় শ্ৰেণীত পৰিছে।

শ্ৰীনুৰুল হুদা :— কোনটো বিষয়ে দুৰ্নীতি।

শ্ৰীচামছুল হুদা :— তেতিয়াহলে দি, পি, আই কমপ্লেক্সৰ নামটো উঠাই কৰাপচন কমপ্লেক্সৰ কথা কম নেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— অৱশ্যে কাহিকীপাৰা ঠাইখন ভয়ানক হৈ পৰিছে। সেইকাৰণে দি, পি, আই অফিচটো আন ঠাইলৈ নিব পাৰি নেকি। কেইজনমানে কৈছে তৃতীয় শ্ৰেণীৰ কথা। মই অৱশ্যে এইটো বিশ্বাস কৰো যে বিষয়া সকল মুদ্ৰাৰ নিচিনা। মুদ্ৰাৰে গাখীৰও খাব পাৰে মদো খাব পাৰে। বিষয়া সকল চলাওঁতাৰ ওপৰলৈ ঘাইকৈ নিৰ্ভৰ কৰে সেইকাৰণে মই সময় বিচাৰিছো। এইবিলাক পৰীক্ষা কৰি চাবৰ কাৰণে সময় লাগিব। আশাকৰো আপোনালোকে সময় দিব।

শ্ৰীনুৰুল হুদা :— সীমিত সময় দিব।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— সীমিত সময়হে বিচৰা হৈছে বেছি

নহয়। অতুল গোস্বামী ডাঙৰীয়াই কেইটামান কথা দাঙি ধৰিছে, বিশে-ষকৈ প্ৰকাশন পৰিষদৰ কথা। মই সিদিনাই কৈছো এই বিষয়ে সময় লাগিব। চেক্ৰেটৰী নিযুক্তি নিয়ম অনুযায়ী হৈছে। এই নীতি নিয়ম পৰিবৰ্ত্তন নকৰিলে তেওঁৰ ওপৰত একো ব্যৱস্থা কৰিব পৰা নহব।

যি চেক্ৰেটৰী এপইন্টমেন্ট হৈছিল, সেয়া চৰকাৰে অনুমোদন কৰা। চলিহাৰ দিনতে অনুমোদন কৰা হৈছিল। এতেকে চাকৰি দিবলৈ যিমান টান, চাকৰিৰ পৰা খেদিবলৈও আৰু বেছি টান। এই কাৰণেই মই নিজে পৰীক্ষা কৰি চাইছো। আপোনালোকে জানে যে কিতাপ পঢ়া আৰু কিতাপ প্ৰকাশ কৰাৰ প্ৰতি মোৰ ধাউতি আছে। এই কাৰণে এইটো বিশেষ ভাবে যিখন আঁচনি কৰা হৈছে, সেই আঁচনি খৰতকীয়া কৰাৰ ব্যৱস্থা কৰিব বিচাৰিছোঁ। 'প্ৰকাশ' আলোচনীৰ বিষয়ে গোস্বামী ডাঙৰীয়াই তেখেত এতিয়া ইয়াত নাই, কৈছে এইখন একেবাৰে ভাষা আৰু সাংস্কৃতিক বিষয়ৰ আলোচনী। ইয়াৰ সম্পাদক মণ্ডলীৰ ভিতৰত মোৰ মনত থকা মতে মহেশ্বৰ নেওগ, নৰকান্ত বৰুৱা আৰু তৰুণ চন্দ্ৰ পামেগাম। তেখেত মাজুলীৰ। এতেকে তাত কোনো ৰাজনৈতিক চক্ৰ মই দেখা নাই। অৱশ্যে মই আগৰ যিবোৰ কপি প্ৰস্তুত হৈছিল, সেই বোৰ এতিয়াহে অধ্যয়ণ কৰিবলৈ পাইছোঁ, কিমান উচ্চ খাপৰ হৈছে আপোনালোকে বেছি ধৰিব পাৰিব। আৰু এটা ডাঙৰ কথা তেখেতে সাংস্কৃতিক বিভাগৰ যি জন ডাইৰেক্টৰ, তেখেতৰ বিষয়ে এটা মন্তব্য কৰিছে ব্যক্তিগত ভাবে। মই সেইটো বিষয়ত কব বিচাৰিছোঁ যে, সাংস্কৃতিক বিভাগটোৰ প্ৰতি অতি তীক্ষ্ণ নজৰ দিয়া হৈছে। আৰু আপোনা-লোকে সঙ্গীত কলেজখন পতাৰ বিষয়ে বিৰোপ সমালোচনা কৰিছে কিন্তু এই কলেজখন ইউনিভাৰচিটিৰ লগত এফিলিয়েটেদ আৰু আমাৰ ফালৰ পৰা অকল দিয়া হৈছে, স্থানীয় লোকগীত, বৰগীত, সত্ৰীয় গীত, জুমুৰ আদি অনুষ্ঠান বোৰ। অলপতে আমাৰ যিখন সভা বহিছিল,

সেই সমিতিৰ সভ্য হিচাবে গিৰীকান্ত মহন্তৰ দৰে লোকো আছে। তাত কোনো ৰাজনৈতিক দৃষ্টি ভংগী মই দেখা নাই। ইয়াৰ উদ্দেশ্য হৈছে কেৱল সাংস্কৃতিক বিকাশ ঘটোৱা। আমাৰ জ্যোতি চিত্ৰবনৰ কথা কোৱা হৈছে যে ইয়াৰ অৱস্থা ভাল হোৱা নাই। কিন্তু মই তাক নতুন ধৰণৰ কৰিবৰ কাৰণে দিহা কৰিছো আৰু মই গৌৰৱেৰে কব পাৰো যে এই ক্ষেত্ৰত কৃতকাৰ্য্যও হৈছোঁ। আপোনালোকে শুনি ৰং পাব যে উৰষ্যািৰ পৰা পাৰ্টি আহি কালাৰ ফিলম "হৰিচন্দ্ৰ" আৰম্ভ কৰিছে। আৰু সময় নাই অসময় নাই, দিনে ৰাতিয়ে বেলেগ বেলেগ পাৰ্টি আহি চিত্ৰ গ্ৰহণ কৰিছেহি। মই নিজে বহুদিন ছবি কৰা নাই যদিও আনৰ মুখত কোৱা শুনিছিলো মেচিন কেইটা চেকেণ্ড হেণ্ড কাৰণে হেনো বিশেষ ভাল কাম কৰিব পৰা নাই।

শ্ৰীচানচুল হুদা :— মাননীয় অধ্যক্ষ মহোদয়, সৰঞ্জাম নোহোৱাৰ কাৰণে বহুদিন চুটিং বন্ধ হৈ থকা কথাটো সচাঁনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— সেইটো কেতিয়াবা ঘটে। আমি নিগিলা অংক কৰোতে কলিকতাত ১৫ দিন আবদ্ধ হৈ আছিলো। আপোনালোকে কমল চৌধুৰীক লগ ধৰি সুধিব ইয়াৰ কিমান উন্নতি হৈছে। মই আপোনালোকক কওঁ যে ১৯৮১ চনৰ ভিতৰত মই যদি তপন সিংহৰ দৰে বিখ্যাত ডাইৰেক্টৰ সকলক ইয়ালৈ আনিব নোৱাৰো তেন্তে আপোনালোকে মোৰ নামত যি পোহে পুহিব।

( ভইচ্ : ভাটৌ পুহিব পাৰি নেকি ? )

এই ক্ষেত্ৰত মই আগৰ চৰকাৰক প্ৰশংসা কৰিবলৈ যদি যাওঁ, আমাৰ ফালৰ মানুহে বেয়া পাব, তথাপি মই প্ৰশংসা নকৰি নোৱাৰো। কাৰণ যি কেইটা মেচিন অনা হৈছিল, সচাঁকৈয়ে বৰ সুন্দৰ আছিল।

কিন্তু আমাৰ কিছুমানে কেছুৱা ল'ৰাই সোণ চিনি নেপাই আইনাৰ মাৰ্ব্বল লোৱাৰ দৰে মেচিনৰ প্ৰতি কোনো সুব্যৱস্থা লব নোৱাৰাৰ কাৰণেই সুফল পোৱা নাছিল। যিটো চাউণ্ড মেচিন সেইটোৰ অলপমান ডিফেক্ট আছিল। মই হোৱাৰ পিছত কমল নাৰায়ণ চৌধুৰীয়ে নিজে এই মেচিনটো পৰিবৰ্ত্তন কৰিবৰ কাৰণে এজন এক্সপাৰ্ট চাউণ্ড ইঞ্জিনীয়াৰৰ দ্বাৰা পৰীক্ষা কৰাই মই মোৰ নিজৰ মাত্ত ৰেকৰ্ড কৰি নিজেই বজাই শুনিছিলোঁ। আপোনালোকে বিশ্বাস নকৰিব আনকি মোৰ ওৱাইফেও বিশ্বাস নকৰিব যে ইমান সুন্দৰ হৈছে ইয়াৰ চাউণ্ড।

( ভয়েচ আপুনি ওৱাইফৰ কথা সদায়েই কিয় কয় ? )

কাৰণ অনলি কমপেনিয়ন অব মাই লাইফ mate। এতিয়া এইটো কেনেকৈ ভাল কৰিব পাৰি তাৰ কাৰণে চিন্তা কৰিছোঁ। সুজিত সিংহৰ দৰে ডাইৰেক্টৰে কৈছে যে এইটো চেঞ্জ কৰিবলৈ আমাৰ সময় লাগিব আৰু সকলোৱে এইটো কৰিব নোৱাৰে। চৰকাৰী অনুষ্ঠানৰ কিবা যন্ত্ৰ-পাতি ভাল কৰিবলৈ হলে চৰকাৰী ৰিকগনাইজদ্ মানুহ আনিব লাগিব। কিন্তু তাকে কৰিবলৈ মোৰ অলপ ভয় লাগে কাৰণ আপোনালোক আছে। সেই কাৰণে মই বম্বেৰ পৰা এজন এক্সপাৰ্ট মানুহ যিজন প্ৰফচাৰ কাম চাউণ্ড ইঞ্জিনীয়াৰ অনা হ'ল আৰু তেখেতে সম্পূৰ্ণ ৰূপে পৰীক্ষা কৰি এইটো ভাল কৰিব পৰা হব বুলি কৈছিল। এতিয়া আমাৰ জ্যোতি চিত্ৰবনত অকল ৰেকৰ্ডিঙৰ ব্যৱস্থা যিমান ভাল হৈছে আগতে নাছিল। এইবাৰ সেইটো ব্যৱস্থা হ'ল। তাৰোপৰি আজি আমাৰ যিটো কেমেৰা অনা হৈছে, সেইটো ওৱান অব দি বেষ্ট আৰু এতিয়া নেগেৰাও কিনা হৈছে, আপোনাকেও ইয়াত আনি বজাই শুনিব পাৰিব। আৰু এটা কথা পাঠ্যপুথি নিগমৰ কিতাপৰ বিষয়ে যিটো প্ৰশ্ন কৰিছে, সেই ক্ষেত্ৰত মই কব পাৰো যে ইয়াত পৰিষদৰ কোনো ত্ৰুটি হোৱা

নাই। সম্পূৰ্ণ কিতাপ মজুত আছে। মই তেজপুৰলৈ গৈ শ্ৰীযুক্তা ৰাভাক লগ ধৰি কিবা এটা কৰিবলৈ কৈ আহিছো। বাকীখিনি ৰয়েলিটি নহলে কৰিব নোৱাৰি। যিসকল বন্ধুৱে সহযোগ কৰিছে তেখেত সকলৈ মোৰ শ্ৰদ্ধাঞ্জলী থাকিল। এইটো কোৱা হৈছে ডাইৰেক্টৰ জনে পাৰ্টচ কিনিবলৈ যোৱাৰ কথা কৈছিল। মই কলোঁ কোনো অফিচাৰে পাৰ্টচ্ কিনিবলৈ যাব নেলাগে আৰু যিজন অফিচাৰে যাবৰ কাৰণে টিকট কিনিছিল মই ঘূৰাই দিবলৈ কলো। এজন ডাইৰেক্টৰে বম্বেলৈ পাৰ্টচ্ কিনিবলৈ গৈছিল লগত তেখেতৰ ওৱাইফকো লৈ গৈছিল। চৰকাৰী ধনেৰে নহয়, নিজৰ পইছাৰে। আগতে এইটো নিয়ম আছিল। এইটো ডেমক্ৰেটিক ৰাইট।

শ্ৰীইব্ৰাহিম আলি ডাঙৰীয়ালৈ মোৰ শ্ৰদ্ধা উপজিছে ঈশ্বৰে তেওঁৰ মংগল কৰক। কাৰণ তেখেতৰ পৰা কৰ্ম্ম অভিজ্ঞতা, চৰ অঞ্চলৰ স্কুল, সাংস্কৃতিক বিষয়ে উমান পাইছো। মই নিজে চৰ অঞ্চললৈ গৈ চৰ অঞ্চলৰ গান বাজনা জিকিৰ আদিৰ সংবাদ লৈছো। বাউল সংগীত সৰুতে শুনিছিলো কিন্তু স্বাধীনতাৰ পিচত আজিলৈ আৰু শুনা নাই। গতিকে সেই বিলাক বিচাৰি সেই অঞ্চলৰ সংঘ বা অন্যান্য অনুষ্ঠানৰ পঞ্জীয়ন নম্বৰ বিচাৰিছোঁ ধন দিবৰ কাৰণে। আপোনাকে শুনিলে ৰং পাব এইবাৰ যি ৬খন উচ্চতৰ মাধ্যমিক বিদ্যালয় কৰা হৈছে তাৰ তুখনেই চৰ অঞ্চলত দিয়া হৈছে। অৱশ্যে কোনোবাই ৰাজনৈতিক প্ৰভাব পৰা বুলি কব। কিন্তু এখন আমাৰ শোভানৰ সমষ্টিৰ আনখন আমাৰ জলেশ্বৰত। (ভয়চ চাকলা শোভানৰ সমষ্টিত নহয় ফনী মেধিৰ সমষ্টিত) হলেও শোভানৰ অঞ্চলৰ মানুহেই তাৰ ইউটিলিটি বেছিকৈ কৰে। চাকলা এখন এনেকুৱা ঠাই, ভূগোলত তাৰ নাম বিছাৰিয়েই নাপায়, তালৈ গাড়ী ঘোঁৰা নাযায়, পথাৰেদি গাড়ীলৈ গৈছো, নিজৰ গাড়ী হলে নগলো হয় কিন্তু চৰকাৰৰ গাড়ী বুলিয়ে গলো গলেও তাৰ পৰা ওলাই আহিব নোৱাৰে। তাত গৈ মই শংকৰদেৱে লিখা গামো-

ছাত বান্ধি আনিব পৰা দৈ খাইছো অৱশ্যে ভাত সকলোৱে খায়। (ভইচ বেছিকৈ খাইছে নেকি, শিক্ষা মন্ত্ৰী যতে যায় দৈ পায়) বেছিকৈ খোৱা নাই খাব নোৱাৰো বয়স হৈছে ১০ বছৰ আগতে হোৱা হলে বেলেগ কথা।

আমাৰ মাননীয় সদস্য শ্ৰীনিশিত দাসে কেইটামান কথা কৈছে। শ্ৰীনিশিত দাসে কোৱাৰ লগে লগে মোৰ বন্ধুৰ দাদা বুলি সন্ত ভাইলৈ মনত পৰিছে। যোৱা কালি যুগান্তৰ কাগজত ওলাইছে তেখেতে বিধান সভাত কৈছে কোনো নতুন পৰিবৰ্ত্তনৰ কাৰণে কিছুমান সময়ৰ দৰ্কাৰ। বিধান সভাত কোৱা কথা। আপোনালোকে অনুভব কৰিছে বুজিছো, ময়ো কিছু সলনি কৰিব খুজিছো আমাৰ বিশেষকৈ ৰিজিয়েনেল ইঞ্জিনীয়াৰিং কলেজৰ কথা কৈছে, আমাৰ ফালৰ পৰা আমি কেইবা কোটি টকা আনিছো আৰু ইতিমধ্যে ঘৰ আদি বন্ধাৰ কাৰণে প্ৰসাশনীয় অনুমোদন সহ ধন গড়কাপ্তানি বিভাগক দিয়া হৈছে। সম্পূৰ্ণ কৰিবলৈ ৮১ চনৰ ভিতৰতে ক্ষিপ্ৰগতিত কাম কৰা হৈছে। অধ্যক্ষৰ বিষয়ে যিবিলাক বেমেজালি আছিল সেইবিলাকো আতৰ কৰাৰ ব্যৱস্থা কৰা হৈছে। বিটি কলেজৰ চৰকাৰীকৰণৰ কথা কৈছে, আমিও জানো চৰকাৰীকৰণ হব লাগে, মোৰ ইচ্ছাও আছিল "পক্ষী মৰে বৈ মন্ত্ৰী মৰে কৈ" এতিয়া কথা কম কোৱা হৈছে। বিটি কলেজ, আইন কলেজ চৰকাৰীকৰণ কৰিব নোৱাৰিলেও এইটো ঠিক যে ধন নিশ্চয় বঢ়াই দিয়া হব। নৰ্ম্মাল স্কুলবিলাকৰ কথা কৈছে আৰু আমাৰ চামচুল হুদা ডাঙৰীয়াই পিচহুৰাৰেদি অহাৰ কথাও কৈছে কিন্তু সেইবিলাক এতিয়া বন্ধ হৈছে আৰু অকল শিক্ষক সকলকহে প্ৰশিক্ষণলৈ নিয়াৰ ব্যৱস্থা কৰা হৈছে। অলপ অসুবিধা হৈছিল তেখেত সকলে কৰি যোৱা চুক্তিৰ কাৰণে, কাৰণ তেখেত সকলে কৰা চুক্তিৰ কাৰণে আমি মুক্তি নোপোৱা হৈছো। মই ক্ৰম অনুসাৰে লিখি গৈছিলো কিন্তু এতিয়া ওলট পালট

হৈছে গতিকে মাননীয় সদস্য সকলে আক্ষেপ নকৰিব, কালি কোৱা হলে ঠিকেই আছিল। মাননীয় সদস্য শ্ৰীৰণেন্দ্ৰ বৰুমতাৰীয়ে এজন ডি আইৰ কথা কৈছিল, নাম কলে ভাল আছিল কিন্তু নকলেও মই উলিয়াই লৈছো, সেই বিষয়ে তেখেতৰ লগত যোধপোচ কৰি ব্যৱস্থা লোৱা হব। (ভইচ শিৱসাগৰৰ কি কৰিলে) শিৱসাগৰৰ কথা মই প্ৰমোদভাইৰ লগত আলোচনা কৰি কৰিম। তেখেতে আৰু এটা কথা কৈছে আৰ্ট আৰু ক্ৰাফট স্কুলৰ কথা। এই গছ মই ১৯৬৮ চনতে ৰুইছিলো আৰু ভাবিছিলো এতিয়া মানে ফল ফুলে জাতিস্কাৰ হৈ আছে, তেতিয়া চলিহা চৰকাৰ আছিল কব ৰৰ ভাল নালাগে। বিষ্ণু ৰাভাই কৈছিল যে চৌধুৰীক তাৰ সভাপতি কৰি দিয়ক আৰু মোক দিয়া হলে হয়তো তাৰ কিবা এটা কৰিব পাৰিলোহেতেন কিন্তু মোক দিলে চোচিয়েলিষ্টৰ নাম হব বুলি নিদিলে। আগতে তাত মই যাবই পৰা নাছিলো অৱশ্যে এতিয়া মন্ত্ৰী হোৱাৰ পাছত সোমাইছো। তাৰ অধ্যক্ষজনেও মোক দেখিলে মাতিবলৈকো ভয় কৰে কিজানিবা কিবা বিপদেই হয়। আনকি ৰবীন্দ্ৰ ভৱনতো মই নিজৰ ধন দিহে থিয়েটাৰ কৰিছো, এনেই যাবই নোৱাৰো এতিয়া অৱশ্যে ৰাতিও যাব পাৰো। তাত এতিয়া বহুত লৰা ছোৱালী হৈছে, মই নিজে গৈ তাৰ নথিপত্ৰ আনিছো। শিক্ষাও বহুতে পাইছে। কিন্তু তাত ডিপ্লোমাহে দিয়া হয় যি ডিপ্লোমাক অসমৰ বাহিৰে বাহিৰত স্বীকৃতি নিদিয়ে।

গতিকে এইবাৰ মই ভাবিছো যেনে তেনে বিশ্ববিদ্যালয়ক কৈ হলেও কাবু কৰিব লাগিব যাতে ই বিশ্ববিদ্যালয়ৰ স্বীকৃতি পায়। এই বিষয়ে তাৰ উন্নতিকল্পে আমি কিছু আগবাঢ়িছো তাৰ কাৰণে মাটি ৰাজহ বিভাগৰ তৰফৰ পৰা কিছু পাইছো কিন্তু বৰ দুৰণীবতিয়া হোৱা কাৰণে আৰু যাতে দুখীয়া লৰা ছোৱালীয়ে চিটিবাছ আদিত যাব পাৰে তাৰ কাৰণে নতুন মাটি এটুকুৰাও বিছৰা হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ

দায়িত্ব যে আছে সেইটো আমি উপলব্ধি কৰিছো।

শ্ৰীৰনেন্দ্ৰ বসুমতাৰী :— এই অনুষ্ঠানখনক কলেজলৈ নামাকৰণ কৰিব লাগে।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— নামাকৰণ কৰিলেই কি হব? কিন্তু আগতে তাৰ ব্যৱস্থা খিনি হব লাগে। তাৰ পিচত মই অৱশ্যে এটা বিজ্ঞাপন দেখিছো ৰেল বিভাগৰ ড্ৰইং পাছ কৰা লৰা লাগে। বোধকৰো ড্ৰাফাটমেণ্টৰ কাৰণে। কিন্তু সেই বিষয়টো আমাৰ ইয়াত নাই। এইবিলাক টেকনিকেল অসুবিধা আতৰাব লাগিব। আমাৰ বসুমতাৰী ডাঙৰীয়াই আকৌ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কথা কৈছে, ইচ্ছা বহুত কেইখন লোৱাৰে আছে কিন্তু ধনৰ নাটনি। প্লেনৰ বিষয়ে আপোনালোকে শুনিছেই সকলোবিলাক আঁচনি নৰ্ম্মেলাইটজ কৰিবলগীয়া হৈছে। উচ্চতৰ মাধ্যমিক স্কুল যি কেইখন কৰিব পৰা যায় সকলোখিনি গাওঁতে কৰা ইচ্ছা আৰু গাওঁতে হব। আমি দেখিছো আমাৰ সদস্য শ্ৰীজীৱন বৰা ডাঙৰীয়াৰ সমষ্টিতে ৪ খন উচ্চতৰ মাধ্যমিক স্কুল আছে তাত ৪০ জন মান লৰা ২৬ জন মান মাষ্টাৰ আছে। তাৰ পিছত আপোনালোকে আচৰিত হব হাইস্কুলেই নহয় আমাৰ আগৰ শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰৰ সমষ্টিত মাটিয়াখাত নামৰ এখন এম ভি স্কুল আছে তাত ৯ জন লৰা ছোৱালী আৰু ৩ জন শিক্ষক। মই তালৈ গৈ ছাত্ৰ ছাত্ৰী কেইজনক সুধিলো 'তোমালোকৰ পিঠিকেইখন চাওঁ কাৰণ শিক্ষকে প্ৰতি ৩ জনকৈ ছাত্ৰ পৰিছে গতিকে কিমান মাৰিছে'। তেতিয়া তাৰ ৰাইজে যি কলে আপোনালোকক কবই ভাল নালাগে 'ইহত কোনোদিন নাহে, ভই অহা কাৰণে আজি আহিছে'।

তুলিয়াজানত এখন স্কুল আছে য'ত এক হাজাৰ লৰা-ছোৱালী

আছে। কিন্তু চৰকাৰী মতে এজনহে আছে। এতেকে এইবিলাক অসমতা আতৰাব লাগিব। আৰু গাড়ী-ঘোঁৰা নোহোৱাৰ কাৰণে ডি, আই, আৰু ইন্সপেক্টৰ সকলেও এই স্কুল বিলাক পৰিদৰ্শন কৰাত অসুবিধা হৈছে। ডি, আই, ৰ অফিচ সংক্ৰান্তত শ্ৰীগগৈ ডাঙৰীয়াই কৈছে যে ব্যৱস্থা নাই। আমি ব্যৱস্থা লৈছো। বোধকৰো শিৱসাগৰত হব। এটা কথা শুনি মই বৰ দুখ পাইছো যিহেতুকে মই "কুকুৰ গদৰ্ভৰো আত্মা হৰি ৰাম" বুলি ভাবো সেই কাৰণে ডি, পি, আই, অফিচৰ কৰ্মচাৰীয়ে কুকুৰৰ দৰে ব্যৱহাৰ কৰা বুলি শুনি মই মৰি হোৱা যেন লাজ পাইছো। তেখেতে যদি এই কথাটো লিখি দিয়ে তেতিয়াহলে যদি সেই কৰ্মচাৰী জনৰ বয়স কম হয় তেতিয়াহলে মই বুজাবলৈ চেষ্টা কৰিম আৰু যদি বয়স বেছি হয় শাস্তি দিম। কৃষি বিদ্যালয়ৰ ক্ষেত্ৰত যিখিনি কথা কৈছে। এইটো শিক্ষা বিভাগত নপৰে। সেই-কাৰণে যেতিয়া এই বিষয়ে কৰ্তন প্ৰস্তাৱ আহিব তেতিয়া কবলৈ মই উলুকিয়াই থলো।

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়া ডাঙৰীয়াই কোৱাৰ ক্ষেত্ৰত কওঁ যে দুজন মান প্ৰতিনিধিৰ কথা আমাৰ মনত খেলাইছে। যদি পাৰো চোৱা যাব। আই, এচ, সকলে নাপায়, ডি, আই, য়ে গাড়ী লাগে বুলি কৈছে। লগতে কওঁ যে ডি, পি, আই, অফিচত কৰ্মচাৰী কম হোৱা কথাটো আমি অনুভৱ কৰিছো। গুৱাহাটীলৈ ৰাজধানী অহাৰ পিচত ডি, পি, আই, অফিচৰ মানুহক কোৱাৰ্টাৰ দিব নোৱাৰাৰ কাৰণে য'তে ত'তে সিঁচৰিত হৈআছে। কোনোবা আছে শান্তিপুৰত, কোনোবা আছে ভৰলুমুখত আৰু কোনোবা আছে জালুকবাৰীত। এনে মানুহৰ কথাও মই জানো যিবিলাক মানুহে য'ত ঘৰ লৈছে তাত চিটি বাছৰ লাইনে নাই। কোনো-বাই আকৌ কৈছে যে ঘৰবিলাক তললৈ নমাব লাগে। এই সম্পৰ্কত

মই কওঁ যে ১৯৮০ চনত যিটো ভূমিকম্প হোৱাৰ সম্ভাৱনা আছে, তাৰ্লৈ বাট চালে ভাল হব বুলি ভাবো।

গাওঁৰ কলেজ বিলাকত অনাৰ্চ দিয়াৰ কথা যিটো কৈছে, আমাৰ ফালৰ পৰা দিব পৰা হলে মই আজিয়েই দিলোহেঁতেন। এইক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ লগত যোগাযোগ কৰিব লাগিব। গাওঁৰ কলেজত অনাৰ্চ নথকাৰ কাৰণেই চোকা লৰা বিলাকে চহৰত পঢ়িবলৈ আহিব লগা হয় আৰু তাৰ কাৰণে খৰচান্ত হোৱা আমাৰ চকুত পৰিছে। এতিয়া বিশ্ব-বিদ্যালয়ৰ উপাচাৰ্য্য জন কগীয়া অৱস্থাত আছে। সেই কাৰণে এই প্ৰশ্নটো তেখেতৰ লগত ভালদৰে আলোচনা কৰিব পৰা নাই যদিও ৰেজিষ্টাৰৰ লগত আলোচনা কৰা হৈছে আৰু একজিকিউটিভ কাউন্সিলৰ জৰি-য়তে আমাৰ সদস্যসকলৰ সহযোগীতাত কিবা কৰিব পাৰিলে ভাল হব।

শ্ৰীদেবানন্দ বৰাই বেছি ভাগেই মোৰ প্ৰসংশা কৰিছে। এই-খিনি কৰাৰ কাৰণে গৌৰৱ কৰাৰ মানুহ আমাৰ জনতা চৰকাৰ নহয়। আপোনালোকে দেখিছে কাগজত মোৰ কথা নোলায়েই। কাগ-জত কেতিয়াবা মোৰ ছবি ওলোৱা দেখিছেনে? মই মানুহৰ মাজত থাকিব বিচাৰিছো। চৰকাৰীকৰণ কৰাৰ পিচত যিটো কাম হব লাগিছিল সেইটো আমি কৰিবলৈ লৈছো। কিন্তু কিছুমান কথা হৈছে যেনে মাটি। স্থাবৰ অস্থাবৰ মাটি অধিগ্ৰহণ কৰিব লাগিব। সেইকাৰণে সোনকালে নহব যেন লাগে। কিন্তু আমি সোনকালে কৰিবলৈ চেষ্টা কৰিছো। পইচা অপব্যয়ৰ ক্ষেত্ৰত যিবিলাক কথা কৈ গৈছে আমি বিশ্বাস কৰো, আমাৰ জনতা চৰকাৰে এটা পইচাও অবাবত খৰচ কৰাত পক্ষপাতি নহয়। হিচাপ বিলাক মই নিজেই দেখিছো এতিয়ালৈকে কোটি কোটি টকাৰ অনুদান দিয়া স্বত্তেও (মই সদিয়াৰ পৰা ধুবুৰীলৈকে ভ্ৰমণ কৰিছো) কেৱল মাজুলি আৰু কাছাৰলৈ যাবলৈ বাকী, তালৈকো অলপতে যোৱাৰ কথা ভাবিছো।

আমি দেখিছো ১০।১৫ বছৰেও একো হোৰা নাই। এই টকা বিলাক কোনে কেনেকৈ খৰচ কৰিলে কব নোৱাৰো। সেইকাৰণে মই কব বিচাৰিছো আমাৰ টকা থকা স্বত্তেও মই কৃপণৰ দৰে বুকুত বান্ধি ৰাখিছো। এতিয়া এই কল হোৱাৰ পিচত এই টকাবিলাক আপোনালোককে বিলাই দিবলৈ দিম। মই ভাবো এখন নতুন স্কুলৰ ঘৰ হোৱাতকৈ পুৰণি যিটো স্কুল ঘৰ আছে সেইটোকে সুন্দৰ কৰি দিয়াৰ ব্যৱস্থা যদি ডেৰ বছৰৰ ভিতৰত কৰি দিয়ে মই আনন্দ পাম। সচাঁকৈ মই নিজে......

শ্ৰীকুল বাহাদুৰ ছেত্ৰী :— নতুন স্কুল ঘৰ সজাৰ পৰিবৰ্তে পুৰণা স্কুল ঘৰ বিলাক ভাল কৰাৰ কথা কৈছে। কিন্তু ৰাইজে বহু কষ্ট কৰি যিবিলাক স্কুল সাজিছে সেইবিলাক নলব নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষামন্ত্ৰী ) :— সেইটো আপোনালোকৰ ওপৰতহে নিৰ্ভৰ কৰিব। আপোনালোকে নতুন লাগিলেও লব বা পুৰণা ভাল কৰিলেও কৰিব। আমি নতুন স্কুলৰ লগতে নতুন মাষ্টৰ বিচাৰিলেও দিব পাৰো। তাৰ কাৰণে আমি অনুদান বিচাৰিছো। ৩১ মাৰ্চ্চৰ আগতে পোৱা আশা। সেইকাৰণে মই বিনীত ভাবে কৈছো আমাৰ ফালৰ পৰা আপোলোকক সাঙুৰী ডোকোলটোকা বানত পেলাবলৈ বিচাৰিছে মই নিজেই গণতান্ত্ৰিক সমাজবাদত বিশ্বাস কৰো। সেইকাৰণে মই নিজে গালি খাইও আপোনালোকৰ দ্বাৰা এইটো কৰিবলৈ ওলাইছো। আৰু আজি আনন্দ পাইছো যে আমি পোহৰ দেখিবলৈ পাইছো তাত আপোনালোকৰ সহায় লাগিব। ইতিমধ্যে কিছুমানে ৰিজাইন দিছিলে মই তেখেত সকলক পুনৰ বিবেচনা কৰিবলৈ কৈছো।

এডাল্ট এডুকেচনৰ সম্পৰ্কত শ্ৰীগগৈ ডাঙৰীয়াই পাৰ্টিৰ মানুহ দিয়াৰ কথা যিটো কৈছে সেইটোত মই মৰি যোৱা যেন পাইছো। ৰাইজৰ কাম কৰাৰ কাৰণে মই পাৰ্টি নামানো। আনকি মোক পাৰ্টিৰ

মানুহেও বেয়া পায়। সেইকাৰণে যিসকল বন্ধুয়ে শিক্ষা বিতর্কত অংশ গ্ৰহণ কৰিছে আৰু পাৰ্টিৰ মানুহ দিছে বুলি আপত্তি কৰিছে মই তেখেত সকলৰ মানুহো দুই এজন স্নুমুৱাই লবলৈ ৰাজি আছো। মই বিশ্বাস কৰো যে সকলো পাৰ্টিৰ মানুহ ইনভলভ্ হলেহে ৰাইজৰ কাম হব। আমাৰ ফালৰ পৰা কাম কৰিবলৈ সদায় আগ্ৰহ আছে। আমাৰ চৰ অঞ্চল আৰু পাহাৰীয়া অঞ্চল বিশেষকৈ কাৰবি আংলঙত যিখিনি কৰিবলৈ ওলাইছো তাৰ কাৰণে ধন ৰখা হৈছে। বড়ো স্কুলত হিন্দীৰ কাৰণে বাজেটত ব্যৱস্থা ৰাখিছো যাতে আমি সকলোকে সমপৰ্য্যায়তে আনিব পাৰো। দৰকাৰ হলে আৰু আপোনালোকে যদি মোক সমর্থন দিয়ে তেতিয়াহলে চহৰ অঞ্চলত বেছিকৈ থকা হায়াৰ চেকেণ্ডাৰী স্কুল বিলাক আনি গাওঁত পাতিম।

চ'ৰ অঞ্চলত আৰু পাহাৰ অঞ্চলত আমি শিক্ষা বিস্তাৰ কৰিবলৈ যথাৰ্থতেই খুব ইচ্ছুক। সেয়েহে কাৰবি অঞ্চলত শিক্ষা বিস্তাৰ কৰিব কাৰণে আৰু বড়ো ভাষা-ভাষী অঞ্চলত শিক্ষা বিস্তাৰ কৰাৰ কাৰণে বেচি ধন বিনিয়োগৰ চেষ্টা কৰা হৈছে। যাতে সকলোকে সমপৰ্য্যায়লৈ আনিব পাৰি। আনকি আৱশ্যক হলে চহৰৰ পৰাও বেচি হৈ থকা হায়াৰ চেকেন্দেৰী স্কুল বিলাক গাৱঁৰ ফালে পঠিয়াই দিয়াৰ কাৰণেও চিন্তা কৰা হৈছে। তেজপুৰ, নগাওঁ, গুৱাহাটীত এই বিলাক ঠাইত, এতিয়া আৰু লাক্সাৰীৰ দিন নাই। মাননীয় সদস্য সকলৰ দাবী মতে বিজ্ঞান প্ৰচাৰৰ ওপৰত চেষ্টা কৰা হব। মোজামিল আলি চৌধুৰীয়ে মাতৃ ভাষাত শিক্ষা লোৱাৰ ওপৰত জোৰ দিবলৈ কৈছে, মই ইয়াত আনন্দ পাইছে। কিন্তু আপোনালোকে জানে যে আমাৰ মিচিয়ন্যাৰি স্কুল বিলাকৰ অৱস্থা ভাল অলপতে বঙ্গাইগাওঁত চাকৰি কৰা মোৰ এজন বন্ধু আছিল তেওঁ শিক্ষকতা কৰে, অলপতে তেওঁ ঢুকাল, তেখেতৰ পৰিৱাৰ আন্দাৰ মেট্ৰিক আগৰ চৰকাৰৰ দিনতে মেডিকেল কলেজত ৪র্থ

শ্ৰেণীৰ চাকৰি কৰে, তেওঁৰ লৰাই টংলা দনবসকো স্কুলত পঢ়িছিল, তেওঁ গুৱাহাটী দনবসকো স্কুলত আহিবলৈ বিচাৰিছিল, প্ৰিন্সিপালে, ইমান ধন খৰচ কৰি পঢ়িব নোৱাৰিব বুলি কলে, কিন্তু আমি বিলামুলীয়াকৈ পঢ়িবৰ কাৰণে সুবিধা কৰি দিয়া হল। কুলবাহাদুৰ চেত্ৰীয়ে দুখীয়া আৰু পিচপৰা মানুহৰ কথা কৈছে। সেইটো অৱশ্যে সচা কথা। প্ৰসাদ দলৈ ডাঙৰীয়াই অনুসূচীত সম্প্ৰদায়ৰ কথা ভাল লগাকৈয়ে কৈছে। অৱশ্যে মই অনুৰোধ কৰো যাতে তেওঁলোকেও লৰা-ছোৱালীক স্কুললৈ পঠিয়াবলৈ চেষ্টা কৰে। ট্ৰাইবেল চাব প্লেনৰ যিটো কথা কৈছে, সেইটো মানি লোৱা হব। চাবপ্ৰাইজৰ ভিজিটৰ কথা তেখেতে যিটো কৈছে কিন্তু কওঁ চাব-প্ৰাইজৰ ভিজিটৰ নিদিয়াই ভাল হব নেকি? কিয়নো মই নিজেই চাব-প্ৰাইজ ভিজিট দিছো। কিছুমান ঠাইত কিছুমান গাওঁৰ স্কুলত দেখা গৈছিল মাষ্টৰ অহা নাই। নিচিনা নজনা ঠাই কোনেও চিনি নেপায় আমাক। মাষ্টৰ বিলাক ঠিকমতে নেপাইছি। মাইনৰ স্কুল কেইখনত হেড মাষ্টৰ নাছিল। হাইস্কুলৰ হেডমাষ্টৰ আছিল। যিখন স্কুল একেটা ঘৰতে আছে। মাইনৰ আৰু হাইস্কুলৰ শিক্ষক সকলৰ মাজত দন্দ। অথচ দুয়োটা স্কুল একেটা ঘৰতে হয়। মই একেলগে দুইখন স্কুলৰ মাষ্টৰক মাতি মিটিঙ পাতিব বিচাৰিছিলো, কিন্তু তেওঁলোক আহিব ভাল নাপায়। গতিকে এই মাইনৰ আৰু হাইস্কুলত এটা নীতি নিৰ্দ্ধাৰণ কৰিব বিচাৰো। আগৰ চুক্তি আছিল যে মাইনৰ স্কুলৰ হেডমাষ্টৰ গুচি গলে হাইস্কুলৰ এচিচটেণ্ড হেড মাষ্টৰ, হেড মাষ্টৰ হব পাৰে। হাইস্কুলৰ এজন থকা পিচতো জিনিউৰজনে চিনিউৰ জনৰ ওপৰলৈ যায়গৈ। এই ধৰণে নানা ধৰণৰ অনিয়ম চলি আছে। আক্ৰাম হুচেইন চাহাবে চাহ বাগানৰ কথা কৈছে এই চাহ বাগানত ট্ৰিপাৰ্টি চুক্তি আছিল। তাত এতিয়া বহুত বাগানত কিছুমানত মোকৰ্দ্দমা কৰিবলৈ লৈছো। তাত এতিয়া মানুহ লৈ আন্দোলন কৰিলেহে ভালেই হয়। ১৩ লাখৰ ঠাইত মাত্ৰ

৭ লাখহে পোৱা হৈছে। ৬ লাখ টকা এতিয়াও বাকী আছে। অৰ্থচ তেওঁলোকৰ শিক্ষক সকলক দৰমহা দি থকা হৈছে। ১৯৪৭ চনৰ পৰা ৭৯ চনলৈকে এই পিৰিয়দৰ বেচি ভাগৰে হিচাব নাই। গাৱেঁ গাৱেঁ গৈছে যে কিছুমান দুখীয়া শিক্ষক বেমাৰত পৰি আছে। মই দৰ্খাস্ত নিজৰ পৰাই দিয়াইছো টিপ চহী কৰি দৰ্খাস্ত দিয়া হৈছে। কিছু টকা দিচবাৰচ হৈছে কিন্তু সৰহ ভাগৰেই হিচাব নাই। ১ লাখ ৮৩ হাজাৰ টকা ড্ৰাফট পৰি আছে। মাত্ৰ ১৫৩ হেজাৰ মানহে পাইছো। ২০ হেজাৰ মান পৰি আছে। হৰেণ তালুকদাৰ আগৰ শিক্ষা মন্ত্ৰী আৰু আমাৰ শৰৎ সিংহ ডাঙৰীয়া মুখ্য মন্ত্ৰীয়ে ইমান পবিত্ৰ মনেৰে এই শিক্ষা অনুষ্ঠানৰ কাৰণে বেংক চেক চহী কৰি পঠিয়াইছিল সেইবিলাকো মঞ্জুৰ নোহোৱাকৈ পৰি আছে। ১৯৭৭ চনৰ পৰা ১৯৭৮ চনলৈ তুলসী মজুমদাৰে আউট ৰিপৰ্ট দিছিল তাৰ কোনো ফলআপ একচন নহল। মই কাকো দোষাৰোপ কৰিব খোজা নাই। অৱশ্যে এইবিলাক অভিযোগৰ ক্ষমা নাই। মজি শিক্ষা মন্ত্ৰীৰ নাই। প্ৰেছৰ পৰা আমাৰ ফে্লেগ কিমানদপা হল আনিবলৈ বাকী আছে। এইবিলাকৰ জৰিয়তে ধনৰ যথেষ্ট অপব্যয় হৈছে। পুঁজিটো পুনৰ গঠন কৰা হৈছে। ধন অপব্যয় কৰা নাই কিন্তু পকেটলৈও যোৱা নাই। ইন্সপেক্টৰ স্কুল বিলাকতে এইবিলাক পৰি আছে। আৰু DPG ৰ অফিচত জমা নিদিয়াকৈ পৰি আছিল। অৱশ্যে ইয়াৰ হিচাব উলিয়াব লাগিব। কোন প্ৰেছত কি আছে সেইটো চাবলৈ বিভাগীয়া একাউণ্ট অফিচাৰ পঠাই তাক পৰিদৰ্শণ কৰাৰ ব্যৱস্থা কৰা হব। গুৱাহাটীতেই সেই হিচাব কৰিব পৰা হোৱা নাই। অৱশ্যে তেজপুৰত অল্পতে দিছে। এইবিলাক ঘটনা কেনেকৈ হবলৈ পাইছে আপোনালোকক ধীৰে সুস্থিৰে সকলো কথা কৈ যাব পাৰিম যে আমাৰ দেশখন কেনেকৈ চলিছে আৰু কেনেকৈ চলাইছিল শিক্ষা বিষয়ত বহুকেইজন সদস্যই নানা ধৰণৰ প্ৰশ্ন উত্থাপন কৰিছে আৰু তাৰ কাৰণে

মই ওৰে ৰাতি আঠুৰাৰ তলত ফাইল চাই উত্তৰ দিবলৈ প্ৰস্তুত হব লগা হৈছে। কিয়নো এই বিষয়ত মোৰ নিজৰেই অভিজ্ঞতা নাথাকিলে কি কম? মই আগতেই কৈছো যে পক্ষী মৰে বৈ আৰু মন্ত্ৰী মৰে কৈ। সেই কাৰণে মই আপোনালোকক বিনিত ভাবে এই সমাজ বিশেষকৈ শিক্ষা সমাজখন সলনি কৰিবলৈ গোহাৰী জনাইছো। মাননীয় সদস্য শ্ৰীঅতুল গোস্বামীয়ে থলুৱা সংস্কৃতিৰ বিষয়ে কৈছে। আমাৰ এটা সাংস্কৃতিক বিভাগৰ নিয়ম আছে যে পঞ্জিভুক্ত সংঘ নহলে ধন দিব নোৱাৰি। থলুৱা প্ৰতিযোগীতা পতা হৈছিল এইবিলাক উদ্ধাৰৰ কাৰণে। নৃত্য কলাৰ উৎকৰ্ষ সাধনৰ কাৰণে নেচনেল স্কুলত প্ৰশিক্ষণ দিয়াৰ কাৰণে ২০০ টকাৰ বৃত্তি দিয়া হৈছিল। এতিয়া ৰবীন্দ্ৰ নেচনেল ড্ৰামাৰ কাৰণে ২৫ গৰাকী শিক্ষাৰ্থীক প্ৰশিক্ষণ দি থকা হৈছে। ইয়াৰ বাহিৰেও সত্ৰীয়া নাচ, বিহু নাচৰ এটা চিলেবাচ কৰিবৰ কাৰণে এটা আঁচনি কৰা হৈছে। সংস্কৃতি বিকাশৰ কাৰণে এখন অনুস্থান কৰিবলৈ ৰাজহ বিভাগৰ পৰা মাটি বিচৰা হৈছে। দেবদাসী নৃত্য, উদ্ধাৰ হৈছে। ওজাপালি আৰু দেওধনীৰ কাৰণে ব্যৱস্থা কৰা হৈছে। অধ্যক্ষ মহোদয়ৰ আদেশ বিচাৰি মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

শ্ৰীপ্ৰমোদ গগৈ:— মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে প্ৰকাশন পৰিষদৰ প্ৰাক্তন সদস্য জনৰ সম্পৰ্কে এটা তদন্ত কৰা হৈছে আৰু সেই তদন্তৰ ৰিপোৰ্ট লৈ প্ৰকাশন পৰিষদ আৰু চৰকাৰৰ মাজত আজি ৩ বছৰে অহা যোৱা কৰি আছে। ইয়াৰ দায়িত্ব কোনেও নলয়। এবছৰ আগতে পাব্লিক একাউন্টচ কমিটিয়ে জনাইছিল যে এমাহৰ ভিতৰতে কিবা এটা নিস্পত্তি কৰা হব। মই জানো সেই ৰিপৰ্ট চৰকাৰৰ হাতত আছে, চৰকাৰে ইয়াৰ কিবা ব্যৱস্থা কৰিছে নেকি?

দ্বিতীয়তে মোৰ আন এটা কথা হল প্ৰাথমিক আৰু মধ্য অসমীয়া

স্কুলৰ শিক্ষক সকলে যোৱা কালিৰ পৰা অনশণ কৰি আছে। তেওঁ-লোকৰ দাবীবিলাক মিমাংসা কৰাৰ কাৰণে চৰকাৰে কিবা ব্যৱস্থা গ্ৰহণ কৰিছে নেকি ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এই বিষয়ত সদনত সম্পূৰ্ণ বিবৃতি ডাঙি ধৰিছো। আমি আলোচনাৰ থল ৰাখিছো আৰু তেওঁলোকেও আলোচনা কৰিম বুলি আমাক কথা দিছে। এই বিষয়ত ৰাজ্যিক মন্ত্ৰী শ্ৰীবৰ্ম্মনক ভাৰ দিয়া হৈছে। মই আপোনালোকক জনাব খুজিছো যে যোৰহাট, মাজুলি, শিলচৰ, নগাওঁ আদিৰ শিক্ষক সস্থা সমূহে ইয়াৰ বিৰোধীতা কৰি আমালৈ চিঠি পত্ৰ দিছে আৰু তেওঁলোকৰ এই আন্দোলনত কোনো সমৰ্থন নাই বুলি জনাইছে। এই আন্দোলন ৰাজনৈতিক নহয়। তেখেত সকলে কোৱামতে আমি ১৯৭৫ চনৰ পৰা ধন উলিয়াই নিবলৈ দিছো। ১৯৭৩ চনৰ পৰা দিয়া কথাটো বিবেচনাধীন হৈ আছে এইটো নৈতিক দায়ীত্ব বুলি কোৱা স্বত্তেও আন্দোলন কৰি আছে। মই আজি আৰু বিশেষ কব নোখোজো, পিচত জনাম।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— এওঁলোকৰ দাবী সম্পৰ্কত কেবিনেট এপ্ৰোভেল লওক। কেবিনেটে মঞ্জুৰী দিয়ে নে নিদিয়ে তাৰ দায়িত্ব মন্ত্ৰী ডাঙৰীয়াই গ্ৰহণ কৰিব লাগিব।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এই বিষয়ত মই বিস্তৃত ভাবে বিবৃতি দিছো। মই এই কথাটোত বৰ দুখ পাইছো যে যাৰ কাৰণে মই নিজেই ইমান কষ্ট কৰি এইবিলাক সমাধান কৰিবলৈ বিচাৰিছো তাত এনেধৰণে বিধি পথালি দিয়াৰ চেষ্টা, চলাইছে।

শ্ৰীনৰেণ দত্ত :— মন্ত্ৰী ডাঙৰীয়াই বিভিন্ন বিষয়ত উত্তৰ দিছে। জনতা চৰকাৰ গাদীত অধিস্থিত হোৱাৰ পিচত তেওঁলোকৰ মূল নীতি

আছিল যে স্কুল নথকা গাওঁত এখন স্কুল কৰা, ভেন্সাৰ স্কুল বিলাক লোৱা আৰু এজনীয়া শিক্ষক থকা স্কুলত দুজন শিক্ষক লোৱা। এই বিষয়ত মন্ত্ৰী ডাঙৰীয়াই এষাৰো মাত নামাতিলে। তাৰ এটা স্পষ্টীকৰণ দিব নেকি?

শ্ৰীক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— ১'৫ কিলোমিটাৰৰ ভিতৰত স্কুল পতাৰ সিদ্ধান্ত নীতিগত ভাবে লোৱা হৈছে। সময়ত ধনৰ পৰিমান বৃদ্ধি হলে সেই ব্যৱস্থা লোৱা হব।

শ্ৰীখগেন বৰবৰা:— মন্ত্ৰী মহোদয়ে নিজেই কৈছে যে মন্ত্ৰী মৰে কৈ আৰু পক্ষী মৰে বৈ। মন্ত্ৰী মহোদয়ে কৈ ফুৰিছে যে প্ৰাথমিক স্কুলৰ শিক্ষক দুহেজাৰ লোৱা হব আৰু লগতে বিত্তৰ বিষয়েও কৈছে। এইটো মৰা কথা নে জীয়া কথা?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— ভেনেধৰণৰ কথা সদনত কোৱা নাই। কিন্তু দুহেজাৰ শিক্ষক দিয়াৰ কথাটো চিন্তা কৰিছো।

শ্ৰীভুৱনেশ্বৰ বৰ্ম্মণ:— মই যোৱা কালিও কৈছো যে পৰিদৰ্শণ আৰু প্ৰশাসনৰ কাৰণে দুটা বিভাগ কৰিব লাগে। সেইবিষয়ে মন্ত্ৰী মহোদয়ে কিবা চিন্তা কৰিছে নেকি?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— সেইটো বিবেচনা কৰা হব। ইয়াৰ লগতে কেইজনমানে পাঠ্যপুথিৰ কথাও কৈছিল। পাঠ্যপুথি এন, চি, আৰ, টিয়ে ব্যৱস্থা কৰিছে। বিশেষকৈ প্ৰাথমিক স্তৰত এটা নিৰ্দ্দেশ দিয়া হৈছে যে এটা নীতি নিৰ্দ্ধাৰণ কৰি পাঠ্য-পুথি সলনি কৰিব লাগে। সেইকাৰণে এটা নীতি নিৰ্দ্ধাৰণ কৰি আমি পাঠ্য-পুথি সলনি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছো। মই আগতে জনা নাছিলো যে চতুৰ্থ শ্ৰেণীৰ কুৰিপাত

খনত মোৰ এটা কবিতা সংলগ্ন হৈ আছে। মই অল্পপতে শ্ৰীউপাধ্যায়ৰ লগত তেজপুৰলৈ যাওঁতে এই কথা জানিব পাৰিছো। তাত শিক্ষক সকলে কলে যে চতুৰ্থমান শ্ৰেণীৰ পুথিখন অলপ ডাঙৰ হৈছে, পঢ়িবচোন। তাত চাই দেখিলো মোৰ এটা কবিতাও আছে। কবিতাটোৰ নাম হল মোৰ লক্ষ্য। কিন্তু এইটো কেনেকৈ তাত সংলগ্ন হল নাজানো। তেওঁলোকে কলে যে এইটো অন্যায় হৈছে ক্ষতিপুৰণ দাবী কৰে যদি কিছু টকা পাব। মই সেইকাৰণে বেয়া পোৱা নাই কিয়নো ৰাইজৰ কাৰণে কবিতা লিখিছো। কিন্তু সংলগ্ন কৰাৰ সময়ত লিখকক জনাব লাগে। মই দুখ পাইছো তাত জয়প্ৰকাশৰ কলিটো সংলগ্ন কৰা নাই। তেওঁলোকক সোধাত কলে যে সেই সময়ত জয়প্ৰকাশ চৰকাৰৰ মানুহও নাছিল। তেতিয়া মোকৰ্দমা কৰিবৰ মন গৈছিল কিন্তু মোকৰ্দমা কৰিলেও একো লাভ নহয় কিয়নো মই নিজেই তাৰ চেয়াৰমেন। এই খিনিতে মই কব বিচাৰিছো যে পাঠ্য-পুথিৰ সম্পাদন কৰিবলৈ দিওঁতে নিজৰ প্ৰবন্ধ থাকিলে ৰয়েল্টি বেচি পায় আৰু লোকৰ প্ৰবন্ধ থাকিলে ৰয়েল্টি কম পায়। সেই কাৰণে মই ভাবো শিক্ষাবিদ সকলক লৈ কৰিব পাৰিলে ভাল হয়। আগতে যি ব্যৱস্থা আছিল আমি সেইটো বুজিব পৰা নাই। শ্ৰীৰমেশ চহৰীয়া আৰু আন এজন সদস্যই কৈছে যে শিক্ষা বিভাগত আৰু এজন মন্ত্ৰী লাগে। মোৰ শক্তিক উপলুঙা কৰিব নাপায়। মই এতিয়াও কৈছো যে দূৰ্নীতি দেখিলে মোৰ অসহ্য হয়, এইটোৱে মোৰ অসুবিধা।

শ্ৰীহেমেন দাস :-- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় তেখেতৰ বিবৃতিত যোৱা কালি মাননীয় সদস্য শ্ৰীনিশীথ দাসে কোৱা শিক্ষক প্ৰশিক্ষণৰ বিষয়টোত বিশেষকৈ গুৱাহাটী বানিকান্ত বিটি কলেজ আৰু চিলচৰৰ বিটি কলেজলৈ শিক্ষকক পঠোৱা হৈছে কিন্তু

টকা মাত্ৰ ১৫ হাজাৰহে পঠোৱা হৈছে। গতিকে এতিয়া মন্ত্ৰী মহোদয়ে কি কয় জানিব বিছাৰিছো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— সেইটো বিষয়ত মই কৈছোৱেই যে তেখেতে এইটো প্ৰসংশনীয় চিন্তা কৰিছিল। অন্ততঃ ট্ৰেইনিং কলেজ চৰকাৰীকৰণ কৰা এইটো আমাৰ বিবেচনাত আছে। বৰ্ত্তমান ধন বঢ়াই দিবলৈ ঠিক কৰা হৈছে।

মঃ চামছুল হুদা :— অধ্যক্ষ মহোদয়, মই এটা ক্লেৰিফিকেচন বিচাৰিছো। মই যোৱা কালি কৈছিলো যে পৰিদৰ্শনৰ অভাৱত শিক্ষাৰ মানদণ্ড একেবাৰে পিচপৰি গৈছে। এই স্কুল সমূহ অৰ্থাৎ এল, পি স্কুলৰ পৰা আৰম্ভ কৰি হাইস্কুল পৰ্য্যন্ত পৰিদৰ্শণ কাৰ্য্যকৰি কৰি সু-ফলপ্ৰসু কৰাৰ আঁচনি চৰকাৰে লৈছে নে নাই বা চিন্তা কৰিছে নে সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী) :— এইটো পৰামৰ্শ অতি সু-পৰামৰ্শ মই নিজে দেখিছো পৰিদৰ্শন একেবাৰে নাই। এই যে নতুনকৈ ডিচট্ৰিক, চাবডিভিজন বিলাক হৈছে এই সংক্ৰান্তত নিয়োগ আদি নতুনকৈ কৰি তেনেকৈ কিবা কৰিব পাৰি নেকি চেষ্টা চলাই আছো। আৰু হাইস্কুল আৰু এল, পি, স্কুল সমূহৰ ক্ষেত্ৰত ধনৰ হিচাব কৰিব লগা হৈছে।

শ্ৰীভবেন শইকীয়া :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিছাৰিছো। মন্ত্ৰী মহোদয়ে কৈছে যে ডি, পি, আই, অফিচত কৰ্ম্মচাৰী কম কাৰণে তাত কৰ্ম্মচাৰী বঢ়োৱা হব। মন্ত্ৰী মহোদয়ে এই অফিচটোত কৰ্ম্মচাৰী কম বুলি শুনিছে কিন্তু এই অফিচটো যে এটা সাংঘাটিক অফিচ বুলি জনাজাত সেইটো বোধকৰো মন্ত্ৰী মহোদয়ে শুনা নাই। সেই অফিচত কৰ্ম্মচাৰী কম বুলি কৈছে

সচাঁ কিন্তু যি সকল কৰ্ম্মচাৰী আছে তাৰ এভাগে কাম নকৰে। আলি-বাটত্তত ঘূৰি ফুৰোত্তে যায়। বহুত্তৰ হাত পাতি থাকোত্তে যায়। অবশ্যে সেইটো দূর্নীতি প্ৰকাশ্যে। তেওঁলোকৰ ইচ্ছা পূৰণ হলেহে এখন কাগজ ওলাই আহে। তেনেকৈ ধমক দি কাম কৰোতে বেচি সময় যায়। আৰু সেই অফিচত যি সকল অফিচাৰ অর্থাৎ ডি, পি, আই আৰু এ, ডি, পি, আই সকলে আছে তেওঁলোকে নিজৰ কক্ষৰ ভিতৰতে থাকে। আৰু তেওঁলোকক যদি কোনোবাই গোচৰ দিয়ে আপোনাৰ অফিচত এনেকুৱা হৈছে। তেখেত সকলে কয় যে আমাৰ অফিচত এনেকুৱা কেতিয়াও হব নোৱাৰে। গতিকে এইকথা মই মন্ত্ৰীৰ অবগত কৰিলো। কৰ্ম্মচাৰী বঢ়োৱাৰ ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে যি ধৰণে সিদ্ধান্ত লৈছে মই আশা কৰিব খোজো যে, থকা সকলে যাতে কাম আৰম্ভ কৰে তাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে নিশ্চয় লব। কিন্তু এতিয়াও সেই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব পৰা নাই।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (মন্ত্ৰী):— অধ্যক্ষ মহোদয়, আমাৰ সদস্য শ্ৰীৰনেন বসুমতাৰী ডাঙৰীয়াই এই বিষয়ে কৈছে। মইও আপোনালোকক কৈছো, দূর্নীতিৰ কথা শুনিছো। কিন্তু কোনে কৰিছে সেইটো নকয়। মই এইটো আপোনালোকক কব পাৰো যে যদি আমি সকলোৱে একে-লগে সহযোগ কৰো এই বিষয়ে এটা পদক্ষেপ লওঁ, তেনেহলে মই আশা কৰো অনতিপলমে এই সাংঘাতিক অফিচ নহয় এইটো এটা মধুৰ অফিচ হব। তাত যিখিনি অফিচাৰৰ কৰ্ম্মচাৰী আছে, তেওঁলোকক মোৰ নিজৰ লৰা ছোৱালীৰ দৰে লাগে। গতিকে মই কিবা এটা কথা বুজালে তেওঁলোকে শুনিব বুলি মোৰ দৃঢ় বিশ্বাস।

শ্ৰীৰমেশ চহৰীয়া:— মোৰ কাটমোচনৰ বক্তৃতাত এজন মন্ত্ৰীৰ ঠাইত দুজন মন্ত্ৰী লাগে বুলি অর্থাৎ হলে ভাল হয় বুলি কৈছিলো। কিন্তু

মই এই ভাবে কোনো বক্রোক্তি কৰা নাছিলো। বঙ্গ দেশৰ আদৰ্শতহে কৰাৰ কথা কৈছিলো। এই কথাটোত, মই অতি দুখ পাইছো। আমাৰ কলেজ সম্পৰ্কত এটা স্পষ্টিকৰণ বিছাৰিছো যে, ৭৫ চনৰ ভিতৰত অসমৰ ৬৪ খন কলেজে ৰেজিষ্টাৰ চোচাইটিৰ পৰা ৰেজিচট্ৰেচন পালে আৰু ই, উ, জি চি গ্ৰেডৰ লিষ্টত ভুক্ত হল। কিন্তু বাকী ৭০ খন কলেজৰ ভিতৰত টংলা কলেজেও এডাল্ট এডুকেচনৰ ৰেজিষ্টাৰ চোচাইটিৰ পৰা ৫ হাজাৰ টকা পালে। কিন্তু এতিয়া ইউনিভাৰচিটিৰ পৰা জনাই দিছে যে, মাৰ্চ মাহৰ পৰা তেওঁলোকে টকা নাপায়। এতিয়া মন্ত্ৰী মহোদয়ে কি ব্যৱস্থা লব খুজিছে জানিব বিছাৰিছো।

শ্ৰীলক্ষ্যধৰ চৌধুৰী (ক্ৰমশ):— মই এজন মন্ত্ৰী বঢ়োৱাৰ কথা কওঁতে বেয়া পোৱা নাই। কাৰণ আমি বেয়া পোৱা সীমা পাৰ হৈছে। কিন্তু এইটো কথা চাব লাগিব, যিখিনি কথা চহৰীয়া ডাঙৰীয়াই কৈছিল আলোচনা কৰি কি কৰিব পাৰো চাব লাগিব। কিন্তু টংলা কলেজত এডাল্ট এডুকেচন নিদিয়াই ভাল হৈছে নেকি, সেইটো ভালকৈ ভাবি চাব।

শ্ৰীপ্ৰেমধৰ বৰা:— অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে মাননীয় সদস্য শ্ৰীচহৰীয়াই তেখেতৰ বক্তৃতাৰ কালত মন্ত্ৰীৰ ওচৰত এটা অভিযোগ আনিছিল। সেইটো হল ১৯৭৫ চনতেই প্ৰাথমিক স্কুলৰ শিক্ষক সকলৰ দৰ্মহাৰ পৰা কাটি ৰখাৰ বাবে চৰকাৰে এটা 'ডেপজিটি স্কীম' কৰিছিল। জীৱন বীমা একাউন্টৰ কাৰণে প্ৰতিজন শিক্ষকৰ দৰ্মহাৰ পৰা এ্কাটা নিৰিখত কাটি ৰাখিছিল। আজি চাৰি বছৰ ধৰি সেইবিলাক জীৱন বীমা একাউন্টত টকাবোৰ জমা হোৱা নাই। এতিয়াও ৬০-৭০ হেজাৰ টকা চৰকাৰৰ ঘৰতেই জমা হৈ আছে। এই চাৰিটা বছৰে ডি, আই, অফিছে টকাখিনি কাটি লৈছিল কিন্তু জীৱন

বীমা প্ৰিমিয়াম হিচাবে একাউণ্টত জমা দিয়া নাই। সেইটো এতিয়া এটা 'ডেথ্ একাউণ্ট' হৈ ডি: আই, অফিছত আছে। এই বিষয়ে বাৰে বাৰে অভিযোগ হৈ আছে। গতিকে মন্ত্ৰী মহোদয়ে এই বিষয়ে অতি সোনকালে সু-ব্যৱস্থা লবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :— এই বিষয়ে সু-ব্যৱস্থাই নহয়, আচল ব্যৱস্থা লোৱা হব।

শ্ৰীপ্ৰসাদ দলৈ :— অধ্যক্ষ মহোদয়, মই শিক্ষামন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো যে প্ৰাথমিক স্কুলৰ শিক্ষাৰ মান উচ্চ পৰ্য্যায়ৰ কৰাৰ কাৰণে যিবিলাক প্ৰাইমেৰী স্কুলত এজনীয়া শিক্ষক আছে সেইবিলাকত কমেও আৰু এজন শিক্ষক দিবৰ কাৰণে নীতিগত ভাৱে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিবনে ? এইটো হল এক নম্বৰ কথা। দুই নং কথা হল অসমৰ যিবিলাক উচ্চ মাধ্যমিক বিদ্যালয় আছে তাত বিজ্ঞান বিষয়টো বাধ্যতামূলক কৰিছে। কিন্তু এতিয়ালৈকে বহুতো স্কুলত বিজ্ঞান বিষয়টো খুলিবৰ কাৰণে চৰকাৰে মঞ্জুৰী দিয়া নাই। গতিকে যিবিলাক উচ্চ মাধ্যমিক বিদ্যালয়ত এতিয়ালৈকে বিজ্ঞানৰ মঞ্জুৰী দিয়া নাই সেইবিলাকত বিজ্ঞানৰ মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰিবনে ? তাৰ লগতে আৰু এটা কথা কব বিচাৰিছো যে কৰ্ম্ম অভিজ্ঞতা বুলি যিটো বিষয় আছে সেই বিষয়টো বিভিন্ন স্কুলত মঞ্জুৰী দিয়া হৈছে কিন্তু হায়াৰ চেকেণ্ডেৰী কিছুমান স্কুলত মঞ্জুৰী দিয়া হোৱা নাই। এই বিলাক ক্ষেত্ৰত কোনো পাৰ্থক্য থাকিব নালাগে। গতিকে নীতিগত ভাবে মঞ্জুৰী দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী ( শিক্ষামন্ত্ৰী ) :— নীতিগত ভাবে গ্ৰহণ কৰা হব।

শ্ৰীনেপাল চন্দ্ৰ দাস :— অধ্যক্ষ মহোদয়, আমাৰ কয়েকটা প্ৰশ্ন ছিল।

স্যার, যে সব এল পি, এম ভি এবং এম ই স্কুল বহুদিন থেকে ভেঞ্চাৰ অবস্থায় আছে সে গুলি গ্রহণ করার ব্যাপারে সরকার কি নীতি গ্রহণ করেছেন? তাছাড়া, যেসব হিন্দী এবং অসমীয়া মাষ্টাৰ সেগুলি স্কুলে বহুদিন ধরে কাজ করছে তাদের চাকরীর ব্যাপারে কি ব্যৱস্থা নিয়েছেন এবং নেশানল ভলেনটিয়ারী অরগেনাইজেশনে যে সব যুবকদের চাকরি দেওয়া হয়েছিল ( ৩৫০ জনের মত হবে ) তাদেরকে বরখাস্ত করা হয়েছে। এই ৩৫০ জনকে কাজ দেওয়ার কি ব্যবস্থা সরকার নিয়েছেন তার স্পষ্টীকরণ আমি চাই।

শ্রীলক্ষধৰ চৌধুৰী ( শিক্ষামন্ত্রী ):— এম, ভি স্কুলৰ ক্ষেত্রত কোৱা হৈছে যে আমি পর্য্যায়ক্রমে লম। আৰু সেইবিষয়ে পুনৰ কব লগা নাই। ভলণ্টিয়াৰী অর্গেনাইজেচন স্কীম ১৯৭৮ চনতেই শেষ হৈছে। সেইবোৰ এতিয়া পুনৰ লব নে নলয় সেইটো চোৱা হব।

শ্রীবীৰেণ চৌধুৰী ঃ— অধ্যক্ষ মহোদয়, এই শিক্ষা সম্পর্কত যথেষ্ট গুৰুত্ব আছে কাৰণে আপুনিও যথেষ্ট সময় দিছে। শিক্ষাৰ গুৰুত্ব বুজি বেছি সময় আলোচনা কৰিবলৈ দিয়াৰ কাৰণে আপোনাক ধন্যবাদ দিছো।

আমাৰ ডি, পি, আই অফিচৰ সম্পর্কে যথেষ্ট অভিযোগ উঠিছে আৰু প্রাথমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰে যথেষ্ট গুৰুত্ব দিম বুলি কৈছে। প্রাথমিক স্কুলৰ লগতে ওতঃপ্রোত ভাৱে জড়িত এই ডি, আই অফিচ বিলাক কেনেভাবে চলিছে সেই সম্পর্কে বিভিন্ন মাননীয় সদস্যই উল্লেখ কৰি গৈছে। কিন্তু মই এটা কথা অনুভৱ কৰিছো এই ডি, আই অফিচৰ কার্য্যালয়টো বহুতো সময়ত নিয়াৰীকৈ চলিব পৰা নাই। তাৰ কাৰণ হল কিছুমানৰ কাৰণে ষ্টাফ কম। আন কি কনটিজেন্চি ফাণ্ডৰ অভাৱতো কাগজ কিনিব নোৱাৰি ১৯৬৫ চনৰ পৰাই বহুতো ডি, আই অফিচে

কিছুমান অফিচিয়েল কামত মেম্বাৰ সকললৈ চিঠি এখন দিবলৈ সময় নাপায়। তেখেত সকলে কয় 'কাগজ নোহোৱাৰ কাৰণে আপোনাক আমি লিষ্ট বিলাক দিব নোৱাৰিলো। সেইটোৰ কাৰণে কাগজ আমৰ যথেষ্ঠ নাই।' এইটো অকল গোৱালপাৰাতে নহয়, বিভিন্ন অঞ্চলতো কৰিমগঞ্জ, বৰপেটা এইবিলাকতো কনটিজেনচিৰ অভাৱ আছে। ডি, আই অফিচত টকাৰ অভাৱত কনটিনজেনচি নাই কাৰণেই কাগজ নাই। আনকি গোৱাল-পাৰাত এখন টাইপ-ৰাইটাৰ মেচিন ইংৰাজৰ আমোলৰ পৰাই আছে সেইটো এতিয়া ভাঙি গৈছে। সেই সম্পৰ্কে শিক্ষামন্ত্ৰী ডাঙৰীয়াই গুৰুত্ব সহকাৰে নজৰ দিয়াৰ প্ৰয়োজনীয়তা আছে।

মাননীয় অধ্যক্ষ :— আপুনি বক্তৃতাৰ দৰে দীঘলীয়া কৰিছে।

শ্ৰীবীৰেণ চৌধুৰী :— এই শিক্ষা বিষয়টোত যথেষ্ট গুৰুত্ব আছে কাৰণে আমি প্ৰাথমিক স্কুলৰ কথা কৈছো। শিক্ষা যদি বিস্তাৰিত কৰিব লাগে তেতিয়াহলে ডি, আই, অফিচবিলাক সংস্কাৰ কৰাৰ কাৰণে কি ব্যৱস্থা লৈছে? বোৰ্ডৰ তলত যিবিলাক বিদ্যালয় আছে সেই বিষয়ে আমাৰ শ্ৰীচহৰীয়া ডাঙৰীয়াই উল্লেখ কৰিছে। গতিকে এই সম্পৰ্কে মই মন্ত্ৰী ডাঙৰীয়াৰ পৰা স্পষ্টীকৰণ বিচাৰিছো যে কি ব্যৱস্থা লৈছে আৰু ব্যৱস্থা লবনে?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) :— কন্টিজেন্‌চিৰ কাৰণে ব্যৱস্থা লৈছো আৰু ডি, আই অফিচৰ বোৰ্ডবোৰ নিয়মমতে পৰিচালিত হবলৈ আমাৰ বোলমতে কিছু পৰিবৰ্ত্তন হোৱা উচিত আৰু বোলচ্ কিছু শুদ্ধিকৰণ হব লাগে। মই আশা ৰাখিছো সেইটো আপোনালোকৰ হাতত দিব পাৰিম।

Shri Benoy Kumar Basumatari :— Sir, the hon'-

ble Minister has confirmed that action will be taken on specific complaint, In Mangaldai D. I.'s office one A. S. I. was suspended because I produced evidence of corruption. Sir, as a result of this the teachers are not paid the money. The teachers have been threatened and in the case of one teacher he has been already removed from service and other teachers are being threatened with dismissal. These things are going on. I want to know whether charge sheet has been framed against the A. S. I.

শ্ৰীলক্ষ্মীধৰ চৌধুৰী (মন্ত্ৰী):— সেইটো চাব লাগিব।

শ্ৰীযোগেন গগৈ :— ছাৰ, মই বোৰ্ডৰ শিক্ষা সম্বন্ধে এটা কথা কব বিচাৰিছো। সেইটো হল আমাৰ স্কুল এচ, আই সকলে নিজৰ টাউনৰ ঘৰত থাকিয়েই স্কুল পৰিদৰ্শন কৰি আছে। যি এলেকাত তেওঁলোকক কাম কৰিবলৈ দিয়া হয়—তাত ঘৰ বান্ধি থাকি কাম কৰিবলৈ ইচ্ছা নকৰে বৰঞ্চ টাউনৰ পৰা যায়। গতিকে যি এলেকাত তেওঁলোকক কাম কৰি থাকিবলৈ দিয়া হৈছে সেই এলেকাৰ ভিতৰত তেওঁলোকৰ কাৰণে ঘৰ বান্ধি দিয়াৰ দায়িত্ব মন্ত্ৰী মহোদয়ে লবনে ?

শ্ৰীঅজয় দত্ত :— মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে পূৰ্ব্বাঞ্চলত মাত্ৰ তিনিটা পুৰণি কলেজ আছে। পশ্চিমবঙ্গৰ প্ৰেছিডেনচী কলেজ, উৰিষ্যাৰ এখন কলেজ আৰু অসমৰ কটন কলেজ। পশ্চিমবঙ্গৰ চৰকাৰে আৰু উৰিষ্যাৰ চৰকাৰে তেওঁলোকৰ সেই দুখন কলেজক পূৰ্ণ পৰ্য্যায়লৈ ৰূপান্তৰিত কৰিছে। গতিকে অসম চৰকাৰেও কটন

কলেজক পূর্ণ পর্য্যায়লৈ ৰূপান্তৰিত কৰিব নে ?

শ্ৰীলক্ষ্যধৰ চৌধুৰী (শিক্ষামন্ত্ৰী) ঃ— কটন কলেজত পোষ্ট গ্ৰেজুৱেট চেকচন আছে। পূৰ্ণ পৰ্যায় কৰিববৰ কাৰণে কটন কলেজৰ প্ৰতি আমাৰ বিশেষ মৰম নাই।

Mr. Speaker :— Now, Cut motion No. 1. I want to know whether the hon. member wish its press for it or not ?

Shri Sumsul Huda :— In view of the assurance given by the Hon. Minister and shortuess of time we do not press for the Cut motion.

Mr. Speaker :— I will put together all. No. I Shri Atul Goswami, not pressing, Shri Jainal Abedin

Shri Jainal Abedin :— I do not like to press for it.

Mr. Speaker :— Shri Mukut Sarmah, not pressing. Shri Nishit Ranjan Das, not pressing. Shri Noorul Huda, not pressing. So, Cut Motion numbers 1, 2, 3, 4, 5, and 6 stand withdrawn. I now put the main demand, the question is "that a sum of Rs 70, 75 ,77, 300 be granted, to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31 lst March, 1980 for the administra-

tion of the head "268 Miscellaneous General Services (II) Education Department 277—Education (I) 677—Loans for Education Art and Culture".

( The Grant No. 34 is passed ).

Mr. Sreaker :— Grant No 35. Cut motion. No 1 Shri Shamsul Huda, not pressing. Cut motion No 2; Shri Mukut Sarmah, not pressing. Now, all the cut motions i. e. 1 and 2 stand withdrawn. Now, I put the main demand that "a sum of Rs. 61,97'300 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1980 for the administration of the yead "278—Art and Culture (I)".

( The grant is passed ).

Mr. Speaker :— Now, honourable members are aware that the condition of Shri Jaiprakash Narayan who is under treatment at Jaslok hospital, Bombay has become a matter of great concern for all of us. I therefore, put the following prayer resolution for speedy recovery of the Lok Nayak.

" This Assembly expresses concern at the critical condition of Lok Nayak Jayprakash Narayan who is at present under treatment at Jaslok Hospital, Bomb-

ay and pray to thc Almighty for speedy recovery of Shri Jayprakash Narayan: The House will stand for a minute in prayer".

(The House prayed for a minute to the Almighty).

Now, Grant No. 36. Shri Golap Borbora.

Shri Golap Borbora (Chief Minister):— Mr. Speaker Sir, on the recommendation of the Governor of Assam, I beg, Sir, to move that a sum of Rs. 1,-00,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1980 for the administration of the head "278—Art and Culture (II)".

Mr. Speaker:— Cut motion of Shri Shamsul Huda, not moving and so I put the grant "that a sum of Rs 1,00,000 be granted to the Minister in-charge to defray, the charges which will come in ourse of payment during the year ending the 31st March, 1980 for the administration of the head 278—Art and Culture (II)".

(The motion is passed.)

Grant No. 59.

গ্ৰাণ্ট নং ৫৯

শ্ৰীসোনেশ্বৰ বৰা (কৃষিমন্ত্ৰী) :— অধ্যক্ষ মহোদয়, হিচাবৰ শিতান "৩০৪ অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱা ওজন ও জোখ মাখ", অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে, ১৯৮০ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "৩০৪ অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱা, ওজন ও জোখ মাখ" শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত প্ৰয়োজনীয় ২৫, ৩৭, ৩০০ পৰিমানৰ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মঞ্জুৰ কৰা হওক।

(At this stage Mr. Speaker vacated the Chair and Mr. Deputy Speaker occupied it)

Mr. Deputy Speaker :— There is no cut motion; Now, I put the main demand. ১৯৮০ চনত ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "৩০৪—অন্যান্য সাধাৰণ অৰ্থনৈতিক সেৱা ওজন ও জোখ মাখ" শিতানৰ প্ৰশাসনৰ ক্ষেত্ৰত প্ৰয়োজনীয় ২৫, ৩৭, ৩০০ পৰিমানৰ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মঞ্জুৰ কৰা হওক।

(The Motion is passed)

Now, Grant No. 61.

শ্ৰীসোনেশ্বৰ বৰা (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, হিচাবৰ শিতান "৩০৫—কৃষি, ৩০৮—ক্ষেত্ৰ উন্নয়ন (।) ৫০৫—কৃষি বিভাগৰ মুলধন ব্যয় ৭০৫ কৃষিৰ বাবে ৰিণ"

অসমৰ ৰাজ্যপালৰ অনুমোদন ক্ৰমে মই প্ৰস্তাৱ কৰিব খোজো যে, ১৯৮০ চনৰ ৩১ মাৰ্চত শেষ হবলগীয়া বছৰটোৰ কালছোৱাত "৩০৫—কৃষি, ৩০৮ ক্ষেত্ৰ উন্নয়ণ (।।) ৫০৫ কৃষিৰ বাবে মূলধন ব্যয় ৭০৫ কৃষিৰ বাবে

বিপ শিতনিৰ প্ৰশাসনৰ ক্ষেত্ৰত প্ৰয়োজনীয় ১৬, ০১, ৪৬, ৭০০ পৰিমানৰ টকা ভাৰপ্ৰাপ্ত মন্ত্ৰীক মঞ্জুৰ কৰা হওক।

Mr. Deputy Speaker :— There are 6 Cut motion.

Shri Shamsul Huda :— Sir, I beg to put the cut motion that the total provision of Rs. 16, 01, 46, 700, under Grant No. 61, Major head "305 Agriculture 308 Area Development (I) 505 Capital outlay on Agriculture, 705 Loans for Agriculture", at pages 9-129 of Vol. II Part XII of the Budget, be reduced to Rs. 1 i. e. the amount of the whole grant of Rs. 16, 01, 46, 700 do stand reduced to Re. 1"/-

Cut Motion No. 2.

Shri Birendra Nath Choudhury :— Sir, I beg to move that the total provision of Rs. 10, 01, 46, 700 under Grant No. 61, Major head "305—Agri. 308,—Area Dev. (I) 505 Capital outlay on Agri,—705 Loans for Agriculture", at pages 91—29 of Vol. II, Part XII of the Cudget, be reduced to Re, 1, i. e., the amount of the whole grant of Rs. 16, 01, 46, 700/- do stand reduced to Re. 1".

Cut Motion No. 3.

Mr. Deputy Speaker :— Now, Cut-Motion No.

(3) Shri Sirajul Haque.

Shri Sirajul Haque :— Sir, I beg to move that the total provision of Rs. 16, 01, 46, 700 under Grant No. 61 Major-head '305 Agriculture 308 Area Development (1) 505 Capital outlay on Agriculture, 705 Loans for Agriculture' at pages 1-129 of Volume II, Part XII of the Budget, be reduced to Re. 1., i. e., the amount of the whole grant of Rs. 16. 10, 46, 700 do stand reduced to Re. 1.

Mr. Deputy Speaker :— Now, Cut-Motion No. 4 Shri Dewan Jainal Abedin.

Shri Dewan Jainal Abedin :— Sir, I beg to move that the total provision of Rs. 16, 01, 46, 700, under Grant No. 61, Major-head 305 Agriculture, 308-Area Davelopment (1) 505 Capital Outly on Agriculture, 705 Loans for Agriculture", at page 9-129 of Volume II Part XII of the Budget whole be reduced to Re. 1., i. e., the amount of the grant of Rs. 16, 01, 46, 700, do stand reduced to Re. 1.

Mr. Deputy Speaker :— Now, Cutmotion No. 5 Shri Mukut Sharma.

Shri Mukut Sharma :— Sir, I beg to move that the total provision of Rs. 16, 01, 46, 700, under Grant

No. 61. Major Head "305—Agriculture, 308—Area Development (I) 505—Capital Outlay on Agriculture, 705—Loans for Agricultuie", at pages 9-129 of volum II, Part—XII of the Budget, be reduced by Rs. 100, i. e., the amount of the whole grant of Rs. 16, 01, 46, 700 do stand reduced by Rs 100.

Mr. Deputy Speaker :— Now, Cut-motion No. 6 Shri Jogen Gogoi.

Shri Jogen Gogoi :— Sir, I beg to move that the total provision of Rs. 16,01.46,700 under Grant, No. 61, Major Head. "305 Agriculture, 308-Area Development (I) 505 Capital Outlay on Agriculture, 705 Loans for Agriculture" at pages 1-129 of volume II, part XII of the budget be reduced by Rs. 100, i.e., the whole amount of the grant of Rs. 16,01,46,700, do stand reduced by Rs. 100.

* শ্ৰীচামচুল হুদা ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, কৃষিৰ শিতানৰ ওপৰত কৰ্ত্তন প্ৰস্তাৱ দাঙি ধৰি মই কেইষাৰ মান কথা উল্লেখ কৰিব খুজিছো। ভাৰতবৰ্ষৰ দৰেই আমাৰ অসম ৰাজ্যৰ শতকৰা ৮০ ভাগ মানুহেই কৃষিৰ ওপৰত নিৰ্ভৰশীল। অসমৰ অৰ্থনীতি মোটা মুটি ভাৱে কৃষিৰ ওপৰত নিৰ্ভৰশীল। কিন্তু এই ক্ষেত্ৰত দেখিছোঁ কৃষি অৰ্থনীতি যত্ত কৃতকাৰ্য্য কৰি তুলিব পাৰিলেহেতেন, কৃষিৰ কেচা মালৰ ওপৰত নিৰ্ভৰ কৰি

* Speech not corrected

শিল্প প্ৰতিষ্ঠা কৰিব পাৰিলেহেতেন আৰু খনিজ আৰু বনজ সম্পদৰ ওপৰত অধিক নিয়োজিত কৰিব পাৰিলেহেঁতেন। কিন্তু এই ক্ষেত্ৰত আজি ৩২ বছৰেও কৃতকাৰ্য্যতা লাভ কৰিব পৰা নাই। আন হাতে আজি মানুহ এজন জন্ম গ্ৰহণ কৰাৰ পিচতে তেওঁৰ প্ৰয়োজনীয় বস্তু হল খাদ্য। আৰু খাদ্য উৎপাদন নিৰ্ভৰ কৰে কৃষিৰ ওপৰত। সেই ফালৰ পৰাও আজি ব্যৰ্থ হৈছে। সচা কথা কবলৈ গলে যোৱা ৩২ বছৰে এই কৃষি বিভাগটো এটা অসন্তোষৰ ভৰালত পৰিণত হৈছে। এইটো এটা পৰিতাপৰ কথা যে প্ৰথম পাচ বছৰীয়া পৰিকল্পনাত ভাৰত তথা অসমত কৃষিৰ শিতানত অতিশয় অৱহেলা কৰা হৈছে। কিন্তু ইয়াৰ পৰবৰ্ত্তী সময়তো যথা যথ গুৰুত্ব দিব নোৱাৰিলে। পৰৱৰ্ত্তী পাচ বছৰীয়া পৰিকল্পনা বিলাকত যি বিলাক টকা পইচা ধৰা হল বা ব্যৱস্থা কৰা হয় তাতো দেখা যায় ফাকি প্ৰৱঞ্চনাৰে ভৰপুৰ। প্ৰকৃতভাৱে কৃষিৰ উন্নতি কৰিব পৰা নাই। যি খিনি আচনি আছিল সেই খিনিও ৰূপায়িত কৰিব পৰা নাই। আচৰিত কথা আমাৰ মানুহখিনিক যিখিনিক খোৱাৰ যোগাৰ লাগে সেই খিনিও অসমত উৎপাদন কৰিব পৰা নাই। চাউল, গম জাতীয় খাদ্য বস্তুৰে আমাৰ প্ৰয়োজন কিন্তু সেই খিনিৰে উৎপাদন কৰিব পৰা নাই। গম আমদানী কৰিব লগা হয় আৰু চাউলো আমদানী কৰিব লগা হয়। প্ৰতিটো ক্ষেত্ৰতে আমি সম্পূৰ্ণ অকৃতকাৰ্য্য হৈছোঁ। উপাধ্যক্ষ মহোদয়, কৃষিৰ ক্ষেত্ৰত আলোচনা কৰিবলৈ যাওঁতে আমাৰ চকুত মোটা মোটি ভাৱে দেখো চাউল, ঘেহু জাতীয় বস্তুতে সাধাৰণতে নজৰ পৰে। কিন্তু বাকী যিবিলাক আলু বুটমাহ আদি আছে যিবিলাকেও কৃষি অৰ্থনীতিৰ ওপৰত নিৰ্ভৰ কৰে সেই ক্ষেত্ৰতো যোৱা ৩২ বছৰে অৱহেলা কৰি আহিছে। আজি আমি ঘেহু বাহিৰৰ পৰা আনিছো ফলত ঘেহুৰ পইছা আজি অসমৰ বাহিৰলৈ গৈছে, আজি আনকি আমি চাউলো বাহিৰৰ পৰা আনিছো তাতো আমাৰ পইছা বাহিৰলৈ গৈছে। কাৰণ এইবিলাক আমাৰ ইয়াত

খেতি কৰাৰ কোনো ব্যৱস্থা নাই। উপাধ্যক্ষ মহোদয়, যিবিলাক বস্তু আমাৰ ইয়াত অতি সহজে উৎপাদন কৰিব পাৰি সেই শস্য বিলাকৰ খেতিৰ ওপৰতো যোৱা ৩২ বছৰে আৱশ্যকীয় গুৰুত্ব দিয়া হোৱা নাই। আজি আমাৰ পথাৰত মৰাপাট উৎপাদন হয় কিন্তু কৃষি বিভাগৰ হেমা-হীৰ কাৰণে যিমান মৰাপাট উৎপাদন হব লাগিছিল সেই পৰিমানৰ উৎপাদন কৰিব পৰা নাই। উপাধ্যক্ষ মহোদয়, অসমত আলু হয় কিন্তু সেই আলুৰ কাৰণেও আমি বাহিৰৰ পৰা অনাত বছৰি বছৰি কোটি কোটি টকা বাহিৰলৈ যায়। আজি আমাৰ দেশত পঞ্জাবৰ নাসিকৰ পিয়াজ নহলে আমাৰ চক নঞ্জলে, ভাতৰ টেবুলত যাব নোৱাৰো আমাৰ ৰান্ধনীয়ে ৰান্ধিব নোৱাৰে। আজি আমাৰ দেশত আদা উৎপাদন হয়। সেই উৎপাদন যথেষ্ঠ পৰিমানৰ হোৱা হলে আমি তাৰ পৰা বৈদেশীক মুদ্ৰা অৰ্জন কৰিব পাৰিলোহেতেন। যোৱা বছৰ আমাৰ পশ্চিমবঙ্গ চৰ-কাৰে আদা বিছাৰিছিল কিন্তু আমি আদা দিবলৈ সক্ষম নহলো। পশ্চিমবঙ্গ চৰকাৰে ফেয়াৰ প্ৰাইচ চপৰ দ্বাৰা আদা বাহিৰৰ পৰা সংগ্ৰহ কৰি কলিকতা মহানগৰীত যোগান দিয়াৰ ব্যৱস্থা কৰিছে। আজি অসমৰ মাটিত আদাৰ খেতি কৰি বাহিৰৰ পৰা পইছা ঘটিব পাৰিলে-হেতেন। আজি আমি দেখিছো বিভিন্ন ধৰণৰ কোকাকলাৰ দৰে পনীয়া বস্তুৰ অসমত উৎপাদন হব পাৰে, তাত পইছা খটোৱা হলে আমি নিশ্চয় শিল্প প্ৰতিষ্ঠা কৰিব পাৰিলোহেতেন কিন্তু আজি ৩২ বছৰে সেই কাম কৰিব পৰা নাই। অসমত প্ৰত্যেকেই আজি জবাকুসুম তেল ব্যৱহাৰ কৰে আৰু সেই জবাকুসুম তেলৰ পৰা হবপৰা বস্তু কামৰূপ জিলাতে উৎপাদন হয় আৰু খেতিয়কে নিজেই ব্যৱহাৰ কৰে। এই তেল এটা সৰ্ব্বভাৰতীয় তেল, সেই তেল অসমত উৎপাদন কৰিব পাৰিলে আমি বজাৰত অনেক পইছা পালোহেতেন। তাৰ পিছত আমাৰ আৰু বহুতো নানাধৰণৰ স্পাইচ যেনে ধনীয়া, কালজিৰা সেইবিলাক অসমতে উৎপাদন

কৰিব পাৰি কিন্তু আমি কৰিব পৰা নাই যাৰ কাৰণে বছৰি কোটি কোটি টকা বাহিৰলৈ পঠিয়াই দিবলগীয়া হৈছে।

বুটমাহ, অৰহৰ দাইল আৰু অন্যান্য ধৰণৰ দাইল আমাৰ ইয়াত উৎপাদন নহয়, ইয়াৰ কাৰণ হল কৃষি বিভাগৰ পৰা যিখিনি কৰিব লাগিছিল সেইখিনি কৰা হোৱা নাই। আজি হালধি, ময়দা, দাইল আদিত অসমৰ পইচা বাহিৰলৈ যায়। এই বস্তুবিলাক ইউৰেনিয়াম নহয় যে বাহিৰৰ পৰা আনিব লগা হয়। ইতিমধ্যে আমি দেখিবলৈ পাইছো যে খোৱাতেলৰ বাবে চিজলা দিয়া হৈছে। ই স্বাস্থ্যৰ কাৰণে ক্ষতি কাৰক বুলি প্ৰমানিত হৈছে। আমাৰ ইয়াতে তেল গুটি উৎপাদন কৰিব পৰাৰ স্কুল আছে। সৰিয়হৰ লগত অন্যান্য তেল গুটি তৈয়াৰ কৰি কাৰখানা বহুৱাই ৰিফাইন কৰাৰ ব্যৱস্থা কৰিব পাৰি। কিন্তু চৰকাৰে সেইটো কৰিব পৰা নাই। আমাৰ ইয়াত ডালডা ব্যৱহাৰ কৰা হয়। কিন্তু এই ডালডাৰ লগত খেজুৰ গুটিৰ তেল মিহলাই দিয়া হৈছে। এই অশোধিত তেল খোৱাৰ পিচত পেট ভোটভোটাই থাকে। এই তেলৰ পৰিবৰ্তে ইয়াত তেল গুটি উৎপাদন কৰিব পৰাহেতেন তেলৰ চাহিদা পূৰণ কৰিব পৰা হলহেতেন। আজি অসমৰ মাটিত কপাহ তৈয়াৰ হব পাৰে। কপাহ তৈয়াৰ হবৰ বাবে সাকুৰা কলা মাটি আছে। ইয়াত কপাহ উৎপাদন কৰি চালান কৰি পইচা ঘাটিব পাৰিলোহেতেন আৰু টেক্সটাইল ইণ্ডাষ্ট্ৰী গঢ়ি তুলিব পাৰিলোহেতেন। এই শিল্প প্ৰতিষ্ঠা কৰি বহুত মানুহ নিয়োগ কৰিব পাৰিলোহেতেন। লগে লগে চৰকাৰী ভড়াললৈ পইচা আনিব পাৰিলোহেতেন। আমাৰ ইয়াত কুঁহিয়াৰ উৎপাদন কৰিব পৰা উপযোগী মাটি আছে। কুঁহিয়াৰ উৎপাদন কৰি চেনিকল প্ৰতিষ্ঠা কৰিব পাৰিলোহেতেন। আজি ৩২ বছৰে সেইটো কৰিব পৰা নহল। ফলত কোটি কোটি টকা বছৰি বাহিৰলৈ দিব লগা হৈছে। অসমত যি কেইটা চেনিকল আছে

এই কেইটাই মাত্ৰ ১৩ ভাগৰ দুই অংশ চাহিদাহে পূৰণ কৰিব পাৰিছে। আমি বাহিৰৰ পৰা চেনি আনিব লাগে। আমাৰ ইয়াত কুঁহিয়াৰৰ উৎপাদন কৰি চেনি কল প্ৰতিষ্ঠা কৰা হেতেন চেনিত বাহিৰলৈ পইচা পঠিয়াব লগা নহলহেতেন। মই আগতেই কৈছো যে বুট আৰু মাহ জাতীয় বস্তু উৎপাদনৰ ক্ষেত্ৰত চৰকাৰৰ বিভাগৰ তৎপৰতা নাই। বাইজে কৰা খেতিত পোক লাগি শস্য নষ্ট হয়। মই নিজে বুট মাহৰ খেতি কৰি চাইছো। এজোপা বুট মাহৰ গছত কম পক্ষেও ২৫০ গ্ৰাম বুট উৎপাদন হয়। কৃষি বিভাগে বেমাৰ বন্ধ নকৰাৰ কাৰণে খেতিয়কে বুট মাহৰ খেতি কৰিবলৈ সাহস নকৰে। লগতে একে কাৰণতেই অন্যান্য মাহ জাতীয় শস্যৰ উৎপাদন খেতিয়কে নকৰে। তাৰ পিচত দেখা যায় আমাৰ বিঘাই বিঘাই মাটিৰ আলু খেতি নষ্ট হয়। বিলাহীৰ দাম বাৰিষা কালত কিলোই প্ৰতি ৭-৮ টকা হয়। কিন্তু মহামাৰীত এই বিলাহী খেতি নষ্ট হয়। যোৱা বছৰ মই নিজে সাত বিঘা মাটিত বিলাহী খেতি কৰিছিলো, কিন্তু সকলো বেমাৰ লাগি পচি গল। প্ৰত্যেক বছৰেই মহামাৰী হয় কিন্তু কৃষি বিভাগৰ পৰা কোনো কাৰ্য্যকৰী সহায় পোৱা নাযায়। যি বিলাক বস্তু আমাৰ দৈনন্দিন জীৱনত অতি দৰকাৰী সেই বিলাক বস্তু আমাৰ ইয়াতে উৎপাদন কৰি চৰকাৰী ভড়াল টনকীয়াল কৰিব পাৰো। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা যায় এই বিলাক পইচা বাহিৰলৈ গুচি যায়। আজি ৩২ বছৰে উৎপাদন বৃদ্ধি কৰিব পৰা নাই। আজি প্ৰতি মুহূৰ্ত্তত আমাৰ মানুহৰ পৰা লাখ লাখ টকা বাহিৰলৈ যায় যি বিলাক পইচা আমি ৰাখিব পাৰিলোহেতেন। এই ধৰণে যদি পইচা গৈ থাকে তেন্তে পুজি কেনেকৈ জমা হব। এজন মাননীয় সদস্যই ঠিকেই কৈছে যে শিল্পত অসম ভাৰতৰ সলনি হৈ আছে। এইটো সচা কথা। আমাৰ অসমত উৎপাদন কৰিব পৰা বস্তু খিনি আজি ৩২ বছৰে কিয় বাহিৰৰ পৰা

আনিব লগা হয়? এই ক্ষেত্ৰত আমাৰ উৎপাদন পদ্ধতিটো ঠিক কৰিব লগা হৈছে। কৃষি বিভাগৰ পৰা আধুনিক পদ্ধতি অবলম্বন কৰা প্ৰয়োজন। কৃষি উৎপাদন বৃদ্ধি কৰিবৰ কাৰণে কৃষি বিভাগে যন্ত্ৰ পাতিৰ প্ৰদৰ্শনী পাতিছে। দুই এজনৰ বাহিৰে আমাৰ কেইজন খেতিয়কে যন্ত্ৰ-পাতি পাইছে? এই মেচিনৰ তিনি মাহ আৰম্ভ কৰাৰ পিচত দেখা যায় বন্ধ হৈ যায় আৰু মামৰে ধৰাৰ পিচত পথাৰত পৰি জমা হৈ থাকে। আমাৰ গৰীব খেতিয়ক সকলৰ মেচিন কিনাৰ ক্ষমতা নাই। এই খেতি-য়ক সকলক যিমান সহায় কৰিব লাগিছিল, সেইখিনি কৰিব পৰা নাই। আজি আমাৰ বিভিন্ন ধৰণৰ সাৰৰ প্ৰয়োজন আছে। এই কেমিকেল সাৰ যোগানৰ ক্ষেত্ৰত চৰকাৰ ব্যৰ্থ হৈছে। যি পৰিমাণৰ সাৰ লাগে সেই পৰিমাণৰ সাৰ পোৱা নাযায়। আজি এই সাৰ বিলাক চাহ-বাগানত চোৰাংভাৱে বিক্ৰি হোৱা দেখা যায়। সাৰ প্ৰয়োগৰ ক্ষেত্ৰত কৰ বিচাৰিছো যে সাৰ প্ৰয়োগ কৰাৰ পিচত যদি জলসিঞ্চনৰ ব্যৱস্থা কৰা নাযায় তেতিয়া হলে মাটি নষ্ট হৈ যায়। বাননিয়ন্ত্ৰণ বিভাগে হোৱাই নোহোৱাই মথাউৰী বন্ধাৰ ফলত পানী যোৱাত বাধাপ্ৰাপ্ত হৈছে। পানী নোহোৱাৰ ফলত মাটি নষ্ট হৈছে। পানী যোগান দিব নোৱাৰাৰ বাবে এই অৱস্থাটো হৈছে। কৃষি বিভাগে জলসিঞ্চন বিভাগৰ লগত যোগাযোগ কৰি সমন্বয় সাধন কৰি সাৰ, যন্ত্ৰ-পাতি জলসিঞ্চনৰ যোগান ধৰিব লাগিছিল। কিন্তু এই ক্ষেত্ৰত কৃষি বিভাগ ব্যৰ্থ হৈছে। মূল কথা হল কৃষি বিভাগৰ জলসিঞ্চন বিভাগৰ লগত সম্পৰ্ক নাই। কেইবছৰমান আগতে ক্ষুদ্ৰ জলসিঞ্চন বিভাগটো কৃষি বিভাগৰ তলত আছিল। এতিয়া বেলেগে জলসিঞ্চন বিভাগ কৰি দিছে। তিনি ফুটৰ আলি কৰি চাৰে তিনি ফুটৰ নলা খান্দি পানী দিব। ইয়াৰ দ্বাৰা জলসিঞ্চনৰ কোনো ব্যৱস্থা হোৱা নাই। আমাৰ কৃষি বিভাগৰ কৃষি বিশ্ববিদ্যালয় আছে জিলা কৃষি বিষয়াৰ অফিচ আছে। কৃষি বিভাগৰ যি বিলাক টেকনিকেল চাৰ্ভিচৰ

কৰ্ম্মচাৰী আছে তেওঁলোকৰ প্ৰশাসনিক কাম কৰোতেই সময় যায়। ফাইলৰ কাম, প্ৰমোচনৰ কাম ইত্যাদি ননটেকনিকেল কাম কৰোতেই কৃষি বিষয়া সকলৰ সময় যায়। কৃষি বিভাগৰ পৰিদৰ্শন যথেষ্ট পৰিমাণে নহয়। এচ, ডি, অৰ সংখ্যা যথেষ্ট নহয়। ফলত প্ৰকৃতপক্ষে বৈজ্ঞানিক পদ্ধতিত খেতি কৰিবৰ কাৰণে যি বিলাক পৰামৰ্শ পাব লাগিছিল সেই বিলাক পোৱা নাই। আচল কথা কবলৈ হলে কৃষি বিভাগৰ খেতিয়কৰ লগত কোনো সম্পৰ্ক নাই।

আৰু দেখা যায় যে কৃষি বিভাগৰ সমষ্টি বিষয়া আহি দিশপুৰত পঞ্জীভূত হৈছেহি সমবেত হৈছেহি আৰু ইয়াত মহাসভা পাতিছে। এজন বিষয়াক প্ৰমোচন দিয়েই আলুগুটিৰ, টমেট'ৰ আৰু বাদাম গুটিৰ জইণ্ট ডিৰেক্টৰ পাতি ৰাজধানীত জমা কৰেহি। ক্ষমতা বিকেন্দ্ৰীকৰণ কৰি খেতিয়ক সকলৰ লগত যে ঘনিষ্ঠ সম্পৰ্ক ৰাখিব লাগে, সেইটো কৰা নাই, বৰঞ্চ সোঁত ও'ভোটা ফালহে বৈছে। এই ক্ষেত্ৰত ওপৰঞ্চি আমি কি কৰিব পাৰোঁ, খুউব বেছি পৰামৰ্শ দিব পাৰোঁ। সেই কাৰণেই কব খুজিছো যে আজি সময় থাকোতেই বহুতো অপৰাধ, বহুতো অন্যায় খেতিয়ক সকলৰ ওপৰত কৰা হল, আৰু এই অন্যায় নকৰি বিষয়া সকলক ক্ষমতা দিয়ক, পাঁচ পইচাৰ পিন কিনিবলৈ ইয়ালৈ অহাৰ কথা আমি কোৱা নাই। ডিষ্ট্ৰিক্ট এগ্ৰিকালচাৰ অফিচাৰৰ লগত প্ৰয়োজন হ'লে কনদেন্স কৰ্চ আৰু গ্ৰাম সেৱকৰ ট্ৰেনিং দিয়ক। এই ট্ৰেনিং আগতে আঠো ছমহীয়া আছিল, এতিয়া আকৌ এবছৰীয়া হল। এই সময়চোৱা ৰাম ৰহিম শিকোতেই পাৰ হৈ যায়। সেই কাৰণে মই কৈছো ইয়াৰ সংখ্যা বৃদ্ধি কৰক আৰু যাবতীয় পৰামৰ্শৰ কাৰণে পোন পতীয়া ভাবে কৃষিৰ বৈজ্ঞানিক ব্যৱস্থা দিয়ক। দিশপুৰত চেমিনাৰ পতা বন্ধ কৰক। খেতি চপোৱাৰ সময়ত প্ৰত্যেক অঞ্চলত খেতিয়ক সকলৰ লগত পাঁচ-ছদিন থাকি কাম কৰাওক, দিহা পৰামৰ্শ দিয়ক, উপাধ্যক্ষ মহোদয়, দেখিব চেমিনাৰ পতাতকৈ বহুত

বেছি খবৰ বিষয়া সকলে পাব। এই ব্যৱস্থা যদি কৰা হয় তেন্তে বিশ্ববিদ্যালয়ৰ পৰা পাছ কৰি হোৱা বিষয়াতকৈ বহুত বেছি অভিজ্ঞতা আৰু খবৰ পাঁচ বছৰৰ মূৰতে পাব পৰা যায়।

উপাধ্যক্ষ মহোদয়, আৰু এটা কৃষি বিশ্ববিদ্যালয় আমাৰ ইয়াত আছে। কিন্তু দুৰ্ভাগ্যৰ কথা ইয়াৰ পৰা পাছ কৰি অহা বিষয়া সকলৰ যি ব্যৰ্থতা আৰু অকৃতকাৰ্য্যতা তাক দেখিলে বিস্ময় মানিব লাগে। ইয়াৰ কেৰোণ কত? হয়তো বিশ্ববিদ্যালয়তে ইয়াৰ কেৰোণ আছে। এইখিনি কবলৈ মই বাধ্য হৈছো এই কাৰণেই যে শস্য উৎপাদনৰ ক্ষেত্ৰত এটা পশ্চাদঘাটি কাৰ্য্য চলি আছে, ইয়াৰ উদ্‌ঘাটন হব লাগে। ইয়াৰোপৰি উপাধ্যক্ষ মহোদয়, আৰু দেখা যায় যে খেতিয়ক সকলৰ প্ৰয়োজনীয় সাৰ, বীজ, কঠিয়া পোক মৰা ঔষধ আদিত লাখ লাখ টকা খৰচ হৈছে কিন্তু হেজাৰ হেজাৰ লাখ লাখ বিঘা মাটিৰ আহু ধানৰ খেতি পোকে খাই নষ্ট কৰিছে। তাৰ প্ৰতিকাৰৰ কোনো ব্যৱস্থা নাই। খেতিয়কে যদি জনাই তেন্তে কব সৰহীয়াকৈ হলে আমি পল্টন লৈ যাব পাৰো। এইদৰে হাজাৰ হাজাৰ বিঘা মাটিৰ আহু ধান পোকে খাই শেষ কৰিছে, হেজাৰ হেজাৰ বিঘা মাটিৰ মৰাপাট বিচা পোকে খাই শেষ কৰিছে কিন্তু তাৰ কোনো যাবতীয় ব্যৱস্থা নাই। ইয়াক যদি ৰোধ কৰিব পৰা যায় তেন্তে অহা পাচঁ বছৰৰ পিচত অসমৰ খেতিয়কৰ চেহেৰা বদলি যাব আৰু অৰ্থনৈতিক পৰিবৰ্ত্তন আহিব কৃষিৰ ভঁৰাল টনকীয়াল হব। সিদিনা দেফিচিয়েট বাজেটৰ সংক্ৰান্তত উৎপাদনৰ কাৰণে আৰু বেছি খৰচ কৰাৰ কথা কোৱা হৈছে। আমাৰ যি সকল বেকাৰ যুবক আছে তেওঁলোকক যন্ত্ৰ-পাতি দিয়ক। পথাৰৰ পৰা মেতেকা আনি যদি খেতিৰ পথাৰত দিবলৈ দিয়া হয় তেতিয়াও ভাল সাৰ হব আৰু উৎপাদন বাঢ়িব। হাতত লাখুটি লৈ এই ডেকা লৰা খিনিয়ে যদি এটা

এটাকৈও পোক মৰা হয় তেন্তেও একালে বেকাৰ সমস্যা সমাধান হব আৰু আনফালে উৎপাদন বাঢ়িব আৰু আমাৰ দেশৰ আলুখেতি, বিলাহী খেতিৰ পৰা যি উৎপাদন হব সেয়াই আমাৰ অসমৰ খেতিয়কৰ অৰ্থ-নৈতিক দিশত এক পৰিবৰ্ত্তন আনিব। উৎপাদন বাঢ়িলেও আমাৰ খেতিয়কৰ সুবিধা নহয়। কাৰণ যিটো ইনচনেটিভ প্ৰাইচ সেই প্ৰাইচ আমাৰ খেতিয়কে নাপায়। উপাধ্যক্ষ মহোদয়, মই নিজেই কিছুমান মৰাপাট ৰাখি থৈছিলো দাম বাঢ়িলে বিক্ৰী কৰিম বুলি। কিন্তু পিচত দেখা গল মৰা পাটৰ দাম ৯০ টকাৰ পৰা ৬৯ টকা পালেগৈ। আৰু প্ৰয়োজনত তাতেই দিব লগা হল। গতিকে এইদৰেই সৰিয়হ, মৰাপাট, ধান আদি যি খেতিয়েই নোবো-লক খেতিয়কে কতোৱেই ইনচেনটিভ প্ৰাইচ নাপায়। আনহাতে ইয়াৰ সাবৰ যিটো উৎপাদন অৱস্থা বিঘাই প্ৰতি পাঁচ মোনতকৈ অধিক ফলন নহয়। যি হয় তাৰো মূল্য খেতিয়কে নাপায়। মই হিচাব কৰি চাইছো এমোন ধান উৎপাদন কৰিবলৈ হলে এজন খেতিয়কে প্ৰায় ডুশ টকা খৰচ কৰিব লগা হয়। কিন্তু ইয়াৰ হিচাব কৃষি বৈজ্ঞানিক সকলে কেতিয়াও নকৰে। চৰকাৰী চাকৰিয়াল সকলে আৰ্ন লিভ পায়, আৰু বিনিময়ত দৰমহা পায়। কিন্তু খেতিয়ক সকলে যি ছমাহ বা ন মাহ এনেয়ে বহি থাকিব লগা হয় তাৰ ক্ষতি পূৰণৰ কথা কেতিয়াও কোনেও ভাবি নাচায়। উপাধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত যদি পৰিকল্পনা থাকিল-হেতেন আৰু উৎপাদন কৰিব পাৰিলেহেতেন আমাৰ দেশত আৰু ১৩টা চেনি কল বহুৱাব পৰা হলহেতেন। আমাৰ দেশত কল্ড ষ্টৰেজৰ ব্যৱস্থা থকা হলেও অন্তৰত উৎপাদিত বস্তু বিক্ৰী কৰি লাভ কৰিব পৰা গল-হেতেন। উপাধ্যক্ষ মহোদয়, আমাৰ কৃষি বিশ্ববিদ্যালয়ৰ লগত আৰু এটা কথা জড়িত হৈ আছে।

উপাধ্যক্ষ মহোদয়, শেষত মই এটা কথা কব বিচাৰিছো যে

আমাৰ ইয়াত কৃষি বিশ্ববিদ্যালয়ৰ লগত এটা কথা জড়িত আছে বৰ ঢাক-ঢোলকোবাই চৰকাৰে কৃষি বিশ্ববিদ্যালয় খুলিলে। কিন্তু আমি এটা কথা বুজি নাপাও যে কৃষি বিশ্ববিদ্যালয়ৰ পৰা ওলাই অহা ছাত্ৰসকলে কিয় বিভাগ আদি চলাব নোৱাৰে? ইয়াৰ লগত চৰকাৰৰ কৃষি বিশ্ব-বিদ্যালয়ৰ সম্বন্ধ নাই নেকি? মই প্ৰস্তাব কৰিব বিচাৰিছো যে পৰীক্ষা মূলক ভাবে হলেও অসমৰ কেইটামান মহকুমাত আৰু কেইখনমান জিলাত টকা পইচা দি কৃষি বিশ্ববিদ্যালয়ৰ হাতত কৃষিৰ উন্নতিৰ কাৰণে দি দিয়ক। দেখা যাওক তাৰ ফল কি হয়? কৃষি বিশ্ববিদ্যলয়ৰ ক্ষেত্ৰত মই কব বিচা-ৰিছো যে আজি ৬ মাহ ধৰি ভাইচ চেন্সেলৰ জন নাই। ভাইচ চেন্সেলৰ জনৰ মৃত্যু হল। ৰিকমেণ্ডেচন থকা স্বত্তেও চেন্সেলৰে আজি দুই মাহ ধৰি ভাইচ চেন্সেলৰ মঞ্জুৰ কৰিব পৰা নাই। তাত অভিজ্ঞতা থকা মানুহ থকা স্বত্বেও কেন্দ্ৰীয় চৰকাৰে এই বিষয়ত হস্তক্ষেপ কৰি ষৰযন্ত্ৰ চলাইছে যাতে ভাইচ চেন্সেলৰৰ আজি নিযুক্তি পিচুৱাই যায়। সেই কাৰণেই ভাইচ চেন্সেলৰ সোনকালে নিয়োগ কৰিবলৈ মই দাবী জনাইছো।

শেষত মই এটা কথা কৈয়েই সামৰিব বিচাৰিছো। আজি কৃষিৰ উন্নয়ৰ কাৰণে আৱশ্যকীয় ভূমিসংস্কাৰ, তাৰ কাৰণে ভূমি আৰু ৰাজহ বিভাগে কৃষি বিভাগৰ লগত আলোচনা কৰা উচিত। জলসিঞ্চনৰ কাৰণে জল-সিঞ্চন বিভাগৰ লগত আলোচনা কৰা উচিত। আৰু অনান্য যিবিলাক আৱশ্যকীয় কাম কৰিবলৈ আছে সেই বিলাক কৰিবলৈ মই অনুৰোধ জনালো।

আমাৰ কৃষি মন্ত্ৰী ডাঙৰীয়াই কৃষি বিদ্যালয় পাতিম বুলি কৈছে। এইটো শুনি বৰ ভাল পাইছো। আজি কৃষিৰ উন্নয়নৰ কাৰণে যি বিলাক বৈজ্ঞানীক সাৰ, এই সাৰ কেনেকৈ ব্যৱহাৰ কৰে, আধুনীক পদ্ধতিত কৃষি কৰিবলৈ হলে কি কি আধুনীক সা-সজুলিৰ প্ৰয়োজন হয় সেই বিলাক কথা

কৃষি বিদ্যালয়ত শিকোৱাৰ ওপৰিও আমাৰ মজলিয়া স্কুল বিলাকতো পাঠক্ৰ্যম দি শিকাব পাৰে। কৃষি বিদ্যালয় যদি খুলিব নোৱাৰে তেনেহলে আমাৰ মজলীয়া স্কুলত এই বিষয়ৰ কিতাপ দিয়ক। তেতিয়া আমি ঘৰে ঘৰে কৃষিৰ ওপৰত জ্ঞান থকা ছাত্ৰ আমি উলিয়াব পাৰিম। আৰু ইয়াকে কৰিব পৰিলে আমাৰ ঘৰে ঘৰে কৃষি বিদ্যালয় গঢ়ি উঠিব। আজি আমাৰ কৃষি মন্ত্ৰীয়ে যি ভুমি সেনা তৈয়াৰ কৰিছে এই ভুমি সেনাৰ ঠাইত কৃষি সেনা তৈয়াৰ কৰিব লাগিব। কৃষি সেনা তৈয়াৰ কৰাৰ কাৰণে, কৃষিৰ উন্নয়নৰ কাৰণে লবলগীয়া ব্যৱস্থা লওক। এই চৰকাৰ অহা ৯-১০ মাহহে হৈছে। এই ৯-১০ মহীয়া চৰকাৰক বেছিকৈ সমালোচনা কৰিলে মোৰ সোঁফালে থকা বন্ধু সকল বাওঁ ফালে আহিব পাৰে। যি সকলে আজি ৩০ বছৰ ধৰি শাসন কৰা স্বত্তেও জনসাধাৰণৰ কোনো উন্নতি নহল, কৃষিৰ কোনো উন্নতি নহল। মই বেচি সমালোচনা এই কাৰণেই নকৰি চৰকাৰক সকলো বিলাক কাম পৰিকল্পিত ভাবে কৰিবলৈ সতৰ্ক কৰি দি মই মোৰ কৰ্ত্তণ প্ৰস্তাব ডাঙি ধৰিলো।

শ্ৰীপূৰ্ণ বড়ো :— উপাধ্যক্ষ মহোদয়, কৰ্তন প্ৰস্তাৱৰ সমৰ্থন জনাই মই কৃষি বিষয়ৰ ওপৰত বক্তব্য ৰাখিব বিচাৰিছো। আমাৰ দেশ কৃষি প্ৰধান দেশ। মুলতঃ কৃষি অৰ্থনীতিৰ ওপৰত আমাৰ দেশ বৰ্তি আছে। অসমত শতকৰা ৯৩ জনেই কৃষক। কিন্তু কৃষি অৰ্থনীতিৰ ওপৰত নিৰ্ভশীল কৃষক সকলৰ দুৰৱস্থাৰ সীমা নাই। আমি এই কথা জানিব পাৰিছো যে আমাৰ খাদ্য শস্য উৎপাদন যি মান বাঢ়িব লাগিছিল সিমান বঢ়া নাই। উৎপাদন আমাৰ দেশৰ চাহিদা অনুযায়ী যিমান বাঢ়িব লাগিছিল সিমান বঢ়া নাই। অৱশ্যে এই কথাও আমি জানো যে কৃষি সমস্যাটো পুজিঁবাদী দেশৰ এটা সমস্যা। আৰু আমাৰ দেশতো যিহেতু এই অৰ্দ্ধ পুঁজিবাদী অৰ্দ্ধ সামন্তবাদী ব্যৱস্থাৰে কৃষি উৎপাদন হৈছে গতিকে কৃষি ক্ষেত্ৰত সমস্যা থাকিবই। কিন্তু এই ক্ষেত্ৰত যিহেতু আমাৰ দেশত কৃষক সকলক সহায় কৰিবৰ কাৰণে এটা বিভাগ আছে, সেই বিভাগে কৃষকৰ কাৰ্য্যত সহায়

কৰিবৰ কাৰণে যি ব্যৱস্থা গ্ৰহন কৰিব লাগিছিল সেই ব্যৱস্থা গ্ৰহন কৰিব পৰা নাই। ইয়াৰ ফলতেই আমাৰ কৃষক সকলে উৎপাদন বঢ়াব পৰা নাই। কৃষক সকলৰ ভিতৰত বেচি সংখ্যকেই দুখীয়া, গৰীব কৃষক আৰু খেত মজুৰী। দুখীয়া খেতিয়ক সকলে তেওঁলোকৰ নিজৰ মাটিত খেতি কৰাৰ উপৰিও আধি মাটিত খেতি কৰিব লগীয়া হয়। কিন্তু খেতিয়ক সকলে যি ফচল পায় সেই খিনিৰে বছৰটো নোজোৰে। উৎপাদন বঢ়াবৰ কাৰণে আধুনীক পদ্ধতি গ্ৰহন কৰাৰ প্ৰয়োজনীয়তা আছে। কিন্তু ইয়াৰ কাৰণে ট্ৰেক্টটৰ বা সাৰ আদি কিনিবলৈ যি টকা পইচাৰ প্ৰয়োজন সেই-খিনি এই কৃষক সকলৰ নাই। কিন্তু আমি দেখিবলৈ পাইছো যে ইয়ত পাৰাৰ পাম্প যোগানৰ কাৰণে, ট্ৰেক্টটৰ কিনাৰ কাৰণে টকা ধৰা হৈছে।

উপাধ্যক্ষ মহোদয়, উৎপাদন বৃদ্ধি কৰিব লাগিলে আমি জানো যে আধুনীকি কৃষি পদ্ধতি কৃষক সকলে গ্ৰহন কৰিবই লাগিব। কিন্তু এই আধুনীক সা-সজুলীবোৰ কিনাৰ কাৰণে যি সামৰ্থ্যৰ দৰকাৰ সেইখিনি কৃষক সকলৰ আছে নে? এইটো এটা চিন্তনীয় বিষয়। সেই কাৰণে আমি কৈছো যে আমাৰ যিটো ব্যৱস্থা, এই ব্যৱস্থাৰ যিবিলাক মাটিগিৰী আছে, যি সকলে সেই মাটিৰ উৎপাদনেৰে বছৰটো খাব পাৰে, তেওঁলোকেহে মাটি দেখুৱাই বেংকৰ পৰা লোণ লৈ ট্ৰেক্টটৰ বা পাৱাৰ পাম্প আদিৰ ব্যৱস্থা কৰি লব পাৰে। কিন্তু এই মাটিগিৰীৰ বাহিৰে যিসকল মজলীয়া খেতিয়ক বা খেত মজুৰ আছে তেওঁলোকে উৎপাদন বঢ়াবৰ কাৰণে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহন কৰিব নোৱাৰে। আমাৰ কৃষি বিভাগে উৎপাদন বঢ়াবৰ কাৰণে যি বেনৰ প্লেন লৈছে, সেই প্লেনৰ যোগেদি কৃষক সকলক পৰামৰ্শ দিয়াৰ ব্যৱস্থা গ্ৰহন কৰিছে কিন্তু ইয়াৰ যোগেদি উৎপাদন বৃদ্ধি হব বুলি আমি বিশ্বাস নকৰো। এই বেনৰ প্লেনৰ যোগেদি সাম্ৰাজ্য-বাদীয়ে পুঁজি বিনিয়োগ কৰি আমাৰ দেশৰ অৰ্থনীতি আৰু দুৰ্বল কৰাৰ

চাক্রুন্তহে চলাইছে। এই বেনৰ প্লেনৰ যোগেদি আমাৰ কৃষক সকলক পৰামৰ্শ দিয়াৰ কাৰণে গাওঁ পৰ্য্যায়ত কিছুমান এক্সটেনচন ৰৰ্কাৰ নিয়োগ কৰা হৈছে। আৰু তেওঁলোকৰ দ্বাৰা কৃষক সকলক পৰামৰ্শ দিয়াৰ কাৰণে ব্যৱস্থা কৰা হৈছে। এই পৰামৰ্শৰ জৰিয়তে উৎপাদন যে নাবাঢ়ে এই কথা আমি জানো।

উপাধ্যক্ষ মহোদয়, উৎপাদন বঢ়োৱাৰ কাৰণে এনে ব্যৱস্থা লব লাগিব যাতে কৃষক সকল উপকৃত হব পাৰে আৰু উৎপাদন বৰ্তমানতকৈ বৰ্দ্ধিত কৰিব পাৰে। কৃষক সকলে সাধাৰণতে আহু আৰু শালি খেতি কৰে। ইয়াৰ বাহিৰে বাকী সময়ত বহি থাকিবলগীয়া হয়। আহু আৰু শালি খেতিৰ কাৰণেও বতৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। পানী যোগানৰ ভাল ব্যৱস্থা কৰিলে উত্‌পাদন বৃদ্ধি হোৱাতো আশা কৰিব পাৰি। বহি থকা সময়তো আন আন ফচল কৰাৰ কাৰণে যাতে পানী যোগান ধৰিব পৰা যায় তাৰ কাৰণে আঁচনি কৰিব লাগে। ক্ষুদ্ৰ আৰু মজলীয়া জলসিঞ্চন আঁচনি প্ৰকল্প আদি কৰা হৈছে যদিও তাৰ পৰা কৃষক সকলক কিমান খিনি উপকাৰ কৰিব পৰা হৈছে সেইটো চাব লাগিব। কিয়নো প্ৰকৃত ভাৱে পানী যোগান সময় মতে দিব নোৱাৰিলে অধিক শস্য উত্‌পাদন আশা কৰিব নোৱাৰি। বৰ্তমানৰ পানী যোগান ব্যৱস্থাৰে কৃষকসকল উপকৃত হৈছে নে নাই সেইটো চাব লাগিব। জলসিঞ্চন ব্যৱস্থা শক্তিশালী কৰিলেহে অধিক উৎপাদন আশা কৰিব পৰা যাব। পানীযোগানৰ সুফল নোপোৱা কাৰণেই খেতিয়ক সকলে পুৰণা পদ্ধতিৰেই খেতি কৰি থাকিবলগীয় হৈছে। চৰকাৰৰ ফালৰ পৰা সহায় সহযোগ আগবঢ়ালেহে উচিত ভাৱে কৃষিৰ উৎপাদন হব বুলি আশা কৰিব পাৰি।

উপাধ্যক্ষ মহোদয়, ট্ৰাইবেল চাব প্লেনৰ জৰিয়তে চাবচিডি ৰেটত পাওৱাৰ পাম্প আদিৰ যোগান ধৰা হয় যদিও আচলতে ধন দি সেই-

বিলাক কিনিবলৈ দুখীয়া খেতিয়কৰ শক্তি নাই। ফলত অৱস্থাপন্ন কেইটা-মান পৰিয়ালৰ বাহিৰে ট্ৰাইবেল চাব প্লেনৰ চাবচিডি ৰেটৰ বস্তু দুখীয়া কৃষকে কিনিব পৰা নাই। সা-সজুলি নোহোৱাৰ কাৰণেই সাধাৰণ খেতি-য়কে অধিক শস্য উৎপাদন আচঁনিত সক্ৰিয় অংশ গ্ৰহন কৰিব পৰা নাই। কৃষি বিভাগৰ ফাৰ্ম কেইখনমান আছে। এই ফাৰ্ম সমূহত উচ্চ ক্ষমতা সম্পন্ন বীজ উৎপন্ন কৰি খেতিয়কৰ মাজত বিতৰণ কৰাৰ সলনি বিষয়া কেইজন মানে কিছুমান খেতিষকক খেতি কৰিবলৈ দি নিজৰ ভৰাল পুৰ কৰিছে। কৃষিৰ সজুলি সমুহৰ একেটা বস্তুকে আঠ দহ বাৰ বিক্ৰী কৰি নিজৰ ভৰাল বঢ়াইছে আৰু ধন ঘটাৰ ব্যৱস্থা কৰিছে। আনহাতেদি কৃষি যিভাগত নিম্ন পৰ্য্যায়ৰ কৰ্মচাৰীৰ প্ৰমোচন আদিৰ সুবিধা নাই কিন্তু উচ্চ কৰ্মচাৰী সকলৰ দুই তিনি বছৰৰ ভিতৰতে দুই তিনিবাৰ প্ৰমোচন হৈছে। যুটীয়া সঞ্চালক, অতিৰিক্ত সঞ্চালক, উপ-সঞ্চালক, মহকুমা কৃষি বিষয়া আদি বহুত পদৰ সৃষ্টি কৰা হৈছে কিন্তু প্ৰকৃততে আমাৰ খেতিয়ক সকলৰ কোনো সহায় এই সকলৰ যোগেদি হোৱা নাই। ইয়াৰ দ্বাৰা চৰকাৰী ধনৰ অপচয়হে বাঢ়িছে। অসমত থকা বাষষ্ঠিখন ফাৰ্মৰ যোগেদি উচ্চ উৎপাদনক্ষম বীজ যোগান দিয়াৰ পৰিবৰ্ত্তে এই ফাৰ্মৰ বিষযা সকলে মুনাফা লুট কৰাৰ সুবিধা কৰি লৈছে। আছলতে কৃষকসকলে উপকৃত হব পৰা বা তেওঁলোকৰ কামত অৱিহণা যোগাব পৰা ব্যৱস্থাহে গ্ৰহন কৰিব লাগে। আগৰ চৰকাৰৰ দিনৰ পৰা এই কৃষি ব্যৱস্থা চলি আছে। কৃষি বিভাগৰ দুৰ্নীতি আতৰ নকৰিলে এই ব্যৱস্থাৰ দ্বাৰা কৃষক সকলক একো উপকাৰ কৰিব পৰা নাযাব। ১৯৭৭-৭৮ চনত উৎপাদন হৈছিল ২৪.৫৬ লাখ টন কিন্তু ১৯৭৮-৭৯ চনত কম হৈছে। মাত্ৰ ২৩.১৩ লাখ টন। মৰাপাট কুহি-য়াৰ সৰিয়হ আদিৰ উৎপাদনো বঢ়া নাই। মই দীঘলীয়া নকৰো। কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মোৰ বক্তৃতাৰ সামৰণি মাৰিছো।

শ্ৰীচিৰাজুল হ'ক ঃ— মাননীয় উপাধ্যক্ষ মহোদয়, পৰাধীন ভাৰতবৰ্ষত কি কৰিছিল নেজানো। কিন্তু স্বাধীন হোৱাৰ পিচৰে পৰা খেতি আধুনিকৰণ কৰাৰ কাৰণে আজি যথেষ্ট ধন খৰচ কৰা হৈছে আৰু প্ৰাৰম্ভিক হিচাবে আমি দেখিবলৈ পাইছোঁ কৃষিৰ নামত বিশ্ববিদ্যালয় পৰ্য্যন্ত কৰিছে। তাৰ পৰা বছৰি বছৰি বৈজ্ঞানিক খেতিয়ক বাহিৰ হৈ আছে। আজি কিমান বিজ্ঞান খেতিয়ক ওলাই আহিছে সেইটো হিচাব নাই। কিন্তু খেতিয়ক সকলৰ আধুনিকৰণৰ নামত বৈজ্ঞানিক খেতিয়কক আমি কোনো দিনেই 'চৰজমিনত' লগ পোৱা নাই, এই কথা নকৈ কব পাৰি যে যোৱা ৩১ বছৰ হৈ গল, যথেষ্ট টকা পইচা খৰচ হ'ল কিন্তু আমাৰ খেতিয়ক সকলক এই কৃষি দপ্তৰ বিলাকৰ পৰা কোনো ধৰণৰ সহায় সহযোগ দিব পৰা নাই। উপাধ্যক্ষ মহোদয় আজি বৰ দুখ লগা কথা বৰপেটা বা অন্যান্য চাব ডিভিজনৰ কথা উল্লেখ কৰিব বিচাৰিছো যে আমাৰ মাজত এনেকুৱা এটা ভাব আনিব পৰা নাই। যিসকলে খেতিৰ কাম কৰে সেইসকলক হীণ চকুৰে চোৱা হয়। আৰু যিসকলে চাকৰি কৰে তেওঁলোকে গৌৰব বোধ কৰে। এনেকুৱা নতুন পদ্ধতি বাহিৰ হোৱা নাই যাৰ দ্বাৰা খেতিয়ক সকলক আগবঢ়াই নিব পাৰি। চাৰ, আমাৰ অসম দেশ খন বৈচিত্ৰ পূৰ্ণ দেশ। ইয়াৰ একোটা ঠাই খুব ওখ, আৰু একোটা ঠাই খুব দ'। গতিকেই কিছুমান ঠাইত বছৰি পানীৰে পৰিপূৰ্ণ হৈ থাকে আৰু কোনো ঠাইত পানীয়েই নাই। এই ধৰণৰ বৈষম্য দেখা যায়। গতিকেই ইয়াত নিৰ্দিষ্ট প্লেনৰ দ্বাৰা এট বিভাগে খেতি কৰাটো সম্ভৱপৰ নহয়। তাৰ কাৰণে আন আন বিভাগৰো সহায় সহযোগ দৰকাৰ। বাৰিষা বানপানীৰ পৰা খেতিবাতি ৰক্ষা কৰিবলৈ হলে মঁঠাউৰি দিয়াৰ ব্যৱস্থা থাকিব লাগে। কিন্তু এই মঁঠাউৰি দিয়াৰ কাৰণে বিশেষ ধৰণৰ পাৰদৰ্শিতা দিব পৰা

নাই। মথাউৰি নিদিলে কোনো খেতিয়েই বাৰিষা বানপানীৰ পৰা ৰক্ষা কৰিব পৰা নেযাব। আজি তেখেত ইয়াত নাই। আমাৰ আগৰ কৃষি মন্ত্ৰী ওমৰউদ্দিন চাহাবৰ বক্তৃতা এবাৰ শুনিবলৈ গৈছিলো। তেতিয়া আমি প্ৰথমতেই তেখেতৰ ওচৰলৈ মথাউৰিৰ দাবি লৈ গৈছিলো। তেতিয়া তেখেতে ধমকিৰ সুৰত কৈছিল যে মথাউৰি কৰিলে পানীবিলাক কেনেকৈ ওলাই যাব। কিন্তু পানী ওলাই যাবই অসম দেশত বানপানী হবই ইয়াক ৰোধ কৰিব নোৱাৰি। আজি মথাউৰি বিহিন অসমত খেতি হব নোৱাৰে। আজি পঞ্জাবত লিফট এৰিগেচনৰ জৰিয়তে বছৰত তিনটা খেতি কৰা হয়। অক্টবৰ মাহত খেতি কৰি মাত্ৰ তিনিমাহৰ ভিতৰতে খেতি চপোৱা হয়। আকৌ দ্বিতীয়টো এপ্ৰিলৰ ১৫ দিনৰ ভিতৰত কৰিব পাৰি। বৰপেটাত জুন-জুলাই মাহত বাৰিষাৰ কাৰণে খেতি কৰিব নোৱাৰি। বাকী এই দুইটা খেতি ইয়াতো কৰিব পৰা যায়। তেতিয়া আমাৰ অসম দেশত কোনো অভাৱ অভিযোগ নেথাকিব। বৰপেটাৰ ১৯৭৫-৭৬ চনত ভীষণ ভাবে বানপানীত প্লাৱিত হৈছিল। বছৰটোৰ ভিতৰতে কৃষকে কোনো খেতি কৰিব পৰা নছিল। ডিচেম্বৰ মাহত ৰাইজে খেতি আৰম্ভ কৰিলে। এইবিলাকৰ বহুত করুণ কাহিনী আছে। তাৰ পিচতে আমাৰ দুটা বেলেগ দপ্তৰ ইৰিগ্ৰেচন আৰু কৃষি বিভাগ। আমাৰ এই সাৰ বিলাক চতিয়াই দিয়াৰ কাৰণে সমবায় লাগে। এতিয়া ধৰক খেতি কৰা হল। খেতিৰ কাৰণে পানী লাগে। সেই পানীৰ কাৰণে ইৰিগ্ৰেচন দৰকাৰ। আৰু খেতি চপাবৰ সময়ত তেওঁলোকৰ টকা পইচা নেথাকে। সেইকাৰণে তেওঁলোকৰ বেংকৰ ও সমবায়ৰ ওচৰ চাপিবলগীয়া হয়। বেংকে তেওঁলোকক বিশ্বাস নকৰা হল। ১৯৫১ চনৰ পৰাই তেওঁলোকক যি ঋণ দিছিল সেই ঋণ পৰিশোধ কৰিব পৰা নাই। গতিকে দেখা যায় পানীৰ অভাৱৰ কাৰণে বৰপেটা মহকুমাত বাম খেতি কৰিব নোৱাৰিলে আৰু খেতি চপোৱাৰ কাৰণে

সময়ত সুবিধাখিনি নেপালে। সাৰৰ কাৰণে সাৰ নিগম, বীজ নিগম, কৃষি নিগম ইত্যাদি বহু বিলাক নিগম আছে। এইবিলাকৰ পেচত পৰি বৰপেটা ৰাইজে ১৯৭৫ চনৰ পৰা গম খেতি কৰিব নোৱাৰিলে। বৰপেটা মহকুমাত বহুতো সৰু সৰু পুখুৰী আছে। সেইবিলাকৰ পাঁৰা গম খেতি কৰিবৰ কাৰণে তেওঁলোকে হাতেৰে সিঁচি সিঁচি সেই পানীৰ ওপৰত ভিত্তি কৰিয়েই বৰপেটা ৰাইজ বাচি থকিব লগীয়া হল। এই ক্ষেত্ৰত মই এটা পৰামৰ্শ দিব বিচাৰিছো যে আজি আমাৰ উন্নত ধৰণৰ আৰু আধুনিক ধৰণৰ খেতি কৰিবলৈ হলে আমাৰ দেশৰ নিচিনা দুখীয়া এখন ৰাজ্যত কৃষি দপ্তৰত যি সকলৰ এই দিশত প্ৰকৃত অভিজ্ঞতা আছে তেনেধৰণৰ মানুহৰ প্ৰয়োজন হৈ পৰিছে।

উপাধ্যক্ষ মহোদয়, যোৱা বছৰ ৰাইজে বৰ ভাল পাইছিল যে আমাৰ কৃষি মন্ত্ৰী প্ৰকৃত কৃষি মন্ত্ৰী হৈ গ'ল। কাৰণ কৃষি মন্ত্ৰীয়ে নিজে যেতিয়া নাঙলৰ মুঠিত ধৰি হাল বাইছে, এনেকুৱা এজন মন্ত্ৰী পাইছে যেতিয়া কৃষকৰ মনৰ দুখ আতৰাবলৈ সক্ষম হ'ব। কিন্তু আজি এবছৰ হৈ গ'ল খেতিৰ কাৰণে, কৃষকৰ কাৰণে একোকে কৰা নহ'ল। আগতে ট্ৰেক্টৰ আদি খেতি কৰিবলৈ দিয়াৰ ব্যৱস্থা কিছু পৰিমানে হৈছিল। যোৱা বছৰ যিহেতু মন্ত্ৰীয়ে নাঙলেৰে হাল বাই দেখুৱালে, সেয়েহে এইবাৰ নাঙলেই খেতিৰ উন্নত সজুলি হিচাবে থাকি গ'ল। ১৯৭৮ চনত যি কেইটামান উন্নত ধৰণৰ সজুলি দিয়া হৈছিল, সেই কেইটা থাকি গ'ল। ডেমসট্ৰেচন ফিল্ড কৰাৰ কাৰণে যি কেইটা এৰিয়া দিয়া হৈছে, একোটা অংশত ৪০/৩০ বিঘা মানকৈহে মাটি দিয়া হৈছে। গতিকে মই কব বিচাৰিছো যে এই-টো কিয় হ'বলৈ পাইছে ? ইয়াৰ বাবে কৃষি দপ্তৰ নে, পানী দপ্তৰ নে বীজ নিগম দপ্তৰ দায়ী ? এই সম্পৰ্কে চালি জাৰি চাই জনতা চৰকাৰে দায়িত্ব লৈ কৃষি উৎপাদন পদ্ধতি বৈজ্ঞানিক কৰণ কৰিব লাগে।

নহলে কৃষি প্ৰধান দেশ অসমে উন্নতি কৰাৰ সম্ভাৱনা নাই। উপাধ্যক্ষ মহোদয়, আমাৰ এটা বিভাগ আছে, সেইটো হৈছে ৰেডিঅ'. আৰু এই ৰেডিঅ'ৰ দ্বাৰা প্ৰচাৰ কৰা হয় খেতিৰ সম্পৰ্কে। মোৰ এটা কথা ভাৰি দুখ লাগে, সেইটো হৈছে খেতিৰ সম্পৰ্কে যিবোৰ প্ৰচাৰ পত্ৰ দিয়া হয় সেইবোৰ ঠিক সময় মতে প্ৰচাৰ কৰা নহয়। উদাহৰণ স্বৰূপে মই এটা কথা কব পাৰো যে, তাৰিখটো মোৰ অৱশ্যে মনত নাই, ৰেডিঅ'ত প্ৰচাৰ কৰা হৈছে কাতি মাহৰ ১৫ তাৰিখৰ আগতে আৰু আহিন মাহৰ ১৫ তাৰিখৰ পিছৰ সময়খিনি হৈছে খেতিৰ পানী যোগানৰ সময়। কিন্তু এই কথাখিনি ৰেডিঅ'ত প্ৰচাৰ কৰা হৈছিল কাতি মাহৰ ২০ তাৰিখেহে গতিকে মই ভাবো কৃষি বিভাগে সময় মতে প্ৰচাৰ বিভাগলৈ যি কোনো খেতিৰ উপযোগী প্ৰচাৰ পত্ৰ প্ৰেৰণ কৰিব লাগে। সময় মতে খেতিৰ বীজ বিতৰণ কৰিব লাগে। আহু-খেতিৰ সময়ত আহু ধানৰ বীজ আৰু শালি খেতিৰ সময়ত শালি ধানৰ বীজ বিতৰণ কৰিব লাগে। আৰু কি খেতিৰ কাৰণে কেনেকুৱা মাটিৰ প্ৰয়োজন হ'ব, খেতিৰ মাটি দ হ'বনে বাম হ'ব সেইটো বীজ নিগম বিভাগে বিবেচনা কৰিব লাগে। বাৰিষা বতৰ যোৱাৰ পিছত যদি মনোহৰ শালিৰ বীজ দিয়া হয় আৰু সাৰ দিয়া হয় তেনে হলে আচল খেতিয়কে তাৰ পৰা কোনো উপকৃত হ'ব নোৱাৰে। এবং খেতিৰ কাৰণে যি সাৰৰ যোগান ধৰা হয় সেই সাৰ অফিচাৰৰ পেটত যদি সোমাই তেতিয়া হলে অফিচাৰৰ পেটতহে সাকৰা হ'বগৈ, খেতিৰ পথাৰত সেই সাৰ নপৰেগৈ। মই এইটো কথা বিনীত ভাবে নিবেদন কৰিছো যে খেতি কৰাৰ কাৰণে বীজৰ যেনেকৈ প্ৰয়োজন ঠিক তেনেকৈ পানীৰো প্ৰয়োজন হয়। ইয়াত দেখা যায় পানী মন্ত্ৰী আৰু বীজৰ মন্ত্ৰী সুকলা দুৰত বহি থাকে। তেখেত লোক দুয়ো ওচৰা ওচৰিকৈ বহিলে ভাল হয়, তেতিয়াহে দুয়ো একেলগে এই বিষয়ে আলোচনা কৰি কি খেতিৰ কাৰণে কি বীজ লাগে আৰু কোনটো খেতিত কেতিয়া পানী যোগান ধৰিব লাগে

সেই বিষয়টো ভাল দৰে চাব পাৰিব। অৱশ্যে আমাৰ সাধাৰণ খেতিয়ক সকলে খেতিৰ কাৰণে বীজ এনেয়ে নেপায়, আৰু চৰকাৰেও এইটো কথাৰ প্ৰতি লক্ষ্য নেৰাখে। গাওঁৰ খেতিয়ক কেইজনমানক সৰু সৰু কেইটামান ঘৰ বান্ধি থোৱা দেখা পাইছিলোঁ আৰু মই সুধাত কৈছিল যে এই ঘৰ বিলাকৰ পৰা পানী যোগান ধৰা হয়। আৰু এই দৰেই পানী যোগান ধৰি খেতিৰ উৎপাদন কৰা হৈছে। যোৱা বছৰ মই মোৰ নিজা ঘৰৰ বাৰীত অলপ খেতি কৰিছিলোঁ, সেইটো হৈছে কবীৰ খেতি। আৰু এই খেতিৰ কাৰণে মই মাননীয় সদস্য ইব্ৰাহীম আলিৰ ঘৰৰ পৰা গোবৰ আনিছিলোঁ। (ভইচঃ কংগ্ৰেছ চৰকাৰৰ গোবৰ) হয় কংগ্ৰেছ চৰকাৰৰ পৰাই গোবৰ সাৰ হিচাবে আনিছিলোঁ আৰু খেতিও বেচ ভাল হৈছিল। মই গৌৰৱ কৰি কব পাৰোঁ যে বৰপেটাৰ ভিতৰতেই যোৱা বছৰ মোৰ কবী খেতি ভাল হৈছিল। এইটো হয়তো কংগ্ৰেছী গোবৰৰ কাৰণেই ভাল হৈছিল। কিন্তু মোৰ কিছুমান বন্ধুৱে পৰামৰ্শ দিলে যে এই খেতিত হয়তো পোক আদি হ'ব পাৰে, গতিকে ভালকৈ চাই ইয়াৰ বাবে এটি চেক্ট ঔষধ প্ৰয়োগ কৰিব লাগে। তেখেত সকলৰ কথা মতেই মই সেই সাৰ যুক্ত ঔষধ কবী খেতিত দিলোঁ কিন্তু পিছদিনাই দেখিলোঁ যে মোৰ কবী খেতিৰ সকলো থিনি নষ্ট হৈ গৈছে। আজি ডেমন্সষ্ট্ৰেচন ফিল্ডৰ আগত যিখন চাইন বৰ্ড দিয়া আছে সেই খন মই উঠাই থোৱাৰ কাৰণে নিৰ্দেশ দিলোঁ। কাৰণ চাইন বৰ্ডত "প্ৰদৰ্শনী ক্ষেত্ৰ" বুলি এনেয়ে লিখা হৈ আছে। জলত পানী যোগান দি সময় মতে আৱশ্যকীয় ব্যৱস্থা লোৱা হোৱা নাই। পৰাৰ পাম্পৰ কোনো ব্যৱস্থা চৰকাৰে কৰা নাই। আজি সাত বছৰে আপুনি যদি হিচাপ কৰি চায় তেনেহলে দেখিব এই পাম্প বিলাক ৰাইজৰ কোনো উপকাৰত অহা নাই। এই সম্পৰ্কে ৰাইজৰ তৰফৰ পৰা বহুত অভিযোগেই আহিছে। কিন্তু চৰকাৰৰ ফালৰ পৰা সেই বিলাক মেৰামতি কাৰণে কোনো চেষ্টাৰ আজিলৈকে থোলা নাই। একমাত্ৰ গুৱাহাটীত এটা চেণ্টাৰ আছে আৰু তালৈ সকলো পাৰাৰ পাম্প ভাল কৰিবলৈ আনিব

লাগে। বৰুত যিবিলাক পাম্প বেয়া হৈ যায় তাক দুই আঢৈশ টকা খৰচ কৰি ইয়ালৈ টানি আনি পেলাই থৈ যায়। গতিকে এই বিষয়ে আমাৰ কৃষি বিষয়ে নজৰ ৰখা উচিত। আৰু এটা দুখ লগা কথা আমাৰ যিবিলাক খণ্ড উন্নয়ন কৰা হৈছিল সেই উন্নয়ন কাৰ্য্যালয়ত বহুতো কৰ্ম্মকৰ্ত্তা আছে। উদ্দেশ্য আছিল সকলোৱে মিলিজুলি গাওঁৰ ৰাইজৰ উপকাৰ সাধন কৰিব। এই কাৰ্য্যালয়ত বহুতো গ্ৰাম সেৱক, গ্ৰামসেৱিকা আছে এতিয়া আকৌ তেওঁলোকৰ নাম সলনি কৰি ভিলেজ লেভেল এক্সটেন্সন কৰি ডিগ্ৰী দিব বিচাৰিছে সেই সকলৰ দ্বাৰা যি খবৰৰ পৰিদৰ্শন আমি আশা কৰিছিলোঁ অন্ততঃ একোখন গাওঁ পঞ্চায়তত, কমেও ৫-১০ বিঘা মাটিলৈ চেলেঞ্জ হিচাবে খেতি কৰি ৰাইজক দেখুৱাব পাৰিব লাগিছিল। আজি বৰপেটাত ৪৬ টা পঞ্চায়ত আছে। কোনো এটা পঞ্চায়তত্তে কৃষি বিভাগে নিজে খেতিৰ এটা প্লট দেখুৱাব নোৱাৰে। খেতিয়কে নিজেই যি উৎপাদন কৰিছে আমাৰ চৰকাৰে তকৈয়ো বেছি ভাল কাম হে হৈছে মই এটা কথা উপাধ্যক্ষ মহোদয়ক বিনীতভাৱে অনুৰোধ কৰিব বিচাৰিছোঁ যে আমি চৰকাৰী কৰ্ম্মচাৰী সকলৰ দুখ দুৰ্গতি অভাৱৰ প্ৰতি লক্ষ্য ৰাখি আহিছোঁ। কৰ্ম্মচাৰী সকলে যাতে আমাৰ ৰাইজৰ সেৱা কৰিব পাৰে। তাৰ কাৰণে যিমান স্কোপ দিয়াৰ প্ৰস্তাৱ আছে তাত আমি একমত। আৰু যদি কিবা অভাৱ আছে আকৌ দূৰ কৰিবলৈ প্ৰস্তুত আছোঁ। উপাধ্যক্ষ মহোদয়, কৃষি বিভাগত অসমৰ ৰাইজৰ ধন ১৬ কোটি খৰচ হব। এই পৰিপ্ৰেক্ষিতত এইটকা খৰচ কৰি তাৰ পৰা কিমান উৎপাদন বৃদ্ধি কৰিব বিচাৰিছে সেই কথা নিশ্চয় অসমৰ ৰাইজে জানিব বিচাৰিব। মাননীয় সদস্য শ্ৰীপূৰ্ণবড়োয়ে কৈ গৈছে যে মাটি আবাদীকৰণ আগতকৈ বেছি হৈছে। কিন্তু সেই তুলনাত উৎপাদন বৃদ্ধি হোৱা নাই। উপাধ্যক্ষ মহোদয়, আজি যদি এটা চাৰ্ভে কৰি চোৱা হয়, অসমৰ বাহিৰত পঞ্জাৱত তাৰ মানুহে এক একৰ মাটিত ৪০ কুইণ্টল,

ধান উৎপাদন কৰিছে। কিন্তু আমাৰ ইয়াৰ খেতিয়কে মাত্ৰ ৭ কুইণ্টলহে উৎপাদন কৰিব পাৰিছে বুলি মই শুনা নাই যদি আপুনি শুনিছে এইটো সুখৰ কথা। বৰপেটা মহকুমাত প্ৰদৰ্শনী পাতি খেতিয়ক সকলক পুৰস্কৃত কৰে। কিন্তু তেওঁলোকে আচল খেতিয়ক বিচাৰি নাপায়। যি সকলে নিজৰ পথাৰত খেতি কৰে আৰু চৰকাৰৰ সহায় নিবিচাৰে তেনে খেতিয়কক পুৰস্কৃত কৰি কৃষি বিভাগে বিভাগৰ সুনাম অৰ্জন কৰে। আমাৰ মন্ত্ৰী মহোদয় এজন প্ৰকৃত খেতিয়ক তেখেতে নিজেও নাঙলৰ মুঠিত ধৰিছে। কিন্তু নাঙলৰ মুঠিত ধৰিলেই খেতিৰ উন্নতি নহব। আচলতে বিজ্ঞানসন্মত ভাৱে যিখিনি টকা এই শিতানত আছে সেইখিনি ভালকৈ খৰচ কৰিব পাৰিলে আমি আশা কৰামতে তেখেতে ফল দেখুৱাব পাৰিব। উপাধ্যক্ষ মহোদয়, এই শিতানত ১৬ কোটি টকা খৰছ কৰা হব। কিন্তু এই খৰছৰ পৰিপ্ৰেক্ষিতত উৎপাদনৰ হাৰ কিমান বৃদ্ধি কৰিব তাৰ হিচাপ কিন্তু বাজেতত নাই। ১৬ কোটি টকা খৰচ কৰি আমি ইমান উৎপাদন বা ইমান কুইণ্টল বৃদ্ধি কৰিব বিচাৰিছোঁ সেই কথা টানিব পাৰিব লাগিছিল। সেই কাৰণে মই জানিব বিচাৰিছো আৰু দাবীও কৰিছোঁ কৃষি বিভাগে খৰচৰ হিচাপত উৎপাদন টাৰগেট ঠিক কৰক, উৎপাদন নমুনা ঠিক কৰক। এই বছৰৰ ইমান খৰছৰ বিনিময়ত অহা বছৰলৈ কিমান উৎপাদন হব বুলি আশা কৰা হৈছে। এইবছৰ নোৱাৰিলে এই কাম অহা বছৰ হব? এই খিনি কৈ বক্তব্য সামৰণী মাৰিলো।

* শ্ৰীজয়নাল আবেদিন :- উপাধ্যক্ষ মহোদয়, অসম কৃষি প্ৰধান ৰাজ্য। এইকথাও কোৱা হৈছে যে এই ৰাজ্যৰ ৰাজহৰ শতকৰা ৫৯ ভাগেই আহে কৃষিৰ পৰা। আমাৰ ৰাজ্যৰ মুঠ জনসংখ্যাৰ শতকৰা ৮৩ ভাগৰ পৰা ৮৫ ভাগলৈ কৃষিত নিযুক্ত। গতিকে ইয়াতকৈ আৰু দুখৰ কথা

* Speech not corrected

থাকিব নোৱাৰে যিখন ৰাজ্যত যিখন দেশত শতকৰা ৮৫ ভাগ মানুহ কৃষি কাৰ্য্যত নিযুক্ত সেইখন দেশত বাহিৰৰ পৰা খাদ্যবস্তু আনিবলগীয়া হৈছে। উপাধ্যক্ষ মহোদয়, আমাৰ কৃষিৰ মূল সমস্যা হৈছে কৃষি উৎপাদন বৃদ্ধিৰ সমস্যা। কৃষি অৰ্থনীতিৰ উৰ্দ্ধগতি সাধন কৰাৰ সমস্যা। এই ক্ষেত্ৰত আমি দেখিবলৈ পাইছো যে আগৰ চৰকাৰেও ব্যৰ্থ হৈছে আৰু এই চৰকাৰেও ব্যৰ্থ হৈছে। বৰ্ত্তমান যি ১৬ কোটি টকা এই শিতানত বিছৰা হৈছে কিন্তু কাৰ্য্যকৰীভাবে এই টকা খটুৱাই প্ৰকৃততে ৰাজ্যখনৰ কৃষি উৎপাদন বৃদ্ধি কৰিব পাৰিব বুলি আমাৰ মনত আশা জন্মাৰ পৰা নাই।

উপাধ্যক্ষ মহোদয়, আজি কৃষিৰ ক্ষেত্ৰত কি কৰিব বিছৰা হৈছে? কৃষিৰ যদি মূল ত্ৰুটি দূৰ কৰিব লাগে তেনেহলে কৃষিৰ আধুনিকীকৰন কৰিব লাগিব সেইটোৱে হৈছে মূল কথা। আজি গাওঁ অঞ্চলত বেছিভাগ খেতিয়কৰ হাতৰ পৰাই মাটি লাহে লাহে নাইকীয়া হব ধৰিছে। মানুহৰ কৰ্মহীনৰ সংখ্যা, ভুমিহীনৰ সংখ্যা বাঢ়ি গৈছে। আৰু তেওঁলোক আজি খেতি বনুৱালৈ ৰূপান্তৰিত হৈছে। কিন্তু খেতিয়ক বনুৱা হোৱাৰ পাচত তেওঁলোকে গোটেই বছৰ কাম কৰিবলৈ পোৱা নাই। এইবিলাকেই নিবনুৱা সমস্যা কৰ্মসংস্থাপনৰ সমস্যাই দেখা দিছে। ইয়াৰ পৰা মানুহৰ ক্ৰয় ক্ষমতাৰ সমস্যা হৈ পৰিছে, আজি ভুমিহীনৰ হাতত, খেতি বনুৱাৰ হাতত আৰু দুখীয়া গাওঁৰ লোকৰ হাতত ক্ৰয় ক্ষমতা নাই আৰু ইয়াৰ এটা প্ৰভাব আহি পৰিছে সামগ্ৰিক অৰ্থনীতিৰ ওপৰত যাৰ ফলত সমগ্ৰ অসমৰ অৰ্থনীতি জুৰুলা হৈ পৰিছে। এই অৱস্থাৰ পৰিবৰ্ত্তন কৰিবলৈ হলে প্ৰথমে কৃষি আধুনিকীকৰন কৰিব লাগিব বিজ্ঞান সন্মত ভাবে এই আচনি গাওঁ অঞ্চলত কৰিব পাৰিলে এজন মানুহেও কৰ্মসংস্থাপন নপোৱাকৈ নাথাকে।

সেইখিনি কৰিব পাৰিলে মানুহৰ ক্ৰয় ক্ষমতা বাঢ়ি যাব আৰু তাৰ ফলত সামগ্ৰীক ভাবে অসমৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি হব।

এইটো কেনেকৈ কৰিব পৰা যাব ? কৃষি আধুনীকিৰণৰ কথা অকল মুখেৰে কলেই নহব। কৃষি আধুনিকীকৰণৰ নামত কিছুমান সস্তিয়া কথা কংগ্রেছ আমোলত কোৱাৰ দৰেই কলেই নহব। কৰবাত ডেমনন্সট্রেচন দি কৰবাত নতুন সাৰ দি কৃষি উতপাদন বৃদ্ধি কৰাৰ নামত কিছু কাম কৰিলেই নহব। ইয়াকে কৰিলে উতপাদন বাঢ়িব নোৱাৰে। আমি অৰ্থকৰি ভাবে কৃষি উতপাদন বঢ়াব লাগিব। এই কৃষি অৰ্থকৰি সম্পদ এটা হৈছে মৰাপাট। কিন্তু আজি মৰাপাটৰ উতপাদন নিন্মগামী হৈছে ৮ হাজাৰ বেল্টৰ পৰা ৭ হাজাৰ বেল্টলৈ নামি আহিছে। যি মৰাপাটৰ পৰা উদ্যোগ গঢ়িব পাৰে সেই মৰাপাটৰ উতপাদনৰ কাৰণে ব্যৱস্থা নাই। দলগাওঁত যিটো মৰাপাটৰ কল কৰিবলৈ আৰম্ভ কৰিছিল সেইটো বন্ধ কৰি ৰখা হৈছে। কৃষি ভিত্তিক আজি কোনো পৰিকল্পনা নাই। আমি কৃষি কেনেকৈ আধুনিকীকৰণ কৰিব পাৰিম। কৃষি আধুনিকীকৰণ কৰিব নোৱাৰিলে আমি কৃষিৰ উৎপাদন কেনেকৈ বঢ়াব পাৰিম। ধাপাবাজী ব্যৱস্থাৰে কৃষি উৎপাদন বৃদ্ধি নহব। ইয়াৰ কাৰণে আমূল পৰিবৰ্তন সাধন কৰিব লাগিব। এইটো কৰিবলৈ যাওঁতে আমি এটা ডাঙৰ সমস্যাৰ সম্মুখীন হব লাগিব। কাৰণ আজি আমাৰ দেশৰ অৰ্থনীতি হৈছে পুজিঁবাদী অৰ্থনীতি। কৃষিত আজি পুজিঁপতিৰ অনুপ্ৰবেশ ঘটিছে। আজি ব্যাপক ভাবে কৃষিৰ আধুনিকীকৰণ কৰিবলৈ চৰকাৰে কিয় সাহস কৰিব পৰা নাই ? ইয়াৰ মূল কাৰণ হৈছে আজি শতকৰা ৭৫ জন মানুহেই গাওঁত বাস কৰে। আৰু তাৰ ব্যাপক সংখ্যক মানুহ নিবনুৱা হৈ আছে। কিন্তু যদি চৰকাৰে এই ক্ষেত্ৰত হাত দিয়ে তেতিয়াহলে শতকৰা ৭৫ জন মানুহ নিবনুৱা হৈ যাব পাৰে। এনেই চহৰ অঞ্চলৰ নিবনুৱাসকলক কাম দিব পৰা নাই। তাতে আকৌ যদি এইদৰে মানুহ নিবনুৱা হয় তেতিয়া হলে এই অতিৰিক্ত নিবনুৱাখিনিক ক'ত সংস্থান কৰিব ? সেইসকলৰ কৰ্মসংস্থান দিয়াৰ সমস্যাই দেখা দিব। এই কাৰণেই

আজি পুজিবাদী চৰকাৰে কৃষি আধুনিকীকৰণৰ কাৰণে ব্যৱস্থা কৰা নাই। কিন্তু এইদৰে জানো হাত সাবটি বহি থাকিব পাৰিব ? নোৱাৰে। এই সম্পৰ্কত চৰকাৰৰ একো দায়িত্ব নাই নেকি ? মই ভাবো আছে। ইয়াৰ বিকল্প ব্যৱস্থাও আছে। কৃষি আধুনিকীকৰণ কৰিব পাৰে। হালোৱা কৃষি মন্ত্ৰীয়ে নাঙলৰ মুঠি আজি এৰিব লাগিব। অসমৰ কৃষকক শিকাব লাগিব যে নাঙল পাহৰি যোৱা। আধুনিক সা-সজুলিৰ দ্বাৰা কৃষি আধুনিকীকৰণ কৰিব নোৱাৰিলে আমাৰ ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাৰ উন্নত হব নোৱাৰে। কৃষি আধুনিকীকৰণ কৰিব পাৰিলেই আমাৰ যি অতিৰিক্ত নিবনুৱা ওলাব সেই সকলোকো আমি কৰ্মসংস্থান দিব পাৰিম। কৃষি উত্পাদন বঢ়াব পাৰিলে কৃষিজাত সামগ্ৰী ভিত্তিক উদ্যোগ গঢ়ি তুলিব পাৰিম। এই কৃষিজাত সামগ্ৰীৰ পৰা আমি মৰাপাটৰ কল, চেনী কল, চিগাৰেট ফেক্টৰী আদি বিভিন্ন উদ্যোগ গঢ়ি তুলিব পাৰিম। আমি কৃষি নিবনুৱাকো এই উদ্যোগ বিলাকত কৰ্মসংস্থান দিব পাৰিম।

মোৰ দুই নং কথা হৈছে আমাৰ দেশত উদ্যোগ গঢ়ি তুলিব লাগিব। কৃষি আধুনিকৰণৰ প্ৰশ্নটো শিল্পৰ আধুনিকীকৰণৰ লগত জৰিত। আমি এটাৰ দ্বাৰাই একো কৰিব নোৱাৰো। দুয়োটাৰে সমানে বিকাশ ঘটাব লাগিব। ইয়াকে কৰিব পাৰিলে আমাৰ দেশত নিবনুৱা সমস্যা সমাধান কৰিব পাৰিম আৰু ক্ৰয় ক্ষমতা বাঢ়ি যোৱাৰ কাৰণে ৰাইজৰ হাতলৈও দুই পইচা আহিব। ইয়াকে কৰিব পাৰিলে আমাৰ বজাৰ উন্নত হব। এইটো হৈছে বাস্তৱ ব্যৱস্থা। ইয়াক কৰিবলৈ ভয় কৰিলে নহব। চৰকাৰে বলিষ্ঠ ভাবে আগবাঢ়ি আহিব লাগিব কৃষি ব্যৱস্থা আধুনিকীকৰণ কৰিবৰ কাৰণে।

অধ্যক্ষ মহোদয়, মই দুই এটা কথাৰে মোৰ বক্তব্যৰ সামৰণি মৰিব বিচাৰিছো। আজি এই চৰকাৰে কৃষি প্ৰশাসনৰ পৰিবৰ্তন অনাৰ

কাৰণে দুই চাৰি জন বিষয়া কৰবাত কৰবাত বঢ়াই আছে। আৰু নতুন নতুন কৃষি মহকুমাও গঠন কৰিছে। কিন্তু এইবিলাকৰ দ্বাৰা আমাৰ কি উপকাৰ হৈছে? যি কৃষি সম্প্ৰসাৰণ বিষয়া নিয়োগ কৰিছে তেওঁলোকৰ দ্বাৰা ৰাইজৰ একো কামকে হোৱা নাই আনকি ৰাইজে তেওঁলোকৰ অস্তিত্বকে বুজি পোৱা নাই। তেওঁলোকে এনেধৰণেৰে কেনেকৈ উৎপাদন বঢ়াব পাৰে? গতিকে এই কৃষি প্ৰশাসনক খেতিয়ক জনসাধাৰণৰ ওচৰলৈ লৈ যাব লাগিব। এইটো এটা ডাঙৰ কথা। মই যোৱাবাৰো কৈছিলো যে আমাৰ বান পীড়িত অঞ্চল ধুবুৰী, গোৱালপাৰা মহকুমাত আহু ধানৰ খেতি কৰিবলৈ কিমান বীজ দিছিল। যিবিলাক বীজ দিয়া হৈছিল সেইবিলাক এনেধৰণৰ বীজ যে হাতত লৈ মোহাৰ মাৰি দিলেই গুৰি হৈ যায়। আপত্তি কৰাত ভাল বীজ দিম বুলি কলে যদিও দিয়া নহল। এইবাৰ বাজেটত বীজৰ কাৰণ ৫০ লাখ টকা ধৰা হৈছে। আমি খবৰ লৈ জানিব পাৰিছো যে যিবিলাক অঞ্চলৰ পৰা আহু ধানৰ বীজ বিছাৰিছে সেইবিলাক অঞ্চললৈ বীজ পঠাব পৰা নাই। বীজৰ ক্ষেত্ৰত যেহুৰ অৱস্থাও একেই। আজি কালি আমাৰ মানুহে ধানৰ লগতে যেহুকো প্ৰধান খাদ্যলৈ ৰূপান্তৰিত কৰিছে। এই শস্য উৎপাদনত চৰকাৰে ৰাইজক সামগ্ৰীক ভাবে উৎসাহ দিব পৰা নাই। কেতিয়াবা কোনোবা ঠাইত চৰকাৰে বীজৰ যোগান ধৰিলেও সেই বীজৰ কাৰণে যি দাম দিব লাগে তাতকৈ কম দামতে মুকলি বজাৰত বীজ কিনিবলৈ পোৱা যায়। কেতিয়াবা মানুহে সাৰ বিচাৰিছে পোৱা নাই, পোকে ধৰিছে দৰৱ গৈ পায়গৈ মানে কাছাৰৰ নিচিনা শস্য নাইকিয়া হৈ যায়। এইবিলাকো ৰাইজৰে পইচা। এই পইচাৰ পৰা ৰাইজে যি উপকাৰ পাব পাৰে সেই উপকাৰ পোৱা নাই। এইটোৱেই হৈছে চৰকাৰৰ আচল চৰিত্ৰ। কৃষি বিভাগ এই ক্ষেত্ৰত সচেতন হোৱা দৰকাৰ

উপাধ্যক্ষ মহোদয়, আমাৰ অসমখন নানা ধৰণৰ প্ৰাকৃতিক সম্পদেৰে

সমৃদ্ধ। ইয়াত পানীৰ অভাৱ নাই, জলবায়ুও ভাল খেতিৰ কাৰণে অত্যন্ত অনুকুল। ইয়াত ইচ্ছা কৰিলে মৰুভূমিত যিহেতুকে খেতি কৰিব পাৰিছে ইয়াতো কৰিব পাৰি। ইয়াত ইমান সুযোগ সুবিধা থকা সত্তেও কিন্তু মালটি ক্ৰপচৰ ব্যৱস্থা কৰিব পৰা নাই। এই মালটি ক্ৰপচ্‌ৰ ব্যৱস্থা কৰিব নোৱাৰালৈকে আমাৰ কৃষি উৎপাদন বাঢ়িব নোৱাৰে। ইয়াৰ কাৰণে চৰকাৰে ডিটাৰমাইন এফোৰ্ট লব লাগিব। আমাৰ খেতিয়ক সকলৰ মাজত চেনচ্‌ অৱ পাৰপাচ সুমাই দিব লাগিব। এইটো কৰা চৰকাৰৰ কৰ্তব্য। সদৌ শেষত মই পৰামৰ্শ দিব বিচাৰিছো যে চৰকাৰে বলিষ্ঠ ভাবে এক হাত বান্ধি কৃষি আধুনিকীকৰণ কৰাৰ কাৰণে আগবাঢ়ি আহিব লাগিব পৰিণতি যিয়েই নহওক লাগে। কৃষিৰ উৎপাদনৰ জৰিয়তে গাওঁৰ ৰাইজৰ অৰ্থনৈতিক অৱস্থা উন্নতি কৰি ক্ৰয় ক্ষমতা বঢ়াব লাগিব আৰু নিবনুৱা সমস্যাৰ সমাধান কৰি স্বাভাৱিক ভাবে কৃষি অৱস্থাৰ উন্নত তথা অসমৰ অৰ্থনৈতিক অৱস্থাৰ উন্নত কৰিব লাগিব। এইখিনিকে কৈ মই সামৰণী মাৰিলো।

শ্ৰীদানেশ আলী আহমেদ:— মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় মুকুট শৰ্মা ডাঙৰীয়াই যিটো কৰ্তন প্ৰস্তাৱ আনিছে সেই প্ৰস্তাৱক সমৰ্থন কৰি মই কৃষি বিষয়ৰ কেইটামান কথা কব বিচাৰিছো। আমি সকলোৱে জানো আমাৰ অসম দেশখন কৃষি প্ৰধান দেশ। এই অৰ্থনীতি আৰু কৃষি নীতিৰ ওপৰতেই ভিত্তি কৰি অসম দেশখন চলিব লাগিব। কৃষিৰ উন্নতি হলেই আমাৰ দেশখন উন্নতি হব। কেইবাজনো সদস্যাই কৈ গৈছে যে আশাকৰা মতে স্বাধীনতাৰ পিচত আমাৰ দেশখনত কৃষি ক্ষেত্ৰত বিশেষকৈ, যিমান খিনি উন্নতি হব লাগিছিল ঠিক তেনেধৰণে হোৱা নাই। এইটো সচা হয় নে নহয়, তাৰ কাৰণ বিলাক আমি ভাবি চালেই গম পাম। আজি চাওঁক আমাৰ দেশখনত শতকৰা ৮০ ভাগ মনুহে খেতি কৰে

কিন্তু অইন ঠাইলে বিশেষকৈ ইউৰোপ, আমেৰিকা ইত্যাদিত শতকৰা ৯ জন মানুহে খেতি কৰে আৰু ৯ জন মানুহে খেতি কৰি নিজে খোৱাৰ উপৰিও, আৰু দেশত সৰবৰাহ কৰাৰ উপৰিও খাদ্য শস্য বাহিৰলৈ পঠিয়াবলৈ সক্ষম হৈছে। কিন্তু আন হাতেদি আমাৰ ইয়াত শতকৰা ৮০ জন মানুহে খেতি কৰি নিজৰ খাবলৈকে নুজুৰে। অইন দেশলৈ পঠিওৱা দূৰৰে কথা। গতিকে কৃষিৰ উন্নতি কৰিবৰ কাৰণে যথেষ্ট চাব লগীয়া আছে কিয়নো শতকৰা ৮০ ভাগেই খেতি কৰাৰ পিচতো কিয় খেতিৰ উন্নতি হোৱা নাই। এখন ঘৰত যদি খাবলৈ নেথাকে ঘৰৰ মুৰাব্বী জনৰ হাহাকাৰ হয়। তেওঁ অন্য সুচিন্তা কৰিবলৈ সকাহ নেপায়। তেওঁ খোৱাৰ চিন্তাতে মুৰৰ কামোৰণি হয়। অন্য কথা বাদেই দিয়ক। আমাৰ দেশতো ঠিক সেইদৰে কৃষিৰ যিখিনি দৰকাৰ খাদ্য শস্য যিখিনি লাগে সেইখিনি যদি উৎপাদন কৰিব নোৱাৰো তেতিয়াহলে অন্য কথা চিন্তা কৰিবলৈ সুবিধা ক'ত ? গতিকে আজি কৃষি আধুনীকীকৰণ আৰু উন্নত কৰাৰ দৰকাৰ হৈ পৰিছে। বহু বছৰ আগৰে পৰা যি পদ্ধতিৰে খেতি বাতি চলি আহিছিল সেই মানধাতা যুগৰে খেতিৰ প্ৰচলন চলি আছে। নাঙল ভৰিৰে আমাৰ খেতিয়কে এতিয়াও খেতি কৰি আছে। মৰাপাট বা অন্যান্য তেলেধৰণৰ খেতি কৰিবৰ কাৰণে সাৰৰ আৱশ্যক। সেইদৰে সাৰৰ পাচত পানীৰ আৱশ্যক। কিন্তু পানী নোহোৱাৰ কাৰণে সেই সাৰ বিলাকৰ পৰা কোনো কাম নহয়। তাৰ পিচত আজি আমাৰ চিন্তাধাৰা আৰু জীৱন ধাৰা বিলাক পৰিবৰ্ত্তন কৰিব লগীয়া হল। কিয়নো আজি অমাৰ যি সকলে চাকৰি কৰে তেওঁলোকে চাকৰি কৰিছো বুলি গৰ্ব্ব কৰে। আৰু খেতি কৰা বিলাকক হীন চকুৰে চোৱা হয়। তেওঁলোকক ভাল ধৰণে ব্যৱহাৰ কৰা নহয়। এই ধৰণৰ মনোভাব আমাৰ মাজত আছে। কিন্তু আমেৰিকাৰ ফালে যিসকলে খেতি কৰে তেওঁলোকে খেতিয়ক বুলি নিজকে গৰ্ব্ব কৰে। চাকৰি কৰা বুলি গৰ্ব্ব নকৰে। এই ধাৰণাটো পৰিবৰ্ত্তন কৰিব লাগে। আজি খেতিৰ উন্নতি কৰিবলৈ হলে আমাৰ এই খেতিয়ক সকলৰ মানদন্দ উন্নতি কৰিব লাগে। আৰু

খেতিৰ যি পুৰণা পদ্ধতি সলনি কৰিব লাগে। সকলোৰে সহযোগ হলেহে আমাৰ উন্নতি হব। আমি উন্নত ধৰণৰ খেতি কৰিবলৈ হলে সাৰৰ যোগান ধৰিব লাগিব। অকল সাৰ দিলেই নহব, পানীও যোগান ধৰিব লাগিব। শুকান সাৰ হলে তাৰ পৰা কোনো লাভবান হব নোৱাৰি। গতিকে সাৰ প্ৰয়োগ কৰিবলৈ হলে লগে লগে জলসিঞ্চনৰ ব্যৱস্থা কৰিব লাগিব আৰু এই ব্যৱস্থা কৰিবলৈ এগ্ৰিকালচাৰ বিভাগৰ যিটো পানীযোগান বিভাগ আছে তাৰ লগত যোগাযোগ কৰিব লাগিব। যেনে চেলউটিবিয়েল, দিপটিউ-বিয়েল, লিফট এৰিগেচনৰ, ইত্যাদি ব্যৱস্থা কৰিব লাগিব। এই বিলাক কৰিবলৈ যাওঁতে সকলো বিলাক ব্যৱস্থা থাকিব লাগিব। কৃষক সকল অত্যন্ত দুখীয়া তেওঁলোকে সময় মতে যিথিনি ধন লাগে সেইথিনি সময়মতে নোপোৱাৰ কাৰণে বহুতো অসুবিধা হয়। সেইদৰে সময়মতে ঋণ দিয়াৰ ব্যৱস্থা কৰিব লাগে। আৰু খেতি চপোৱাৰ সময়তো বেংকৰ পৰা সময়মতে ঋণ ইত্যাদি নোপোৱাৰ কাৰণে খেতি চপোৱাত বাধা-গ্ৰস্ত হয়। গতিকে বেংকৰ পৰা সময়মতে সুবিধা লোৱাৰ ব্যৱস্থা থাকিব লাগে। আমাৰ যিবিলাক খেতিয়ক মানুহ আছে সেইবিলাক চান্সৰ ওপৰত নিৰ্ভয় কৰিব লগীয়া হয়। বৰপেটা অঞ্চলত খেতি বেয়া ভাল হয় সেইটো বতৰৰ ওপৰত বেচি চান্স লব লগীয়া হয়। কিয়নো তাত আহু ধান আৰু মৰাপাট খুব ভাল হৈছিল কিন্তু সেই বৰপেটাত সৰু সুৰা নদী অজস্ৰ আছে। বাৰিষা সেইবিলাক পানীয়ে লাখ লাখ মোন ধান নষ্ট কৰি পেলালে। আৰু মৰাপাটৰ খেতিও নষ্ট কৰে। সেই কাৰণে আজি আমাৰ দুখীয়া খেতিয়ক সকলে বাৰিষাৰ পানীয়ে খেতি নষ্ট কৰি পেলোৱাৰ কাৰণে তেওঁলোকে হতাশ হৈ খেতি বাতি এৰি পিয়ন, চকিদাৰ পদৰ ফালে ধাবিত হৈছে। আৰু সেই ফালে তেওঁলোকৰ মন, আগ্ৰহ বাঢ়িছে। আৰু খেতিৰ প্ৰতি আগ্ৰহ কমি গৈছে। সেয়েহে মই কৃষি বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক অনুৰোধ কৰিব বিচাৰিছো এই খেতিয়ক

সকলৰ প্ৰকৃত অৱস্থাবোৰ বুজলৈ কৃষি উন্নতি সাধনৰ কাৰণে এতিয়া য'ত এবিঘাত ৫ মোন হৈছে তাৰ পৰিবৰ্ত্তে ২৫ মোন উৎপাদন কৰিবৰ কাৰণে এই বিষয়া সকলৰ লগত যোগাযোগ কৰি কৃষকক উৎসাহ উদ্দিপনা যোগাব লাগে।

আমাৰ গাওঁত যিবিলাক খেতিয়ক আছে তেওঁলোকক যদি আমি খেতিৰ বিষয়ে প্ৰকৃত বুজনি দিব নোৱাৰো তেনেহলে কৃষি ক্ষেত্ৰত আমি উন্নতি লাভ কৰিব নোৱাৰিম। বৰ্ত্তমান আমাৰ গ্ৰামসেৱক বিলাকৰ আগৰ নামটো সলাই দিয়া হৈছে আৰু তেওঁলোকক এতিয়া ভিলেজ লেভেল এড্মিনিষ্ট্ৰেটিভ ওৱাৰ্কাৰ হিচাবে নাম দিয়া হৈছে। তেওঁলোকে গৈ গাওঁত ১০-২০ জন খেতিয়কক লগ লগাই খেতিৰ বিষয়ে বুজনি দিয়ে। কিন্তু মই ভাবো 'উপদেশতকৈ আহি ভাল'। সেইক্ষেত্ৰত এই ভি, এল, ই ডব্লিউ বিষয়াসকলে প্ৰকৃত কাৰ্য্য ক্ষমতা দেখুৱাব পৰা নাই। গতিকে যদি এই ভি, এল, ই ডব্লিউ বিষয়া সকলে খেতিয়কক কৃষিৰ আহি দেখুৱাব পাৰে তেতিয়াহে আমাৰ খেতিয়ক সকলে সঠিক ভাবে কাম কৰিব পাৰিব। আমাৰ যিজন কৃষি মন্ত্ৰী আছে তেওঁ মাজে মাজে কয় যে আমাৰ খেতিয়ক সকলৰ উন্নতিৰ কাৰণে কিছুমান কৃষি স্কুল স্থাপন কৰিব লাগে। কৃষি স্কুল স্থাপন কৰিব পাৰিলে ভাল হব। সেই স্কুলৰ দ্বাৰা আমাৰ খেতিয়ক সকলে কৃষি বিষয়ত বহু কথা শিকিব পাৰিব। কৃষি বিষয়টো আমি এটা বাধ্যতামূলক বিষয় হিচাবে স্কুলৰ কৰ্ম অভিজ্ঞতাৰ লগত লগ লগাই দিবলৈ মই পৰামৰ্শ আগবঢ়ালো। এই বিষয়ত কলেজ বা এগ্ৰিকালচাৰ ইউনিভাৰচিটিত প্ৰশিক্ষণ লোৱাৰ পিচত পথাৰত গৈ কাম কৰিবলৈ লাজ নকৰিব। তেওঁলোকে এই প্ৰশিক্ষন লোৱাৰ পিচত ভালদৰে বুজিব পাৰিব যে কোন সময়ত খেতিৰ কাৰণে গুটি সিচিব লাগিব, কোন সময়ত পানী দিব লাগিব বা সেই বিষয়ত কোন অফিচাৰৰ ওচৰলৈ যাব লাগিব। সেইটো জনাৰ পিচতহে তেওঁলোকে

বিভাগৰ ওপৰ মহলৰ লগত যোগাযোগ কৰিবলৈ সুবিধা পাব আৰু তাৰ দ্বাৰা বাইজকো উপকৃত কৰিব পাৰিব। তাৰ কাৰণে আমাৰ খেতিয়ক সকলক ভালদৰে শিকাব লাগিব। আমাৰ আজি কৃষি ক্ষেত্ৰত উন্নতি নোহোৱাৰ কাৰণেই গাওঁ অঞ্চলত নিবনুৱা সমস্যা বৃদ্ধি পাইছে আৰু সেই কথা আমি স্বীকাৰ কৰিব লাগিব। আমাৰ গাওঁত শতকৰা ৮০ জন মানুহেই খেতিয়ক। কিন্তু প্ৰকৃততে এই ৮০ জন মানুহ প্ৰকৃত খেতিয়ক নহয়, তাৰ ভিতৰত ৬০ জন মানুহে খেতি কৰে। বাকী ২০ জন মান মানুহ আচলতে কৃষি বনুৱা। এই বনুৱাৰ দ্বাৰাও খেতিয়ক এজনে যিভাবে বনুৱা বিচাৰে সেইভাবে এই বনুৱাই কাম কৰিব পৰা নাই। এই ব্যৱস্থা দুৰ কৰিবলৈ হলে কৃষি উন্নয়নত যথেষ্ট জোৰ দিব লাগিব। তাৰ পৰাই আমাৰ অশিক্ষিত নিবনুৱাক সংস্থান দিব পৰা হব। তেওঁলোকে কাম নোপোৱাৰ কাৰণে অনাই-বনাই ঘুৰি ফুৰিব লগা হৈছে আৰু তাৰ কাৰণে তেওঁলোকে মানষিক কষ্ট ভোগ কৰিব লগা হৈছে। সেইকাৰণে আমি আমাৰ ডেকা লৰা বিলাকক কৃষি ক্ষেত্ৰত খতুৱাবৰ কাৰণে যত্ন কৰিব লাগিব। এইক্ষেত্ৰত সহায় কৰিবলৈ আমাৰ কেন্দ্ৰীয় চৰকাৰৰ এটা বিভাগ আছে। সেইটো হল এচ, এফ, ডি, এ। এই বিভাগটোৱে তেওঁলোকৰ এজেন্সিৰ দ্বাৰা খেতিয়ক সকলক বীজ, সাৰ আদি যোগান ধৰে। কিন্তু সেই বিভাগটোৰ এজেন্সি গুৱাহাটীত হোৱাৰ কাৰণে আমাৰ খেতিয়ক সকল গুৱাহাটীলৈ আহি সেই বীজ বা সাৰ আদি নিয়াত বহুতো অসুবিধাৰ সন্মুখীন হয়। গতিকে এই ক্ষেত্ৰত মই পৰামৰ্শ দিব বিচাৰো যে এই সাৰ, বীজ, কীট নাসক ঔষধ আদি যদি আমি গাওঁলৈ নি খেতিয়ক সকলক বিতৰণ কৰিব নোৱাৰো তেনেহলে আমাৰ খেতিয়ক সকলে যিমান দুখ-কষ্ট কৰি খেতি কৰে সেই কষ্ট অথলে যাব। তাৰ কাৰণে এটা সঠিক প্লেন কৰি এই অৱস্থাত চলি থকা অসুবিধাবোৰ দুৰ কৰিব লাগে। এইটো কৰিব পৰা নহলে আমাৰ খেতিয়ক সকলে হাজাৰ

হাজাৰ টকা খৰচ কৰি যেতিয়া নষ্ট হৈ যায় তেতিয়া হতাশ হৈ আনকি খেতি কৰিবলৈকে এৰি দিয়া দেখা যায়। আমাৰ যি এচ, এফ, ডি, এ আছে তাৰ দ্বাৰা বীজ, সাৰ, ঔষধ আদি শতকৰা ৫০ ভাগ কম দামত পায়। কিন্তু এই বস্তুবোৰ গাওঁৰ মানুহে সহজভাবে নাপায়। আনহাতে এই এচ, এফ, ডি, এৰ পৰা চেল ফিল্টাৰ আৰু ট্ৰেক্টৰ আদি আমাৰ খেতিয়কক দিয়াৰ ব্যৱস্থা আছে। কিন্তু সেইবিলাক মুষ্টিমেয় কেইজনমান মানুহে পোৱাৰ সুবিধা হয়। এই বস্তুবোৰ যদি দুখীয়া ৰাইজে নাপায় তেনেহলে আমি দুখীয়া খেতিয়কক কোনো ফালৰ পৰাই সহায় কৰিব নোৱাৰিম। তাৰ কাৰণে আমাৰ কৃষি বিভাগৰ মন্ত্ৰী মহোদয় আৰু চৰকাৰী বিভাগে যাতে এই ক্ষেত্ৰত সচেতন হয় তাৰ বাবে অনুৰোধ কৰিলো।

শ্ৰীযোগেন গগৈ :— উপাধ্যক্ষ মহোদয়, আমি এখন সুজলা সুফলা দেশত বাস কৰিছো। যিখন দেশক আমি চিঞৰি চিঞৰি কওঁ "সুজলা সুফলা অমোৰ চিকুনী দেশ"। এই খন শস্য শ্যামলা দেশ। এইখন দেশৰ ইফালে সিফালে যদি চাওঁ তেনেহলে দেখিবলৈ পাওঁ প্ৰত্যেকতে দৃশ্য ৰাজিয়ে মনোমোহা কৰি অসম ভূমি পবিত্ৰ কৰি ৰাখিছে। অথচ এইখন দেশৰ ভূমিত খেতি পথাৰৰ উন্নতি হোৱা নাই কিয়? দৰাচলতে আমি বতৰৰ ওপৰত নিৰ্ভৰ কৰি থাকিব লগা হয়। সেয়ে বতৰে যিকন সুযোগ দিয়ে তাতেই খেতি পথাৰ হয়। বতৰ ভাল নহলে নিস্তাৰ নাই। গতিকে আজি এই নব সভ্যতাৰ যুগত অকল বতৰৰ ওপৰত নিৰ্ভৰ নকৰি আধুনিকিকৰণ কৰাৰ দায়িত্ব আহি পৰিছে। পৃথিবীৰ অন্যান্য দেশ বিলাকত এই ধৰণৰ আধুনিকিকৰণৰ ব্যৱস্থা চলাইছে। গতিকে আমাৰ মনোভাৱ সলনি কৰাৰ সময় আহি পৰিছে। আমি দেখিছো কৃষিৰ শিতানত বহু কোটি কোটি টকা দিয়া হয়। বহু পঞ্চবাৰ্ষিক পৰিকল্পনা পাৰ হৈ গল, কিন্তু খেতিৰ অবস্থা একেই থাকিল। উন্নত অবস্থালৈ আগবাঢ়ি যাব নোৱাৰিলে। তাৰ মানে

এইটো বুজাইছে যে পঞ্চবাৰ্ষিক পৰিকল্পনাত যি টকা ব্যয় কৰা হল আৰু সেই পৰিকল্পনাৰ মাৰফত্ যি ব্যৱস্থা কৰা হল সেই বিলাক নাঙলৰ মুঠিত ধৰি হাল বোৱা সকলক স্পৰ্শ কৰিব নোৱাৰিলে। যি সকল প্ৰকৃতার্থত খেতিয়ক, এই সকলে এই পৰিকল্পনাৰ টকা চুই নাপায়। পৰিকল্পনাৰ স্পৰ্শ নঘটে। মাজতে বৰ্ডা ফ্ৰিটাৰ মেৰপাকত কববাত ভাওৰ জেপত টকা বিলাক সোমাই যায়। দেশৰ খেতিয়কৰ সৰ্ব্বাঙ্গীন উন্নতিৰ কাৰণে এই টকাৰ সদব্যৱহাৰ হোৱা নাই। আমি সাধাৰণতে দেখো "এক কেজি আটাত ভালকৈ পানী দিব লাগিব, তাক ভালকৈ মাৰিব লাগিব, ঘাটিব লাগিব, বড়ি বনাব লাগিব, চেপেটা কৰিব লাগিব, তাৰ পিচতহে ৰুটীৰ ৰূপ হয়"। এক কেজি আটা নিয়ন্ত্ৰণ কৰি বাটি লোৱাৰ পিচতহে খোৱাৰ উপযোগী হয়। মাটিক নিয়ন্ত্ৰণ কৰিব পৰা ক্ষমতালৈ আনিব লাগিব। মাটি নিয়ন্ত্ৰণ কৰিব পাৰিব লাগিব। নিয়ন্ত্ৰণ কৰাৰ ক্ষেত্ৰত এবিমা মাটিত যিমান উত্পাদন হয়, তাতোকৈ বেচি শস্য উত্পাদন কৰিব পৰা ক্ষমতা সৃষ্টি কৰিব লাগিব। আজি দেখা যায় বতৰলৈ বাট চাওঁতেই সময় যায়। সৰ্চৰ বাবে বহু টকা খৰচ হৈছে, কিন্তু খেতিয়কে এই সঁচ পোৱাৰ কোনো নিশ্চয়তা নাই। অনিশ্চয়তাৰ মাজেৰে খেতি কৰিবলৈ গৈছে। বাজেটৰ টকাৰ সঠিক হিচাব নোহোৱাৰ ফলত এই বিপৰ্যয়ত পৰিছে। গতিকে নিৰ্দিষ্ট পৰিমাণৰ উত্পাদনৰ লক্ষ্য থাকিব লাগিব। সেইমতে কাৰ্য্য ব্যৱস্থা লৈ আগবঢ়াই লৈ যাব লাগিব। অনিশ্চয়তাত থাকিলে খেতিৰ অৱস্থা ক্ৰমান্বয়ে বেয়া হৈ থাকিব। জনতা চৰকাৰ নতুনকৈ আহিছে। ৩২ বছৰ হল-এই কৃষি বিভাগৰ ব্যৰ্থতাৰ কাৰণে খেতিৰ অৱস্থা উন্নত হোৱা নাই। গতিকে কৃষি বিভাগৰ পুণৰ গঠণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগিব। আমাৰ দেশৰ খাদ্যৰ চাহিদা অনুপাতে চাহিদা পূৰণ কৰিবলৈ উত্পাদন ব্যৱস্থা হব লাগিব। সঠিক ব্যৱস্থা নোহোৱাৰ কাৰণে জনজীৱনত বিপৰ্য্যয় আহিছে। অখাদ্য খাই মানুহ মৰিছে, খাবলৈ নাপায় মানুহ মৰিছে, উত্কৃষ্ট খাদ্য নোপোৱাৰ কাৰণে মানুহ মৰিছে। পচা গেলা

খাদ্য খোৱাৰ ফলত ৰোগ বাঢ়িছে। কেঞ্চাৰ কি কাৰণত হয় নাজানো কিন্তু মোৰ এটা বিশ্বাস আছে বেয়া বস্তু খোৱাৰ ফলত এই অচিন বেমাৰ বিলাক হয় নেকি ? একাজ্বি, পলিও আদি বেমাৰে জনজীৱনক বিকলাঙ্গতাৰ পথলৈ ঠেলি দিছে। ইয়াৰ বৈজ্ঞানিক সমাধান হব লাগিব। এটা ব্যৱহাৰিক গুণ আমাৰ মানসলৈ আনিব লাগিব। আজি খাদ্যৰ অভাবত বেমাৰী মানুহে ইফালৰ পৰা সিফাললৈ খাদ্য বিচাৰি যাব লগা হয়। নিজৰ ৰাজ্যত উৎপাদন বৃদ্ধি কৰিব পৰা নাই। আমাৰ দেশত ফচলৰ অপচয় হয়। বতৰৰ ফল বতৰত পোৱা যায়। সেই ফল আন বতৰত পোৱা নাযায়। সেই বতৰৰ খাদ্য বিলাক সঞ্চয় কৰিব পৰা ব্যৱস্থা হব লাগিব। শীত তাপ নিয়ন্ত্রিত গোদামত সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব লাগিব যাতে অন্য বতৰতো ব্যৱহাৰ কৰিব পৰা যায়। এই বিষয়ে চৰকাৰে চিন্তা কৰা নাই। অসমৰ মাটিত সকলো বিধ শস্য উৎপাদিত হয়। কিন্তু উৎপাদন ব্যৱস্থা সঠিক নোহোৱা বাবে উৎপাদন কৰিব পৰা নাই। ১৯৬২ চনৰ চীনৰ আক্রমণৰ সময়ত আমি খেতিয়ক সকলক আহ্বান জনাইছিলো ৰাইজে সেই দুৰ্যোগৰ সময়ত খেতি কৰি সুন্দৰ ভাবে অধিক শস্য উৎপাদন বৃদ্ধি কৰা নহলে সৈন্য সকলে খাবলৈ নাপাই সীমান্তত বিপদত পৰিব। গতিকে সেই ৰকমে তেওঁলোকক কামত খটুৱাব লগা হৈছে আবেগিক ভাবে আহ্বান জনাই সকলোকে লগ লগাই বহু শস্য উৎপাদন কৰাইছিলো। কিন্তু বজাৰ নোপোৱাৰ বাবে অপচয় হৈ গুচি গল। তেনেকুৱা উত্পাদন আচনি ভৱিষ্যতে কৰিবৰ বাবে ব্যৱস্থা কৰিব লাগিব। কিন্তু সেই উৎপাদন ব্যৱস্থা নাইকিয়া হৈ গল। আমাৰ ৰাইজৰ মাজত শক্তি আছে, ক্ষমতা আছে। সেই ক্ষমতাক বৈজ্ঞানিক ভিত্তিত আগবঢ়াই লৈ যাব পাৰো তেনেহলে নিশ্চয় খাদ্যৰ চাহিদা পূৰণ কৰিব পাৰিম। আজি অসমত উপনিবেশিক পৰিস্থিতি হৈছে। প্ৰতি বস্তু বাহিৰৰ পৰা আহিব লগা হয় কিয় ? অৱশ্যে কিছু অংশ আমাৰ ৰাজ্যত উত্পাদন হয়। বহু ক্ষেত্ৰত বাহিৰৰ ওপৰত নিৰ্ভৰ কৰিব

লগা হয় কিয় ? গুৰুত্ব সহকাৰে বিজ্ঞান সম্মত ভাবে খেতি কৰিব পৰা নাই। ইয়াৰ কাৰণে প্ৰত্যেক মনুহৰ মনৰ বিকাৰ ঘটিছে। আজি আমাৰ বাৰীত অমিতা হয়। আমাৰ ইয়াৰ সৰ্চৰ অমিতাটো যদি ডাঙৰ হয় তেতিয়া আমি কওঁ বিলাতী অমিতা। ঠিক সেই ধৰণে ডাঙৰ মধুৰীটোক বিলাতী মধুৰী বুলি কওঁ। ডাঙৰ আমটোক কওঁ বিলাতী আম। বিজ্ঞান সন্মত চিন্তা ধাৰা মানুহৰ মনত নাহে কাৰণে সেই পৰিণতি ঘটিছে। গতিকে এই ভাব বিলাকৰ এটা উন্নত অৱস্থালৈ অনাৰ চেষ্টা কৰিব লাগিব। আজি মিঠাতেল বুলি চিজলা খুওৱা হৈছে। চিজলাৰ বটল এটা এই সদনত খুলি দিয়া হয় তেন্তে দুৰ্গন্ধত থাকিব নোৱাৰিব। চিজলা খাই কি বিকাৰ ঘটিছে তাৰ ঠিকনা নাই। ডালডা খাই মানুহৰ পেটৰ বিষ হৈছে। আজি ভাল খাদ্য মুষ্টিমেয় মানুহ কেইজন মানে খাইছে, টকা পইচা আত্মসাৎ কৰিছে। জন জীৱনত বিকলাঙ্গতাৰ ফালে ঠেলি দিছে। আজি ধনী মানুহ আৰু ধনী হৈছে, দুখীয়া আৰু দুখীয়া হৈছে। আজি এই বিলাক গুৰুত্ব সহকাৰে লক্ষ্য কৰা প্ৰয়োজন আছিল। আজি গাওঁবিলাকত গ্ৰামসেৱক আছে। তেওঁলোকে প্ৰত্যেক কামতে ব্যুৎপত্তি দেখুৱাব পৰা ব্যৱস্থা থাকিব লাগিছিল। কিন্তু কোনো ব্যৱস্থা নাই। জনজীৱনে উন্নত পদ্ধতিত খেতি কৰিব পৰা কোনো ব্যৱস্থা নাই। আমাৰ উন্নয়ণ খণ্ড বিলাক আছে যদিও কাৰ্য্যকৰী ব্যৱস্থা নাই।

দিস্কাং হৈ চলি আছে। এইবিলাকত ধন খৰচ হৈছে, কামত অহা নাই। চৰকাৰে তাৰ ওপৰত নিৰ্ভৰ কৰি আছে, অথচ জনসাধাৰণ তাৰ পৰা উপকৃত হোৱা নাই। এই বিলাক আহুকলীয়া সমস্যাৰ সৃষ্টি হৈছে। এই বিলাকৰ প্ৰতি বিশেষ গুৰুত্ব সহকাৰে লক্ষ্য ৰাখিব লাগে। অধিক শস্য উৎপাদনত গুৰুত্ব দিবলৈ হলে বাননিয়ন্ত্ৰণৰ কথাটোত গুৰুত্ব দিব লাগিব। খেতি প্ৰধান অঞ্চলত যাতে বান পানীয়ে খেতি নষ্ট কৰিব নোৱাৰে তাৰ

বাবে বান নিয়ন্ত্ৰণ বিভাগৰ দায়িত্ব লৈছে। আজি শতকৰা ৯১ ভাগ মানুহ গাওঁত বাস কৰে। সেই সকল মানুহ দিচপুৰলৈ আহিব নোৱাৰে। সেই সকলৰ কাৰণে সোনকালে ব্যৱস্থা কৰিব লাগিব। আৰু কিমান দিন ৰব? ধান পকে মানে টিনীৰ মৰণ। গতিকে এই কৃষি বিভাগে এই বিষয়ত গুৰুত্ব দিব লাগিব। কাৰণ কৃষি ভিত্তিক দেশ এখনত কৃষিৰ বুনিয়াদ ৰচনা কৰিবলৈ হলে কৃষিৰ উন্নতি হব লাগিব। গতিকে সেই বিলাকত গুৰুত্ব সহকাৰে কৃষি উন্নয়ণ হব লাগিব। কৃষকৰ আছু-কলীয়া সমস্যা সমাধান কৰি উৎপাদন বৃদ্ধি কৰিব লাগিব। আজি কৃষক সকলে উৎপাদন কৰা সামগ্ৰীৰ দাম কম কিন্তু কৃষকে যিটো কিনে তাৰ দাম বেচি। ধানৰ দাম যিমান দাইলৰ দামো তেনেকৈ ভাবসাম্য ৰাখি সিমান হব লাগে। এই বিলাক বৈষম্যৰ কাৰণ বিজ্ঞান সন্মত ভাবে বিশ্লেষণ কৰিব লাগে। বিজ্ঞান ভিত্তিক নীতি নিৰ্দ্ধাৰণ হব লাগে। গাওঁৰ কৃষক সকলৰ কৰ্ম্ম শক্তি কমি গৈ আছে। কৃষক সকলৰ সহায় কৰাৰ কাৰণে কৃষি নিগম কৰা হৈছে। ৰাজনৈতিক কাৰণত কৃষি নিগমত নানা ৰকমৰ কুচক্ৰান্ত চলিছে। কাজিয়া কৰা, মাৰ-পিট লগা, মোকৰ্দ্দমা কৰা, আদিৰ জৰিয়তে মাটিৰ পৰা আতৰাই ৰখাৰ কুচক্ৰান্ত চলিছে। কৃষি নিগমে সাহাৰ্য্য কৰিব পৰা অবস্থাত নাই। মোৰ সমষ্টিত ডাধৰাত এখন কৃষি নিগম আছে। তাৰ স্থায়ী মানুহ-খিনিৰ বহুতকে কৃষি নিগম নালাগে। অৰ্থাত ধনী যিবিলাক আছে তেওঁলোকে মাটি বিলাক লব বিচাৰিছে। কিন্তু মাটিহীন খেতিয়ক সকলে কৃষি নিগম বিচাৰে। আজি মাটিহীনক এমুঠি আহাৰ দিয়া অৰ্থে কৃষি নিগম হৈছে। কিন্তু দেখা গল সে উদ্দেশ্য সাধিত হোৱা নাই।

আজি মথাউৰী হোৱা ১৫ বছৰ হল শ্লুইচগেট নাই। শ্লুইচ-গেট নোহোৱাৰ ফলত যি বিলাক ঠাইত ভাল খেতি হৈছিল মথাউৰী দিয়াৰ পিচত খেতি নোহোৱা হৈছে। অসংখ্য মথাউৰী হৈছে কিন্তু

এই মথাউৰীৰ ফলত বহুতত খেতি নষ্ট কৰিছে। গতিকে শ্লুইচ-গেট দিয়াৰ ব্যৱস্থা কৰক। শিৱসাগৰ মহকুমাত মথাউৰী দিয়া ১৫ বছৰ হল, কিন্তু শ্লুইগেটৰ ব্যৱস্থা হলনে? গতিকে এই বিলাকত গুৰুত্ব দিয়াৰ প্ৰয়োজন আহি পৰিছে। বানপীড়িত এলেকাত খেতিয়কক সহযোগ কৰাত ব্যৰ্থ হৈছে। বাৰিষা কালত খেতি নহলে খেতিয়কৰ আৰ্থিক অৱস্থা শোচনীয় হয়। গতিকে খৰালি কালত সেই বিলাকত আচনি লৈ মনযোগ দিয়াৰ প্ৰয়োজন আছে। আমাৰ খেতিয়ক সকল যাতে উপকৃত হব পাৰে সেই বিষয়ত গুৰুত্ব সহকাৰে ব্যৱস্থা কৰাৰ প্ৰয়োজন আছে। সেই ধৰণে খেতিয়কক আগবঢ়াই লৈ যোৱা প্ৰয়োজন আছে।

Mr. Deouty Speaker :— order, it is 6 p. m: The hon'ble Member will resume his speach to-morrow: Now the hon'ble chief Minister will give a statement regarding the discussion he had with the chief Minister of Arunachal.

## STATEMENT BY CHIEF MINISTER

* Shri Golap Borbora ( Chief Minister ) :— Mr. Deputy Speaker,

Sir, I made a statement in the House on 19th March 1979 regarding the development on the Assam-Arunachal Pradesh Border. I am happy to inform the Hon'ble Members that the Chief Minister of Aruna-

* Speech not corrected

chal predesh and I held discussions regarding the border issue on 20th March 1979, under the auspices of the Governor and we have agreed on the steps to be taken to defuse tension along the border.

The decisions taken are briefly summarised below:

1) It has been agreed that in the stretches in Kimin, Dullungmukh, Dirpai, Likhabali and jonai areas where tension exists or is likely to arise, a quick survey of the boundary will be made.

2) Officials of the Assam Government on duty will be allowed free movement through the Ruksin and keme check gates maintained by Arunachal Pradesh.

3) The cases against those arrested in connection with the obstruction to the cultural programme at Likhabali will be scrutinised and appropriate steps taken for withdrawal of cases not involving serious issues of public interest with a view to promote a climate of goodwill.

4) The Government of Arunachal Pradesh will take all possible steps to restrain their people from any attempted encroachment on Assam territory. In the event of Assam Government finding it necessary to

carry out eviction in the border area, the Arunachal Pradesh Goverment will be informed about it beforehend so that they could have an opportunity to arrange for withdrawal of encroachers from their side or depute an officer to be present during the eviction operations as a measure of reassurance to the people.

On their part, the Assam Government will withdraw their armed police from the border with a view to defuse tension in the border area. This will not affect the continued existence of regular posts which have been in existence for more than a year.

I am happy to inform the Hon'ble Members that the discussions were held in a very cordial atmosphere and we are confident that the agreements reached between the two Chief Ministers will go a long-way in restoring peace and tranquillity on both sides of the border and further strengthen the traditional good-will and friendship between the people living in Assam and Arunachal Pradesh.

Sri Mukut Sarma :— Sir, a copy of the agreement of both the Chief Ministers of Assam and Arunachal Pradesh may kindly be given to each Member of the House.

Mr. Deputy Speaker :— The Hon'ble Industries Minister is sick. The Chief Minister will give a statement on behalf of the Industries Minister.

Sri Shamsul Huda :— Mr. Deputy Speaker Sir, last occasion also, the Hon'ble Industries Minister was not present in the House. His statement was read out on his behalf.

Mr. Deputy Speaker :— The Hon'ble Industries Minister is sick. He has applied for leave and he was granted leave. Now the Hon'ble Chief Minister will give a statement on behalf of the Industries Minister.

Shri Golap Borbora (Chief Minister) :— Mr. Deputy Speaker, Sir. On the 9th March last Minister, Industry made a statement on the floor of the House regarding certain press reports which appeared in the Assam Tribune and the Dainik Asom of the 18th March. It was stated in these reports that the Union Minister of Industrial Development had said in a meeting with M. P's from Assam that he had no confidence in the Ministers of Assam's Industrial Development. Hon'ble Members may recall that my colleague, the Minister of Industries said in that statement that he had requested the Union Minister by a wireless message to give a clarification as it was absolutely certain that no such

statement could possibly have been made by him. The Union Minister of Industrial Development has now sent a message in reply which I read out in full.

TEXT OF MESSAGE:

Your wireless message of 18. 3. 79 ( . ) The report about the statement made by me at the meeting of Members of Parliamentary which apparently appeared in local newspaper is absolutely untrue ( ; ) It seems to be a mischevious report which could only have been planted by interested parties ( : ) We had a useful discussion about industrial deve'opment in Assam with Members of Parliament from Assam ( : ) It was agreed that progress has not been as good as it should particularly in view of the industrial backwardness of the State ( . ) I emphasised that this was primarily due to the lack of infrastructure which needs to be given special attention both by the Centre and the State ( ; ) ( As the Chief Minister felt unwell, the Hon'ble Chief Minister hinted to Sri Dulal Chandra Barua, Minister, Supply etc. to read out the remaining portion of the me.sage )

Shri Dulal Ch. Barua (Minister) :— We also need to make conscious efforts to develop an industrial cli-

mate and work ethos (.) The Official record of meeting would be sent to you in due course (.) You could have this statement released to the local press if you so wish (.)

## MISCELLANEOUS

Mr. Deputy Speaker: The Hon'ble Member, Sri Bhubaneswar Barman, please note that your notice cannot be taken up now. You have already seen that the Hon'ble Chief Minister it not in a position to reply.

Sri Dulal Chandra Barua, (Minister, Supply etc.):— Mr. Deputy Speaker, Sir, I am prepared to give statement to the notice of the Hon'ble Member, on behalf of the Chief Minister.

শ্ৰীভুৱনেশ্বৰ বৰ্ম্মণ :— উপাধ্যক্ষ মহোদয়, নগা সীমান্তত যোৱা ৫ জানুৱাৰী তাৰিখে যিটো ঘটনা ঘটি গল তাৰ পিচতো সেই অঞ্চলত থকা জন সাধাৰণৰ মাজত এটা ব্যাপক ধৰণৰ আতংকৰ বাতৰি আহি আছে। ২৩ তাৰিখৰ নতুন অসমীয়া বাতৰি কাকতত প্ৰকাশিত হোৱা বাতৰিটো মই চমুকৈ পঢ়ি দিছোঁ।

"সীমান্তত নগা হূবৃ ত্ত সক্ৰিয়: পুনৰ আক্ৰমণৰ প্ৰস্তুতি" তাত ৫ তাৰিখে যিটো ঘটনা হৈ গল সেইটো মই চমুকৈ কৈছো যে অসম নগা ৰাজ্য সীমান্তত অৱস্থিত সোণাৰি, সাপেখাটি, নামতোলা, নাগিনীমৰা আদি ঠাইত তাতোকৈ ব্যাপক ধৰণৰ আক্ৰমন চলাবলৈ প্ৰস্তুতি

চলোৱা বুলি বাতৰি পোৱা গৈছে। এই সূত্ৰমতে যোৱা ১৪ ফেব্ৰুৱাৰী নিশা ১২ মান বজাত নগা ৰাজ্যৰ মন টাউনৰ পাৰাৰ হাউচটো দুৰ্বৃত্তৰ দলে বিস্ফোৰক দি উৰাই দিয়ে।"

ইয়াৰ ওপৰিও সেই অঞ্চলৰ ওচৰে পাজৰে থকা গাওঁ বিলাকত আক্ৰমণ কৰিবলৈ চীন দেশৰ পৰা এদল দুৰ্বৃত্ত নগা ঘূৰি আহিছে বুলি বাতৰি দিছে। যাৰ কাৰণে সেই অঞ্চলত আমাৰ সীমান্তত থকা লোক সকলে জীৱন ৰক্ষাৰ কাৰণে ভয়ৰ কাৰণ হৈ পৰিছে। এই বিষয়ে মই আমাৰ মূখ্য মন্ত্ৰী ডাঙৰীয়াই যিটো বিবৃত্তি প্ৰস্তুত কৰিছে সেইটো বিস্তৃতভাবে ব্যাখ্যা কৰিবলৈ মই চৰকাৰক অনুৰোধ কৰিলোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা (যোগান মন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, যোৱা পাঁচ জানুৱাৰী তাৰিখে সংঘটিত হোৱা নৃশংস ঘটনাৰ পিছত সতৰ্কতামূলক ব্যৱস্থা হিচাপে অসম নগালেণ্ড সীমান্ত অঞ্চলত ৩৭ টা আৰক্ষী চকী নতুনকৈ স্থাপন কৰা হৈছে। পূৰ্ব্বৰ পৰা থকা ১৭টা চকীকে ধৰি এতিয়া মুঠতে ৫৪ টা চকী আছে। বিভিন্ন মহলৰ পৰা অহা খবৰ মতে অতিৰিক্ত চকী সমূহ খোলাৰ কাৰণে আৰু যোৱা পাঁচ জানুৱাৰীৰ ঘটনাৰ সংক্ৰান্তত নগালোকক গ্ৰেপ্তাৰ কৰাৰ বাবে, নগা অনুপ্ৰৱেশকাৰী আৰু সীমান্তত থকা নগা বাসিন্দা সকল অসন্তুষ্ট হৈছে। সীমান্তত থকা পুলিচ চকী বিলাকক সুস্পষ্ট নগা আক্ৰমণকাৰীৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ নিৰ্দ্দেশ দিয়া হৈছে।

এই বিষয়ে কেন্দ্ৰীয় গৃহমন্ত্ৰীকো জনোৱা হৈছে। মন নগালেণ্ডৰ ভিতৰত পৰে। তাত ঘটা ঘটনা সম্পৰ্কে নগালেণ্ড, চৰকাৰৰ পৰা কোনো বাতৰি পোৱা হোৱা নাই। তথাপি অন্যান্য মহলৰ পৰা পোৱা বাতৰি মতে জনাইছে যে যোৱা ১৬।২।৭৯ তাৰিখে চেইন বোলা হেলিপেড এখনত মাইন বিস্ফোৰণ হৈ দুজন কন্যাক নগা গুৰুতৰ ভাৱে আহত

হয়। চেইন গাওঁ আৰু চৰকাৰী কাৰ্য্যালয়ত অগ্নিসংযোগ কৰাৰ বিষয়ে কোনো বাতৰি চৰকাৰৰ দ্বাৰাই এই কাৰ্য্য সংঘটিত হৈছে বুলিও চৰকাৰে কোনো খবৰ পোৱা নাই।

চীনদেশত প্ৰশিক্ষণ প্ৰাপ্ত প্ৰায় ৭০০-৮০০ মান নগা ব্ৰহ্মদেশ নগালেণ্ড সীমান্তত আশ্ৰয়লৈ থকা বুলি চৰকাৰে জানিব পাৰিছে যদিও এই সম্পৰ্কে সঠিক প্ৰমান চৰকাৰৰ হাতত এতিয়ালৈকে পৰা নাই। যোৱা পাঁচ জানুৱাৰীৰ ঘটনাত তেওঁলোক জড়িত আছিল বুলিও চৰকাৰে নেজানে।

অসম নগালেণ্ড সীমান্তত সশস্ত্ৰ আৰক্ষী বাহিনীৰ পহৰা কটকটীয়া কৰি সেই অঞ্চলত কাম কৰা লোকসকলৰ নিৰাপত্তা কৰিবলৈ চৰকাৰে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

* Shri Binoy Kumar Besumtari :— Mr. Dy. Speaker Sir. I Want a Clarfiiction from the Miniser. We have been approached by about 5'000 people from berder ereas who have now gone to Bokrabari area in kamrun district : For these people no seenrity arrangement was made and no proper rationing was made for them. Therefore they have migrated into this area and the Govt. have assured that this people from the border areas will be taken back wherever they were settling earlier and proper security and supply of ration will be made to them. So will they be taken back to their own places for settlement ?

* Speech not corrected

* Shri Dulal Chandra Baruah, ( Minister ) :— Mr: Deputy Speaker Sir, on the point raised by Hon'ble Member Shri B. K: Basumatari, I want to make a clarification: Sir, all security messures were taken by the Govt. in that particular area. I had also personslly visited the area and I found everything was in proper from: of course I was reported by the administration there that they had made some proforma for screaning the personnel, but instead of giving details, some people left that place and went to some other place: So, unless they come to the place and give their particulars it is not at all possible to send tham back to their earlier s ttlements. I was told by the administration that arrangements had been made to send back those who were living in transit camps. At the same time, we are also arranging to make payment of Rs. 300/- to each family for construction of their houses in addition to the materials supplied by the Forest authority: I just want to draw the attention of the Members of the August House that I have found a trend amongst the tribal people, particularly Boro community that they are migratory in nature. Some people from Jonai area also had left that place and they went to Nagaland border.

* Speech not corrected

The question of taking back of those who fled their hearth and homes, I would like to inform the Hon'ble Member that it is not possible to take them back unless they come forward voluntrily and give their particulsrs as it is apprahanded that affairs of some foreign nationals might be involved in this operation. Govt. certainly welcome them and they will be given necessary assistance. We are ready to fight any aventuality with this present set up of administration.

Shri Binoy Kumar Basumatari :— It appears from the statement of the Hon'ble Minister that he does not want to take any respor sibility to take them back. Who is responsible for making people migratory ? Will this Govt. take remodial messures and to give tham settlement ?

* Shri Dulal Chandra Baruah, (Minister) :— Sir, how can we force them to stay. If they come voluntarily we will certainly welcome them. They must come to give their particulars to the authority. If they refuse to give their particulars and leave for some unknown destinantion, how can we take tham back or sent them to their original hearth and homes. However, Govt. is

* Speech not corrected

ready to give them shelter and proper rehabilitation in their particular areas subject to the condition that they should go to the proper authority for giving their particulars.

Mr. Deputy Speaker :— Let the discussion be stopped here today. Now item No. 3.

## CALLING ATTENTION

শ্ৰীএ, এন আক্ৰাম হোচেইন :- অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাবলীৰ ৫৪ নং নিয়ম অনুসৰি ১৯৭৯ চনৰ ২০ ফেব্ৰুৱাৰী তাৰিখৰ অসম ট্ৰিবিউন কাকতত প্ৰকাশিত "Resentnemt over selection of candidates." শীৰ্ষক বাতৰিটোলৈ উদ্যোগ মন্ত্ৰীৰ মনোযোগ আকৰ্ষণ কৰিলো।

* Shri Kashab Chandra Gogoi (Minister) :— Mr. Deputy Speaker, Sir, Government's attention has been drawn to a news item under the caption "Resentment over selection of candidates" published in the issue dt, 20/2/79 in the Assam Tribune, I beg to make the following statement.

1. In pursuance of the Govt. of India's enunciated policy the Govt. of Assam have set up five District

* Speech not corrected

Industries Centres, one each in the districts of Goalpara, Kamrup, Nowgong, Dibrugarh and Cachar. The rest of the districts will be covered under District Industries Centres programme in a phased manner.

2. Each District Industries Centre is headed by a General Manager of the rank of a joint Director of Industries. He will have seveu Functional Managers under him, each in charge of one of the following disciplines:

(a) Economic investigation.
(b) Machinery & Equipment.
(c) Research, Extension and Training.
(d) Raw Materials.
(e) Credit.
(f) Marketing.
(g) Khadi & Village Industries and Rural Artisans programme.

3. According to the guidelines suggested by the Govt. of India, Govt of Assam constituted a selection committee with the following members for selecting suitable candidates to man the District Industries centres:

1 Secretary, Industries - Chairman,
2. Director of Industries – Member.
3. Deputy Secretary, Personnel—Member.

4. Director, SISI or his representative - Member;

Three joint Directors of Industries and two Sr. A. C.S (I) officers, one deputation, have been oppointed as General Managers. The induction of Sr. A.C.S. (I) officers has been approved by Govt. of India. The post of a General. Menager carries the pay scale of Rs. 1150-55-1315-EB-60-1575/-P.M.

As for the selection of Functional Managers, various departments concerned including P. W. D., Engineering Institutes, Central organisations, Khadi Board, SISI, Assam Financial Corporation, Lead Banks, Universities, Assam Govt. Marketing Corporation, Developments Corporations, Public Undertakings and other Govt. Departments were requested to furnish panels of names of suitable candidates. Accordingly such candidates were interviewed by the selection committee and on consideration of their merits, past experience and suitalbility, were appointed as Functional Managers. Applications were received from open market also thoug no advertisements was made. Out of 35 Functional Managers, we have so far appointed 31 in different disciplinies. The above recruitment of Functional Mangers included one Technological graduate as reported in the news item. He had to his credit the requisite qualification and past

experience in the field.

4: Each Functional Manager will be assisted by an Asstt. Manager whose pay scale will be Rs. 500-35-745-EB-35-1025-EB-40-1225/-P.M. The selection committee adopted the principle of recruitment of this category of officers as follows :-

(a) Asstt. Managers should be of the rank of Supdt. of Industries and as far as practicable they are to be recruited from among the officers of the Industries Department.

(2) Suitable officers from other departments will be taken, on deputation, where necessary.

(3) A macimum of 25% of the post may be filled up by direct recruitment.

The selection committee in its sitting on 28. 12.78 considered the applications received from various organisations/departments of the Sectt. No open advertisement was, however, made. The list of extesion officers submitted by Director of Industries was also taken into consideration. Direct recruitment was discarded aiming at expeditious recruitment and also considering the fact that direct recruits may not be suitable for the new venture calling for past experiences and experience in the

respective disciplines. However, it is a fact that the selection committee considered applications received uninvited from open market. Accordingly, the selection committee made selection covering officers from the Khadi & Village Industries Deparment, the SISI and some departments of the Secretariat as well as from the open market though some applications were submitted not in response to any advertisemet.

It is a fact that the Minister, Industries intervened in this matter on receipt of representations from certain quarters and considering that some of the grievances are genuine, the selection has been kept in abeyance. The matter is now under exami nation of the Government and suitable steps will be taken to fill up the vacancies as possible.

## MATTER UNDER RULE 301

Mr. Deputy Speaker :— Now, item No. 4.

Shri Jiban Bora :— Sir, I want to raise a matter under Rule 301 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly relating to the news item appearing in the Dainik Asom, dated 24th February 1979 under the caption "কাৰখানাৰ দুৰ্ঘটনাৰ ফলত ক্ষতি"

মাননীয় উপাধ্যক্ষ মহোদয়, এই কাৰখানাৰ দুৰ্ঘটনাটোক মই এটা ভয়ানক দুৰ্ঘটনা বুলি কৈছো। যোৱা ২৩-২-৭৯ তাৰিখে ৰাতিপুৱা ৫.৪৫ মিনিটত তেজপুৰত থকা চিলিকেট ফেক্টৰীটোৰ Digester pressure Vessed টো বাৰ্চট হৈ গলিত চিলিকেট বিলাক ওলাই ওপৰৰ পৰা চেচা হৈ আনকি ৫ কেজি ওজন পৰ্য্যন্ত একো একো টুকুৰা হৈ ওচৰৰ আঠতলত পৰিবলৈ আৰম্ভ কৰে। ওচৰৰ ৰাষ্টাৰ কাষৰ টেলিফোন আৰু বিজুলীৰ তাঁৰ বিলাক চিঙি যায়, ঘৰ বিলাক নষ্ট কৰিছে আৰু লগতে এই ফেক্টৰীৰ ডাইজেষ্টৰ প্ৰেচাৰ ভেছেল স্ফোৰণ ঘটি ফেক্টৰীৰ মুল ঘৰ আৰু সমীপবৰ্ত্তী কিছুমান ঘৰত সাংঘাটিক অৱস্থাৰ সৃষ্টি কৰিছে। কিন্তু ভাগ্য ভাল সেই সময়ত ৰাস্তাত মানুহ ওলোৱা নাছিল। তথাপিও শ্ৰীসুধীৰ বয়, প্ৰফেচৰ এ, বি, চৰকাৰ, হৰেন্দ্ৰ নাথ মুখাৰ্জ্জী, দি সেনগুপ্তা, পুলিন ভৌমিক, ৰাজদেও সিং আদিৰ ঘৰ ক্ষতিগ্ৰস্ত হৈছে। ভালেমান ঘৰৰ টিনপাত, এচবেচটা আদি ভাঙিছে। আৰু এটা ডাঙৰ টুকুৰাই এখন ঘৰৰ ৫ ইঞ্চি ইটাৰ বেৰ পেলাছে। এটা লৰা আৰু এগৰাকী তিৰোতা আঘাট প্ৰাপ্ত হৈছে। ইয়াৰ লগতে উপাধ্যক্ষ মহোদয়, তেজপুৰ মহানগৰীত সেই একে কম্পাউণ্ডতে হাস্ক অইল নামৰ এটা ফেক্টৰী আছে। এই ফেক্টৰীৰ যদি দুৰ্ঘটনা হৈ বয়লাৰ বাৰ্চষ্ট হয় বিশেষজ্ঞৰ মতে গোটেই তেজপুৰ চহৰখনেই বিপদগ্ৰস্থ অৱস্থাত পৰিব বুলি সন্দেহ প্ৰকাশ কৰিছে। এই ফেক্টৰী কেইটা মহানগৰীৰ মাজৰ পৰা আতৰাব লাগে বুলি ৰাইজে ১৯৭১ চনৰ পৰাই আবেদন নিবেদন কৰি আহিছে। ১৯৭১ চনৰ ১৩ ফেব্ৰুৱাৰী তাৰিখৰ আবেদন এতিয়াও মোৰ লগত আছে। গতিকে এই বিষয়ে ৰাইজৰ আবেদনলৈ চাই আৰু তেজপুৰ চহৰখন ৰক্ষা কৰিবৰ কাৰণে এই ফেক্টৰী কেইটা তাৰ পৰা আতৰ কৰেণে নকৰে আৰু সোনকালে ক্ষতিগ্ৰস্ত সকলক ক্ষতিপুৰণ দিয়েনে নিদিয়ে এই বিষয়ে মই মন্ত্ৰী মহোদয়ৰ পৰা প্ৰতিশ্ৰুতি পাম বুলিয়ে বিষয়টো উত্থাপন কৰিলো। লগতে

মই জানিব খুজিছো অসম Factory rulesৰ ৫৬ নং নিয়ম অনুযায়ী Pressure plant এই দুৰ্ঘটনা হোৱা ফেক্টৰীতে বহুৱা হৈছিলনে নাই জানিব বিছাৰিছো।

* শ্ৰীকেশৱ গগৈ (বিত্তমন্ত্ৰী) :— উপাধ্যক্ষ মহোদয়, "দৈনিক অসম" বাতৰি কাকতৰ যোৱা ২৪ ফেব্ৰুৱাৰী স্যংখ্যাত ওলোৱা "কাৰখানাৰ দুৰ্ঘটনাৰ বলত ক্ষতি" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। বাতৰিটোত প্ৰকাশ যে তেজপুৰত অৱস্থিত এটা চিলিকেট ফেক্টৰীত বিস্ফোৰণ ঘটাত সমীপবৰ্তী প্ৰায় ১০০০ মিটাৰ ব্যাসাৰ্দ্ধ এলেকাত ক্ষতি হয়। এই আকস্মিক দুৰ্ঘটনাটো ঘটে ২৩ ফেব্ৰুৱাৰীৰ নিচেই ৰাতিপুৱাতে। এই ফেক্টৰীৰ ডাইজেষ্টৰ নামৰ কলৰ অংশত বিস্ফোৰণ ঘটি ফেক্টৰীৰ মূল ঘৰ আৰু সমীপৰ্তী কিছু ঘৰত ক্ষয় ক্ষতি হৈছে। আৰু কেইজনমান লোকো আঘাত প্ৰাপ্ত হৈছে। এই দুৰ্ঘটনাৰ বাবে তেজ-পুৰ আৰু উপকণ্ঠৰ ৰাইজ সন্ত্ৰস্ত হৈ উঠিছিল বুলিও বাতৰিটোত প্ৰকাশ। জিলাৰ উপায়ুক্তই এই দুৰ্ঘটনাৰ বাতৰি পাই দুৰ্ঘটনাৰ স্থল পৰিদৰ্শন কৰে আৰু ঘটনাটোৰ সবিশেষ তদন্ত কৰিবলৈ অতিৰিক্ত উপায়ুক্তক আদেশ দিয়ে। পৌৰসভাৰ উপ-সভাপতি আৰু স্থানীয় ফেক্টৰীৰ ইন্সপেক্টৰ আদিয়ে দুৰ্ঘটনাৰ স্থল পৰিদৰ্শন কৰে। তদন্তত বৰ্তমানলৈকে পোৱা প্ৰতি-বেদনৰ পৰা দেখা যায় যে এই "চিলিকেট" ফেক্টৰী তেজপুৰ চহৰৰ শ্ৰীগনেশ দাস অইল এণ্ড ৰাইচ মিলৰ চৌহদত অৱস্থিত। দুৰ্ঘটনাটোত "চিলিকেট ডাইজেষ্টৰ" নামৰ কলৰ অংশ এটা বিস্ফোৰিত হৈ ঘৰৰ মুধ-চেৰে উফৰি গৈ প্ৰায় ২০০ মিটাৰ আতৰত পৰে গৈ। বিস্ফোৰণত উৰি যোৱা চিলিকেট শিলৰ টুকুৰা পৰি মৈত্ৰ কলনী, নেপালী পট্টী আৰু পল গ্ৰাউণ্ডৰ ২০ ঘৰ মানুহৰ ঘৰৰ টিনৰ আৰু এজবেচটেৰ ছালৰ ক্ষতি সাধন কৰে। এনে

* Speech not corrected

ক্ষতিৰ পৰিমান প্ৰায় ৫,২০০ টকা বুলি নিৰ্দ্ধাৰণ কৰিছে। তাৰোপৰি মিলৰ ১, ৮৬,৫০০ টকা মানৰ ক্ষতি হৈছে বুলি প্ৰতিবেদনত দেখা যায়। এই দুৰ্ঘটনাত ৯জন লোকেও সাধাৰণভাবে আঘাত পায় আৰু আঘাত প্ৰাপ্ত লোক সকলক প্ৰাথমিক চিকিৎসা দিয়া হয়। কোনো লোকৰ মৃত্যু হোৱা নাই। এই দুৰ্ঘটনাৰ সঠিক কাৰণ উলিয়াবৰ বাবে এতিয়াও তদন্ত চলি আছে। চিলিকেট ফেক্টৰীৰ বয়লাৰটো ১৯৭৮ চনৰ ডিচেম্বৰৰ পৰা চলিত বছৰৰ ১৮ ডিচেম্বৰলৈকে ব্যৱহাৰৰ বাবে চাৰ্টিফিকেট দিয়া আছে। বয়লাৰৰ বিস্ফোৰণ ঘটা নাছিল। বয়লাৰৰ মুখ্য পৰিদৰ্শক আৰু কাৰখানাৰ মুখ্য পৰিদৰ্শক উভয়েই ঘটনাৰ বিষয়ে তদন্ত কৰে। দুৰ্ঘটনাৰ পিচতে বয়লাৰ-টোৰ পৰৱৰ্তী কোনো আদেশ নোপোৱালৈকে ব্যৱহাৰ নকৰিবলৈ আদেশ দিয়া হয়। ডাইজেষ্টাৰৰ বিস্ফোৰণৰ কাৰণ সম্বন্ধে এতিয়াও তদন্ত কৰা হৈ আছে। তেজপুৰ পৌৰসভাই ফেক্টৰী বহুৱাবৰ কাৰণে দিয়া 'ন অবজে-কচন' চাৰ্টিফিকেট খন ইতিমধ্যে নাকচ কৰিছে। দুৰ্ঘটনাৰ ওপৰত হোৱা তদন্তৰ সম্পূৰ্ণ প্ৰতিবেদন পোৱাৰ পিছত চৰকাৰে প্ৰয়োজনীয় ব্যৱস্থা হাতত লব।

শ্ৰীজীৱন বৰা :— উপাধ্যক্ষ মহোদয়, মই এটা স্পষ্টিকৰণ বিছাৰিছো এই ফেক্টৰীৰ লগতে অন্যান্য যিবিলাক ফেক্টৰী তেজপুৰ চহৰৰ ভিতৰত আছে, কেতিয়াবালৈ হয়তো এই ফেক্টৰী বিলাকেও দিগদাৰী কৰিব পাৰে। আনহাতে ফেক্টৰী আইনৰ ৫৪ নং অনুসৰিও কোনো ফেক্টৰী টাউনৰ ভিতৰত থাকিব নালাগে। গতিকে এই ফেক্টৰী বিলাক বাহিৰলৈ উঠাই নিয়াৰ কিবা নিৰ্দ্দেশ দিছে নেকি ?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী) :— এই দুৰ্ঘটনাৰ সম্পৰ্কে তদন্ত চলি আছে আৰু সেই তদন্ত ৰিপোৰ্ট পোৱাৰ পাচত সেই ব্যৱস্থা লোৱা হব। পৌৰ সভাই নো অবজেকচন চাৰ্টিফিকেট অৱশ্যে দিছে কিন্তু তদন্ত ৰিপোৰ্ট

পোৱাৰ পাছত সেই ব্যৱস্থা গ্ৰহণ কৰিব পৰা হব।

শ্ৰীবিপিন হাজৰিকাঃ— এনেধৰণৰ ফেক্টৰী এটা ড্‌মড্‌মাৰ বেলিকাও ফেক্টৰী অইনত নহোৱা কাৰণে বহুওৰাবলৈ দিয়া নহ'ল। এই দুৰ্ঘটনা সম্পৰ্কে তদন্ত কৰিব লাগে। আমি জনাত এজন উচ্চ পদস্থ বিষয়াই গুৱাহটীৰ ফাৰ্ম বিলাকৰ লগত কিবা এটা ৰহস্য আছে গতিকে এই ষ্টেমটেণ্ট দোকুমেণ্ট বিলাকৰ ওপৰত কি ৰহস্য সোমাই আছে সেই সম্পৰ্কে অতি শীঘ্ৰে তদন্ত কৰাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিব নে?

শ্ৰীকেশৱ চন্দ্ৰ গগৈ (মন্ত্ৰী):— সদস্য গৰাকীয়ে এই অভিযোগ সদনত উত্থাপন কৰিছে যেতিয়া এই বিষয়ে তদন্ত কৰা হব আৰু বিহিত ব্যৱস্থা লোৱা হব।

Deputy Speaker :— The House stands adjourned till 10 A. M. tomorrow, the 22nd March, 1979.

## ADJOURNMENT

The House then rose at 6.28 P. M. and stood adjourmned till 10 A. M. on Thursday, the 22nd March, 1979.

DISPUR :
The 21st March, 1979.

P. D. BARUA.
Secretary,
Assam Legislative Assembly

REFERENCE
Not For Issue
A. L. A. Library